# স্মৃতিৰ ডেউকা ঃ
# আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়
# ছাত্ৰীনিবাস

**ড° শিপ্ৰা পাইক**
গুৱাহাটী, অসম

SMRITIR DEUKA : A Collection of memoir of Arya Vidyapeeth College Girls' Hostel, Guwahati-16, Published and Edited by Dr. Sipra Paik, Asstt. Professor, Department of Sanskrit, Arya Vidyapeeth College, Guwahati-16 and printed at Unique, Bamunimaidam, Guwahati-781021.

সংকলন আৰু সম্পাদনা ঃ **ড° শিপ্ৰা পাইক**

প্ৰথম প্ৰকাশ ঃ ১৭ এপ্ৰিল, ২০২১

গ্ৰন্থস্বত্ব ঃ লেখিকাৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত

অৰিহণা ঃ ১০০.০০ টকা

মুদ্ৰক ঃ
ইউনিক
উদ্যোগ পাম, বামুণীমৈদাম, গুৱাহাটী-২১
ভ্ৰাম্যভাষ ঃ ৯৮৬৪১১১৬৫৯,৯৪০১৯৬৩৯৪৬

আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ
ছাত্ৰীনিবাসৰ সমূহ ছাত্ৰীসকলৰ
উদ্দেশ্যে

# শ্ৰদ্ধাঞ্জলি



ঁ ভানু চৌধুৰী



ঁ কালীচৰণ তালুকদাৰ



ঁ অৰুণ দাস

ঁ তৰুবালা দাস



ঁ ধনশ্ৰী বৰ্মন

# Foreward



Arya Vidyapeeth College was established in the year 1958. The untiring efforts of Pandit Giridhar Sarma, founder Principal, and several other leading citizens of Guwahati was the driving force behind the establishment of this leading Academic Institution of the state of Assam.

Since its establishment, the college has taken several strides forward. One can write volumes on the progress of the college in several spheres, be it teaching and learning, administration, infrastructure, library system, students' support, congenial academic atmosphere etc.

I am happy to know that Dr. Sipra Paik, Department of Sanskrit, has taken a challenging task of writing about her experiences as the teacher in charge of the Girls' Hostel of the college in which capacity she had rendered yeoman's service. This endeavour of Dr. Paik not only depicts her experiences but also puts on record the experiences of other colleagues who have had the opportunity to serve the college in the same capacity.

The articles compiled by Dr. Sipra Paik is interesting reading and without doubt shall archive the chronology of the Girls' Hostel of this great academic Institute.

My best Wishes

Das

**Prof. Pranab Jyoti Das**
President of Governing Body
Arya Vidyapeeth College

# শুভেচ্ছাবাণী



সকলো মহান কামৰ বাবে মানুহক এটা সুন্দৰ মনৰ প্ৰয়োজন। আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ অবিচ্ছেদ্য অংগ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ছাত্ৰীনিবাসৰ বিষয়ে এখন গ্ৰন্থ প্ৰণয়ন কৰা কামটো এক মহান কাম। কালৰ সোঁতত সকলো নোহোৱা হৈ যায়। মাথোন ৰৈ যায় লিখিত তথ্য। যিমান কঠিন শিলেৰেই নিৰ্মিত নকৰক কিয় সকলো স্মাৰক এদিন ধ্বংসপ্ৰাপ্ত হয়। কিন্তু আখৰৰ মহিমা অপাৰ। যুগ যুগান্তৰলৈ ই বৈ বৈ যায়। তাতে বৰ্তমানৰ বৈদ্যুতিন যুগত এই আখৰ পোকে কুটা, বানপানীত ধ্বংস হোৱা—ইত্যাদি নানান ধৰণৰ প্ৰাকৃতিক দুৰ্য্যোগৰ পৰাও আশংকা মুক্ত। এতেকে আখৰেৰে কৰা সংৰক্ষণ এক স্থায়ী সংৰক্ষণ। ১৯৫৮ চনতে স্থাপন হোৱা আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় কেৱল উত্তৰ পূৱৰে নহয় সমগ্ৰ ভাৰতৰে এক উল্লেখযোগ্য শিক্ষানুষ্ঠান। এই শিক্ষানুষ্ঠানৰ এটা অংগ ছাত্ৰীনিবাস। ভাৰতৰ বিভিন্ন অঞ্চলৰ ছাত্ৰীয়ে ১৯৮৪ চনৰ পৰা বৰ্তমানলৈকে এই নিবাসত থাকি অধ্যয়ন কৰিছে। তেওঁলোকৰ বাবে এই নিবাস ঘৰৰ বাহিৰৰ নিৰাপদ ঘৰ। বিদ্যায়তনিক, বৌদ্ধিক, শাৰীৰিক, মানসিক, সামাজিক, আধ্যাত্মিক—সকলো দিশৰে বিকাশ সাধনৰ থলী। একোজন অধীক্ষকৰ তত্ত্বাৱধানত থাকি ছাত্ৰীসকলে ভৱিষ্যৎ জীৱনৰ বাবে নিজকে প্ৰস্তুত কৰা আখৰা গৃহ। এই ছাত্ৰীনিবাসত থাকিয়ে বহুতো ছাত্ৰী জীৱনত বিশেষভাৱে কৃতকাৰ্য হৈছে। সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ তেওঁলোকে উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। এতেকে সমাজত আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰীনিবাসৰ এক বিশেষ গুৰুত্ব আছে। ছাত্ৰীনিবাসৰ বিভিন্ন তথ্য

সম্বলিত গ্ৰন্থ এখন সংকলন আৰু সম্পাদনা কৰিবলৈ লৈ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপিকা ড° শিপ্ৰা পাইক মহোদয়াই এক মহান কৰ্ম হাতত লৈ তেখেতৰ সুন্দৰ মনৰ পৰিচয় দিছে। আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে মই তেখেতৰ এই কৰ্মৰ শলাগ লৈছো আৰু তেখেতলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

আত্মাৰ্থজীৱলোকেঽস্মিন্ কো ন জীৱতি মানৱঃ।

পৰং পৰোপকাৰাৰ্থ যো জীৱতি সঃ জীৱতি।।

মানুহে কেৱল নিজৰ বাবে জীয়াই থাকিলে তাক জীৱন নোবোলে। পৰোপকাৰৰ বাবে জীয়াই থকাহে প্ৰকৃত জীৱন। পৰোপকাৰৰ এক অন্যতম দিশ দান। দানে মানুহক মহান কৰে। সকলো দানতকৈ বিদ্যাদান শ্ৰেষ্ঠ। একোখন গ্ৰন্থই আমাক পৰোক্ষ ভাৱে বিদ্যাকে দান কৰে। আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰীনিবাসৰ বিষয়ে ড° শিপ্ৰা পাইকে যিখন গ্ৰন্থ প্ৰণয়ন কৰিবলৈ লৈছে সেই গ্ৰন্থখনৰ প্ৰকাশৰ সমূহ খৰচো তেখেতে নিজেই বহন কৰিবলৈ লৈছে। এইবাবেও তেখেত কৃতজ্ঞতা আৰু ধন্যবাদৰ পাত্ৰ।

যিসকল লেখকে নিজৰ লেখাৰে কিতাপখন সমৃদ্ধ কৰিছে তেখেতসকলকো মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়ৰ প্ৰতি তেওঁলোকৰ মৰম, আগ্ৰহ আৰু আকৰ্ষণৰ বাবে আমি তেওঁলোক সদৌটিৰে ওচৰত কৃতজ্ঞ।

গ্ৰন্থখন সমাজৰ বাবে মংগলময় হিচাপে পৰিগণিত হওঁক আৰু জনসমাজত সমাদৰ লাভ কৰক।

জয়তু আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰীনিবাস।

জয়তু আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়।

শুভেচ্ছাৰে—

ড° প্ৰদীপ কুমাৰ ভট্টাচাৰ্য্য
অধ্যক্ষ, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়
গুৱাহাটী, অসম

# আগকথা

ছাত্ৰীনিবাসৰ দায়িত্ব লোৱাৰ কথা যেতিয়া চলি আছিল তেতিয়া স্বাভাৱিকতেই মই অলপ চিন্তিত আছিলো যে মই যথাযথভাৱে এই গুৰু দায়িত্ব পালন কৰিবলৈ সক্ষম হম নে নাই। সেয়েহে মই আমাৰ পূৰ্ববৰ্ত্তী অধীক্ষিকা বাইদেউসকলক সুধিছিলো ছাত্ৰীনিবাসৰ বিষয়ত বিভিন্ন সুধিবলগীয়া কথাবোৰ। আমাৰ ছাত্ৰীনিবাসৰ প্ৰথম অধীক্ষিকা বাইদেউ আছিল নৃতত্ব বিভাগৰ অঞ্জলী ভট্টাচাৰ্য্য বাইদেউ। বাইদেউক মই সুধিছিলো এই গুৰুদায়িত্ব মই চম্ভালিব পাৰিম নে? বাইদেউৱে মোক কৈছিলে-তোমাৰ মাজত এক মাতৃত্বসুলভ গুণ আছে। মাতৃৰ দৰে তুমি ছোৱালীবোৰক মৰম কৰিলে, সিহঁতৰ সুখ-দুখত সমভাগী হ'লে সিহঁতেও তোমাক ভাল পাব আৰু তুমিও নিৰ্বিঘ্নে এই দায়িত্বখিনি পালন কৰিব পাৰিবা। নীলিমা বাইদেউও কৈছিলে— ভয় নকৰিবা, আমাৰো অভিজ্ঞতা নাছিল কিন্তু আমিও ধুনীয়াকৈ তিনিবছৰ ছাত্ৰীনিবাসৰ দায়িত্ব পালন কৰিছিলো। লাহে লাহে এই ছোৱালীকেইজনী তোমাৰ খুব আপোন হৈ পৰিব চাবা। ঠিক তেনেকৈ সুচিত্ৰা বাইদেউও মোক আশ্বাস দি কৈছিলে—দায়িত্বখিনি লওকচোন, বহুতো অভিজ্ঞতা হ'ব আৰু এই অভিজ্ঞতাখিনি আপোনাৰ ভৱিষ্যৎ জীৱনৰ পাথেয় হৈ ৰ'ব আৰু ভৱিষ্যতে বহুতো গুৰুত্বপূৰ্ণ দায়িত্ব লোৱাৰ বা সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে আপুনি সাহস পাব। এনেকৈ সকলো বাইদেউৰ আশীৰ্বাদত পুষ্ট হৈ ময়ো নিৰ্ভয়ে এই ছাত্ৰীনিবাসৰ দায়িত্ব ল'বলৈ আগবাঢ়ি আহিলো। আজি মই সেই অভিজ্ঞতাৰ বলতেই এই কিতাপখন সম্পাদনা কৰি উলিয়াব পাৰিছো বুলি ভাবি মনতে যথেষ্ট সুখ অনুভৱ কৰিছো। মই ছাত্ৰীনিবাসৰ অধীক্ষিকা হিচাপে দায়িত্ব লৈছিলো ৩/৫/২০০৬ চনত আৰু এই দায়িত্বৰ পৰা অব্যাহতি লৈছিলো ৮/৫/২০১১ চনত।

ভৱিষ্যতৰ কথা ভাবি ছাত্ৰীনিবাসৰ দায়িত্ব লোৱাৰ পিছৰ পৰাই মই ছাত্ৰীনিবাসৰ ইতিহাস বিচাৰি বহুতকে সুধিছিলো আৰু লগতে সেই কথাখিনি লিপিবদ্ধ কৰি ৰাখিব খুজিছিলো। মোৰ এই একান্ত প্ৰয়াসে ভৱিষ্যতে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ইতিহাসত এটা বিশিষ্ট স্থান দখল কৰিব তাতে মোৰ কোনো সন্দেহ নাই। সেইবাবে মই মোৰ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ছাত্ৰীনিবাসৰ অধীক্ষিকা হৈ থকা কালছোৱাত সংগ্ৰহ কৰিছিলো প্ৰাক্তন অধীক্ষিকাসকলৰ অনুভৱখিনি আৰু কিছুমান অন্যান্য লিখনী। পিছত বৰ্তমানৰ অধ্যক্ষ মহোদয় ড° প্ৰদীপ কুমাৰ ভট্টাচাৰ্যদেৱৰ পৰামৰ্শক্ৰমে বৰ্তমান ছাত্ৰীনিবাসৰ অধীক্ষিকাৰ লগতে আৰু কিছু ন-পুৰণি ছাত্ৰীসকলৰ অনুভৱ সংযোজন কৰিছো যাতে বৰ্তমানলৈকে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ছাত্ৰীনিবাসৰ এক সজীৱ চিত্ৰ আমাৰ দৃশ্যপটত ভাহি উঠে। পাঠকে এই কিতাপখনৰ গুণাগুণ বিচাৰ কৰি মোক জনালে মই নথৈ আনন্দিত হ'ম। মোৰ এই প্ৰচেষ্টাক পৰৱৰ্ত্তীকালত আৰু কোনোবাই আগুৱাই লৈ যাব এই আশাৰে—

শিপ্ৰা পাইক

গুৱাহাটী
১৭-০৪-২০২১ ইং

# প্ৰাৰ্থনা সঙ্গীত

মুক্তিত নিস্পৃহ যিটো　　　　সেহি ভকতক নমো
　　　　ৰসময়ী মাগোহো ভকতি।
সমস্ত-মস্তক-মণি　　　　নিজ ভকতৰ বৈশ্য
　　　　ভজো হেন দেৱ যদুপতি।।
যাৰ ৰাম-কৃষ্ণ-নাম　　　　নাৱে ভৱ-সিন্ধু তৰি
　　　　পাৰে পৰম্পদ পাপী যত।
সদানন্দ সনাতন　　　　হেনয় কৃষ্ণক সদা
　　　　উপাসা কৰোঁহো হৃদয়ত।।
মৎস্য কুৰ্ম নৰসিংহ　　　　বামন পৰশুৰাম
　　　　হলিৰাম বৰাহ শ্ৰীৰাম।
বুদ্ধ কল্কী নামে দশ　　　　আকৃতি ধৰিছা কৃষ্ণ
　　　　তযু পাৰে কৰোঁহো প্ৰণাম।।

# কৃতজ্ঞতা স্বীকাৰ

বহুদিনলৈ অপেক্ষাৰ অন্তত 'স্মৃতিৰ ডেউকা' নামেৰে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰীনিবাসৰ ইতিহাস সম্বলিত স্মৃতিগ্ৰন্থখন প্ৰকাশিত হ'ল। প্ৰথমতে মই আমাৰ সকলোৰে প্ৰিয় আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাতা আৰ্য্যপিতা ঁগিৰিধৰ শৰ্মাদেৱৰ উদ্দেশ্যে সশ্ৰদ্ধ প্ৰণিপাত জনাইছো। মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° প্ৰণৱজ্যোতি দাসদেৱক কৃতজ্ঞতা জ্ঞাপন কৰিছো অতি উৎসাহব্যঞ্জক শুভকামনাৰে দুআষাৰ লিখি আমাক অনুপ্ৰাণিত কৰাৰ বাবে। মই আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° প্ৰদীপ কুমাৰ ভট্টাচাৰ্য্যদেৱক ধন্যবাদ জ্ঞাপন কৰিছো শুভেচ্ছা বাৰ্তাৰ মাধ্যমেৰে আমাক উৎসাহিত কৰাৰ বাবে।

কিতাপখনৰ নামাকৰণ 'স্মৃতিৰ ডেউকা' এই নামেৰে নামাকৰণ কৰাৰ বাবে আমাৰ মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ অধ্যাপিকা তথা ছাত্ৰীনিবাসৰ প্ৰাক্তন অধীক্ষিকা ড° সুচিত্ৰা পাঠক বাইদেউলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। ইয়াৰ উপৰিও বাইদেৱে কিতাপখনৰ বিষয়ে নানা দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে মই পৰিসংখ্যা বিজ্ঞান বিভাগৰ অৱসৰী অধ্যাপক ড° গিৰীশ চন্দ্ৰ শৰ্মাদেৱলৈ বিশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলো মোক সৰ্বান্তঃকৰণেৰে সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে আৰু লগতে এই কিতাপখিনিৰ ত্ৰুটি বিচ্যুতি পুংখানুপুংখৰূপে চাই দিয়াৰ বাবে। আমাৰ সহকৰ্মী নিভা ৰাণী দেৱীয়ে মোৰ অনুৰোধ ৰক্ষা কৰি বহুতো পুৰণি আৱাসীলৈ এই কিতাপখনৰ উলিওৱাৰ বাৰ্তা দি বিশেষভাৱে সহযোগিতা আগবঢ়ালে। সেইবাবে আমি বহুকেইজনী আৱাসীৰ স্মৃতিৰ আভাস পালো তেখেতসকলৰ লিখনিৰ মাজতে। মই মোৰ ফালৰ পৰা নিভালৈ বিশেষ কৃতজ্ঞতা জনালো। মই মোৰ কৃতজ্ঞতাৰ ডালিটো আগবঢ়ালো সমূহ অধীক্ষিকাসহ লেখক-লেখিকালৈ যিসকলে মোৰ অনুৰোধ ৰক্ষা কৰি নিজৰ নিজৰ সময়ৰ স্মৃতিখিনি লিখনিৰ মাজেৰে দাঙি ধৰিছে। মই মোৰ গুৰু প্ৰফেছাৰ ৰাজেন্দ্ৰ নাথ শৰ্মা ছাৰ আৰু

প্ৰফেছাৰ শ্ৰুতিধৰা চক্ৰৱৰ্তী বাইদেউলৈও কৃতজ্ঞতা জ্ঞাপন কৰিছো। ছাৰ বাইদেৱে মোৰ এই কিতাপখনত ছাত্ৰীনিবাসৰ কিছু সমস্যা আৰু সেইবোৰৰ সমাধান উল্লেখ কৰিবলৈ উপদেশ দিছিল। ৰান্ধনীসকলৰ অৱদানৰ কথা লিখিবৰ বাবে অনুপ্ৰাণিত কৰিছিল শ্ৰদ্ধেয় প্ৰফেছাৰ পৰিমল চন্দ্ৰ ভট্টাচাৰ্য্য ছাৰ। এই সুযোগতে মই ছাৰলৈ আন্তৰিক শলাগ আৰু কৃতজ্ঞতা যাচিলোঁ। মৰমৰ ছাত্ৰীসকলে মোৰ ফোন পোৱামাত্ৰকে উৎসাহেৰে নিজা নিজা হোষ্টেলত থকা সময়খিনিৰ অভিজ্ঞতা লিখি মোলৈ পঠিওৱাৰ বাবে মৰম যাচিলো লগতে কৃতজ্ঞতা আৰু ধন্যবাদ জনালো। ছাত্ৰীনিৱাসৰ সমূহ কৰ্মচাৰীলৈও মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো মোক যথাসাধ্য সহযোগিতা আগবঢ়োৱাৰ বাবে। এই সুযোগতে মোৰ পুত্ৰদ্বয় অৰিন্দম আৰু অভীকৰ প্ৰতিও কৃতজ্ঞতা জনালো কিয়নো সিহঁতেও মোৰ সৈতে জীৱনৰ এটা মূল্যৱান সময় এই হোষ্টেলত অতিবাহিত কৰিছিল আৰু এই কিতাপখনৰ প্ৰকাশনৰ ক্ষেত্ৰত মোক নানা প্ৰকাৰে সহায় কৰিছিল।

কিতাপখন আৰু আগতে ছপা কৰি উলিয়াব চেষ্টা কৰিছিলো কিন্তু ২০২০ চনৰ মাৰ্চ মাহৰ পৰা এতিয়ালৈকে অৰ্থাৎ ২০২১ চনৰ বৰ্তমান সময়লৈকে আমি Covid-19ৰ এক অবৰ্ণনীয় পৰিস্থিতিৰ সন্মুখীন হোৱাত কিতাপখনৰ মুদ্ৰণ ত্ৰুটি, সংশোধন আদি কাম কৰিব পৰা অৱস্থা নাছিল। পলম হ'লেও সকলোৰে সহযোগিতাত এই সংকলিত গ্ৰন্থ 'স্মৃতিৰ ডেউকা'খন পাঠকৰ হাতত তুলি দিবলৈ প্ৰয়াস কৰিছো মাথোঁ। শেষত আলোকচিত্ৰ কিছু সংযোজন কৰা হৈছে যাতে কোনোবা লিখিব নোৱাৰিলেও নিজৰ সহপাঠীৰ লগত ছবিখিনি চাই সেই মধুৰ স্মৃতি ৰোমন্থন কৰি আনন্দ অনুভৱ কৰিব পাৰে।

সদৌ শেষত মই এই কিতাপখন মুদ্ৰণ কৰি উলিয়াই দিয়াৰ কাৰণে 'ইউনিক'ৰ স্বত্বাধিকাৰী শ্ৰীতিলক ভট্টাচাৰ্য্যদেৱৰ সৈতে সমূহ কৰ্মচাৰীলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

জয়তু আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

জয়তু আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰীনিবাস

গুৱাহাটী

১৭-০৪-২০২১ ইং — শিপ্ৰা পাইক

# সূচীপত্ৰ


- আৰ্য্য বিদ্যাপীঠ আৰু ছাত্ৰীনিবাসৰ কিছু অনুভৱ-ড° গিৰীশ চন্দ্ৰ শৰ্মা//১৯
- আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ ছাত্ৰীনিবাস-অঞ্জলী ভট্টাচাৰ্য্য//২৪
- স্মৃতিৰ সুবাস-ড° সুচিত্ৰা পাঠক//২৬
- অধীক্ষিকা হিচাপে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ছোৱালী হোষ্টেলৰ অভিজ্ঞতা-ড° নীলিমা দেৱী//৩৩
- আৰ্য্য বিদ্যাপীঠ কলেজৰ ছাত্ৰীনিৱাসৰ অভিজ্ঞতা-ড° বৰ্ণালী শৰ্মা//৩৭
- আৰ্য্য বিদ্যাপীঠ কলেজ গাৰ্লছ হোষ্টেল আৰু মোৰ অভিজ্ঞতাৰ এক নতুন পদক্ষেপ-ড° শিপ্ৰা পাইক//৩৯
- ছাত্ৰীনিবাসৰ অধীক্ষিকাৰ কাৰ্যক্ৰমণিকাৰ মণিকোঠাত-ড° দিপালী নেওগ গোস্বামী//৫০
- আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় আৰু ছাত্ৰীনিবাস-ড° মানসী গগৈ//৫৬
- ৰোমন্থন-মীনাক্ষী দেৱী//৫৯
- স্মৃতিৰ চোতালত-ৰুণু তালুকদাৰ//৬২
- সোঁৱৰণীৰ জিলিঙনি-ড° লভিতা শৰ্মা//৬৮
- স্মৃতি ৰোমন্থন-দিপীকা মেধি//৭২

♦ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰীনিবাস ঃ স্বৰ্ণিল স্মৃতিৰ বৰ্ণিল দস্তাবেজ-ড° নীভা ৰাণী দেৱী//৭৮

♦ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ছাত্ৰীনিবাসৰ চমু আভাস-বসন্ত শৰ্মা//৮৬

♦ অনুভৱৰ স্মৃতি খুলি-ড° ৰূপশিখা শৰ্মা//৯১

♦ মধুৰতম স্মৃতি-পৰিমিতা দত্ত বৰুৱা//৯৩

♦ স্মৃতিৰ টোপোলা খুলি-কৰবী দাস//৯৮

♦ স্বাভিমানী তৰুবালা বাই-ড° সুচিত্ৰা পাঠক//১০১


♦ মোৰ স্মৃতি আৰু অনুভৱৰ পৃষ্ঠাত শ্ৰদ্ধাৰ প্ৰয়াত কালীচৰণ কাই আৰু অৰুণকাই-ড° নীভা ৰাণী দেৱী//১০৫

♦ আবাসৰ ৰন্ধনশাল আৰু ৰান্ধনী-ড° সুচিত্ৰা পাঠক//১০৯

♦ ৰান্ধনীৰ মনৰ কথা-গোবিন্দ মালী আৰু ফুকন দাস//১১২

♦ হেৰুৱা সুবাস বিচাৰি-মৌচুমী দেৱী//১১৬

# আৰ্য্য বিদ্যাপীঠ আৰু ছাত্ৰীনিবাসৰ কিছু অনুভৱ



ড° গিৰীশ চন্দ্ৰ শৰ্মা

১৯৭৪ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ত বিজ্ঞান শাখাত নামভৰ্তি কৰিছিলো। এইকাৰণে যে সেই সময়ত কৰ্মযোগী পণ্ডিত গিৰিধৰ শৰ্মা চাৰৰ অধ্যক্ষতাত আৰ্য্য বিদ্যাপীঠৰ জয় জয় ময় ময়। সত্তৰৰ দশকত আৰ্য্য বিদ্যাপীঠ কলেজে উচ্চ শিক্ষাৰ ক্ষেত্ৰত এক আলোড়ন সৃষ্টি কৰিছিল। তেতিয়া কটন কলেজত চিট নাপালে দ্বিতীয় পচন্দৰ কলেজখন আছিল আৰ্য্য বিদ্যাপীঠ। আৰ্য্য বিদ্যাপীঠ স্কুল আৰু কলেজৰ জন্ম আৰু প্ৰগতি বিস্ময়কৰ। আজি য'ত স্কুল-কলেজ, বি.বৰুৱা কেন্সাৰ ইনষ্টিটিউট, আই, টি, আই আদি অনুষ্ঠান অৱস্থিত, সেইখিনি ঠাই আছিল এখন বিল। চাৰিওফালে পানী আৰু পানী। এই পানীখিনিৰ মাজত প্ৰয়াত গিৰিধৰ শৰ্মা চাৰে ১৯৫৮ চনৰ ১৮ এপ্ৰিলত স্থাপন কৰিছিল আৰ্য্য বিদ্যাপীঠ স্কুল আৰু সেই একেটি বছৰৰে ২৯ জুলাই তাৰিখে স্থাপন কৰিলে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়।

অসাধাৰণ পাণ্ডিত্যৰ অধিকাৰী গিৰিধৰ শৰ্মাদেৱে কোনোদিনে মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ কোঠাত প্ৰৱেশ নকৰাকৈ আই.এ, বি.এ আৰু এম.এ ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হৈছিল। এয়া সম্ভৱ হৈছে গিৰিধৰ শৰ্মা ছাৰৰ অধ্যৱসায়, নিপুণ দক্ষতা, কৰ্মস্পৃহা উচ্চাকাংক্ষাৰ মনোভাৱৰ কাৰণে। গিৰিধৰ শৰ্মা চাৰ যদি আৰু কেইবছৰমান আৰ্য্য বিদ্যাপীঠত অধ্যক্ষ হৈ থাকিলহেঁতেন তেনেহ'লে আৰ্য্য বিদ্যাপীঠক আজি বিশ্ববিদ্যালয়ৰ শাৰীলৈ লৈ যাব পাৰিলেহেঁতেন। যিকোনো অনুষ্ঠানৰ মুৰব্বীজনৰ মন যদি সাগৰৰ দৰে বিশাল হয়, ক্ষমা, বিনয়ভাৱৰ গৰাকী হয় তেনেহ'লে সেই অনুষ্ঠানৰ অধোন্নতি কেতিয়াও নহয়। এই আটাইবোৰ গুণৰ অধিকাৰী আছিল গিৰিধৰ শৰ্মা চাৰ। সময় কাৰো বাবে ৰৈ নাথাকে। আৰ্য্য বিদ্যাপীঠৰো ৬০ বছৰ হৈ গ'ল। ৬০ বছৰত এজন মানুহ অৱসৰ লৈ জীৱনৰ পুৰ্ণাঙ্গতা অনুভৱ কৰে। জীৱনত পোৱা নোপোৱাৰ বিশ্লেষণ কৰে। কিন্তু গিৰিধৰ শৰ্মাৰ সপোনৰ আৰ্য্য বিদ্যাপীঠে পোৱা-নোপোৱাৰ বিশ্লেষণ নিজে কৰিব নোৱাৰে। মাত্ৰ ইয়াৰ লগত জড়িত ব্যক্তিসকলে অনুভৱ কৰিব পাৰে এই ৬০ বছৰে আৰ্য্য বিদ্যাপীঠে কাক কি দিলে আৰু কোনে কি পালে। মই কিন্তু অনুভৱ কৰো যে ইয়াৰ লগত জড়িত ব্যক্তি ছাত্ৰ-ছাত্ৰীয়ে হওঁক বা শিক্ষক-শিক্ষয়িত্ৰী বা কৰ্মচাৰীয়ে হওঁক তেখেতসকলৰ স্বকীয় বৈশিষ্টও কিন্তু আৰ্য্য বিদ্যাপীঠৰে দান।

যি নহওঁক ১৯৭৪ চনত মই আৰ্যবিদ্যাপীঠ মহাবিদ্যালয়ত প্ৰাক বিশ্ববিদ্যালয় (P.U.) শ্ৰেণীত নামভৰ্তি কৰি ১৯৭৮ চনত এই মহাবিদ্যালয়ৰ পৰা পৰিসংখ্যা বিজ্ঞানত সন্মান সহ স্নাতক ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হওঁ। ১৯৮২ চনত এই মহাবিদ্যালয়ত পৰিসংখ্যা বিজ্ঞান বিভাগত প্ৰবক্তা হিচাপে যোগদান কৰো। আমি কলেজত পঢ়ি থাকোতে ছাত্ৰী নিবাস থকা ঠাইখিনি বাৰিষা কালত পানীৰে ওপচি থাকে। তাত মানুহে নাওৰে মাছ মাৰে। খৰালি স্থানীয় যুৱকসকলে ক্ৰিকেট, ফুটবল আদি খেলে। তাৰ পিছত এদিন দেখিলো এই ঠাইখিনিতে ছাত্ৰীনিবাস নিৰ্মাণৰ কাম আৰম্ভ হ'ল। নিৰ্মাণ কাৰ্য শেষ হোৱাৰ পিছতো বহুদিন ছাত্ৰীনিবাসটো ছাত্ৰীৰ কাৰণে মুকলি কৰা নাছিল। কিছুমান

কাৰিকৰী বিসঙ্গতিৰ কাৰণে মুকলি হোৱা নাছিল বুলি কোৱা শুনিছিলো। শেষত ১৯৮৪ চনত ডিচেম্বৰ মাহত তেতিয়াৰ অধ্যক্ষ ঁঅমৃক সিং মহোদয়ে ছাত্ৰীনিবাসৰ দ্বাৰ মুকলি কৰে। সেই সময়ত নৃতত্ব বিজ্ঞানৰ শ্ৰীঅঞ্জলী ভট্টাচাৰ্য বাইদেৱে ছাত্ৰীনিবাসৰ অধীক্ষিকাৰ দায়িত্ব গ্ৰহণ কৰে। মোৰ তেতিয়া ছাত্ৰীনিবাসৰ সন্মুখৰ ৰাস্তাটোত বাসস্থান আছিল। বাইদেউৰ কাৰ্যকালত মই আৰু গণিত বিভাগৰ শ্ৰীপুলিন লহকৰ ছাত্ৰীনিবাসৰ লগত ওতঃপ্ৰোতঃভাৱে জড়িত আছিলো। ১৯৮৬ চন মানত ছাত্ৰীনিবাসত এটি পুথিভঁৰাল মোৰ ভাতৃৰ সোঁৱৰণত আৰম্ভ কৰিছিলো। আৰম্ভণীতে প্ৰায় ৫০ খন মান কিতাপেৰে আৰম্ভ কৰা পুথিভঁৰালটো অঞ্জলী বাইদেউৰ কাৰ্যকাললৈ খবৰ কৰিছিলো আৰু শেষত কিতাপৰ সংখ্যা কিছু বৃদ্ধি কৰা হৈছিল। ছাত্ৰীনিবাসৰ পুথিভঁৰালটো এতিয়াও আছে কিন্তু আৰম্ভ যে মই কৰিছিলো সেইটো এতিয়াৰ আবাসীসকলে হয়তো নাজানে। সেই একে বছৰতে ছাত্ৰাবাসতো আমাৰ মহাবিদ্যালয়ৰে সেইসময়ৰ প্ৰবক্তা ড° লবানন্দ চৌধুৰীয়ে (এতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰিসংখ্যা বিভাগৰ অৱসৰী অধ্যাপক) তেখেতৰ দেউতাকৰ সোঁৱৰণত আৰম্ভ কৰিছিল। এইটোও বোধহয় এতিয়াৰ আবাসীসকলে নাজানে। মাজতে কেইবাবছৰো মই ছাত্ৰীনিবাসৰ লগত প্ৰত্যক্ষভাৱে জড়িত নাছিলো।

২০০৩ চনৰ জুন মাহত মই ছাত্ৰাবাসৰ অধীক্ষক হিচাবে ড° সত্যেন্দ্ৰ নাথ বৰ্মনৰ পৰা (এতিয়া বি. বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ) কাৰ্যভাৰ গ্ৰহণ কৰো। ছাত্ৰ অৱস্থাত যদিও মই ছাত্ৰাবাসত নাছিলো, ছাত্ৰাবাসৰ লগত কিন্তু মোৰ সম্বন্ধ গাঢ় আছিল। ১৯৮২ চনত শিক্ষক হিচাপে যোগদান কৰাৰ পিছত ড° শিৱ নাথ বৰ্মন ছাৰ যেতিয়া ছাত্ৰাবাসৰ অধীক্ষক আছিল, তেতিয়া ছাত্ৰাবাসত অনুষ্ঠিত হোৱা দেৱানন্দ শইকীয়া সোঁৱৰণী বক্তৃতা অনুষ্ঠান, বনভোজ আদিকে ধৰি ছাত্ৰাবাসৰ আভ্যন্তৰীণ প্ৰায় বোৰ অনুষ্ঠানত মই আৰু পুলিন লহকৰে সক্ৰিয়ভাৱে সহযোগ কৰিছিলো। মই ২০০৯ চনলৈ ছাত্ৰাবাসৰ অধীক্ষকৰ দায়িত্বত আছিলো। এই সময়ছোৱাত ছাত্ৰীনিবাসৰ অধীক্ষিকা আছিল ড° বৰ্ণালী শৰ্মা আৰু ড° শিপ্ৰা পাইক। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থাকি এটা বেলেগ

আনন্দ পোৱা যায় যদিহে ছাত্ৰ-ছাত্ৰীসকলে এটা সুশৃংখল আৰু পৰিপাটি জীৱন অতিবাহিত কৰিবলৈ চেষ্টা কৰে। কিন্তু ছাত্ৰাবাস বা ছাত্ৰীনিবাসসমূহত আবাসীসকলৰ মাজত এনেকুৱা কিছুমান সমস্যাৰ সৃষ্টি হয় যিবোৰ খুউব সুক্ষ্মভাৱে পৰ্যবেক্ষণ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ অনুভূতিত আঘাত নোহোৱাকৈ সমাধান কৰিব লগা হয়। মহাবিদ্যালয়ৰ নিৰ্বাচনৰ সময়ত ছাত্ৰাবাস-ছাত্ৰীনিবাসৰ ছাত্ৰ-ছাত্ৰীসকলে সক্ৰিয় সহযোগ কৰা বাবে বাহিৰৰ অশুভ শক্তিয়ে প্ৰভাৱ বিস্তাৰ কৰাৰ বাবে চেষ্টা চলায়। তেতিয়া সমস্যাৰ সৃষ্টি হয়। মোৰ ৬ বছৰীয়া কাৰ্যকালত মাত্ৰ প্ৰথম বছৰহে নিৰ্বাচন অনুষ্ঠিত হৈছিল। বনভোজৰ সময়ত এবাৰ ছাত্ৰাবাসৰ লগত আৰু এবাৰ ছাত্ৰীনিবাসৰ লগত বনভোজলৈ যাব লাগে। প্ৰথম দুবছৰ গৈছিলো যদিও পিছত বনভোজ স্থলীবোৰৰ সামাজিক পৰিৱেশ বিনষ্ট হোৱাৰ প্ৰতি লক্ষ্য কৰি বনভোজলৈ যোৱাতো বাদ দিলো। ড° বৰ্ণালী শৰ্মাৰ লগত আলোচনা কৰি ডিচেম্বৰৰ শেষৰ ফালে ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ মাজত নানা ধৰণৰ খেল-ধেমালি, কুইজ, গল্প, কবিতা আদিৰ প্ৰতিযোগিতা ছাত্ৰাবাসৰ চৌহদত অনুষ্ঠিত কৰিছিলো। এই প্ৰতিযোগিতাই দুয়োটা আবাসৰ মাজত এটা সু-সম্পৰ্ক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মানসিক উৎকৰ্ষ সাধন হোৱা বুলি অনুভৱ কৰিছিলো। ড° বৰ্ণালী শৰ্মা গুৱাহাটী বিশ্ববিদ্যালয়ত যোগ কৰাৰ পিছত মই ছাত্ৰী নিবাসৰ অধীক্ষকৰ দায়িত্বত কিছুদিন আছিলো। তাৰ পিছত ড° শিপ্ৰা পাইক অধীক্ষিকাৰ দায়িত্ব লোৱাৰ পিছতো আমি দুয়োটা আবাসৰ উন্নয়নমূলক কাম-কাজবোৰে একেলগে আলোচনা কৰি সমাধান কৰিবলৈ চেষ্টা কৰিছিলো।

আবাসৰ আবাসীসকল যদি মানসিকভাৱে সফল হয়, নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰে, তেনেহ'লে অধীক্ষক বা অধীক্ষিকাৰ আবাস এটা পৰিচালনা কৰাত কোনো অসুবিধা নহয়। সেয়েহে ছাত্ৰ-ছাত্ৰীসকলে আন্তৰিকতাৰে অধীক্ষক বা অধীক্ষিকাৰ লগত সহযোগ কৰাটো বাঞ্চনীয়।

ড° পাইকও তেখেতৰ পাঁচবছৰীয়া কাৰ্যকালত ছাত্ৰীনিবাসত এটি সুস্থ বাতাবৰণ সৃষ্টি কৰি ছাত্ৰীনিবাসত উদ্ভৱ হোৱা সমস্যাবোৰ মহাবিদ্যালয়

কৰ্তৃপক্ষৰ সহযোগত সমাধান কৰিবলৈ চেষ্টা কৰি তেখেতে সফলতাৰে তেখেতৰ কাৰ্যকাল সামৰিছিল।

জয়তু আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়।

(লেখক ঃ ড° গিৰীশ চন্দ্ৰ শৰ্মা, অৱসৰী সহযোগী অধ্যাপক, পৰিসংখ্যা বিজ্ঞান, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় আৰু ছাত্ৰাবাসৰ প্ৰাক্তন অধীক্ষক)

□□□

# আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ছাত্ৰীনিবাস



**অঞ্জলী ভট্টাচাৰ্য্য**

নতুন অনুষ্ঠান এটা গঢ় দিয়াৰ প্ৰাৰম্ভিক পৰ্যায়টো এটা কষ্টকৰ কাম। এনে এক কষ্টকৰ পৰিবেশৰ মাজতো আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ প্ৰথম ছাত্ৰীনিবাসৰ কাৰ্য্যনিৰ্বাহৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষই মোক অধীক্ষিকাৰ দায়িত্ব অৰ্পণ কৰিছিল। তদানুসাৰে ইং ২৯/১০/১৯৮৪ তাৰিখে মই কাৰ্য্যভাৰ গ্ৰহণ কৰিছিলো। প্ৰথম অৱস্থাত ছাত্ৰীনিবাসত বিজুলী সংযোগকে ধৰি আন কিছুমান প্ৰয়োজনীয় ব্যৱস্থা হোৱাই নাছিল। সেইবাবে প্ৰথমতে মই নিজে ছাত্ৰীনিবাসত সোমাই লৈ কিছুমান অতি প্ৰয়োজনীয় ব্যৱস্থা ক্ষিপ্ৰতাৰে কৰি লৈ তুলুমনি দেৱী, শিবানী নাহা আদিকে ধৰি মাত্ৰ ৪ জনী ছোৱালীক লৈ ছাত্ৰীনিবাস শুভাৰম্ভ কৰিছিলো তেতিয়া আমি লেম, চাকি, মম আদি জ্বলাই ৰাতিৰ কামবোৰ কৰিছিলো। ছাত্ৰী ভৰ্তি হৈছিল সৰ্বমুঠ ১৭ জনী। তদানীন্তন অধ্যক্ষ প্ৰয়াত অমৃক সিং মহাশয়ক আমি অনুৰোধ জনাইছিলো যাতে অতি সোনকালে ছাত্ৰীনিবাসত বিজুলী সংযোগৰ ব্যৱস্থা কৰি দিয়ে। বিজুলী সংযোগৰ ব্যৱস্থা কৰি দিয়াৰ পিছতহে বাকীখিনি ছাত্ৰীক ছাত্ৰীনিবাসত সোমাবলৈ অনুমতি দিছিলো। গতিকে এই ছাত্ৰীনিবাসৰ শুভ উদ্বোধনীৰ কাম কিছু পিছুৱাবলগীয়া হৈছিল। ১৯৮৪ চনৰ ১০ ডিচেম্বৰ তাৰিখে প্ৰাক্তন অধ্যক্ষ

শ্ৰীযুত অমৃক সিঙৰ দ্বাৰা ছাত্ৰীনিবাস আনুষ্ঠানিকভাবে উদ্বোধন কৰা হৈছিল। এনেকৈ ১৭ জনী আৱাসী আৰু ৭ জন কৰ্মচাৰীক লৈ এটা নতুন অভিজ্ঞতাপূৰ্ণ দায়িত্ব আনন্দেৰে গ্ৰহণ কৰিছিলো। হোষ্টেলৰ প্ৰতিষ্ঠাপক অধীক্ষিকা হিচাপে দূৰ-দূৰণিৰ পৰা অহা ছাত্ৰীসকলৰ মাতৃস্বৰূপে কৰ্তব্য পালন কৰিবলৈ সুবিধা পাই মই পৰম তৃপ্তি লাভ কৰিছিলো।

ছাত্ৰীনিবাসত মই থকা সময়তে আৱাসীৰ সংখ্যা প্ৰায় ৫৪ জনী হৈছিলগৈ। এই ছাত্ৰীনিবাসত থাকিবলৈ আমাৰ মহাবিদ্যালয়ত বহুতো ছাত্ৰীয়ে আবেদন কৰিছিল। গতিকে আৰ, চি. চি. ঘৰটোৰ ওপৰত অসম আৰ্হিৰ ঘৰটোও মোৰ দিনতেই বনোৱা হৈছিল। প্ৰথম অৱস্থাত ছাত্ৰীনিবাসত প্ৰৱেশ কৰাৰ বাবে মূল ৰাস্তাটোৰ পৰা এখন বাঁহৰ সাঁকো দিয়া হৈছিল যদিও মই দায়িত্বভাৰ এৰাৰ আগে আগে মোৰ অনুৰোধত মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই কাঠৰ দলং এখন বনাই দিছিল। ছাত্ৰীনিবাসৰ বাবে প্ৰস্তুত কৰি দিয়া নিয়মাৱলীখন সৰহসংখ্যক আৱাসীয়ে মানি চলিছিল বাবে মই অসুবিধাৰ সন্মুখীন হোৱা নাছিলো। মোৰ কৰ্তব্যখিনি পালন কৰি যোৱাত আৱাসীসকলৰ লগতে কৰ্মচাৰীসকলৰ পৰাও যথেষ্ট সঁহাৰি পাইছিলো। সেয়া আছিল মোৰ জীৱনৰ এক বিৰল অভিজ্ঞতাপূৰ্ণ আৰু মাতৃহৃদয়ৰ এক অনাবিল আনন্দৰ কাল। অধীক্ষিকাস্বৰূপে দ্বিতীয় কাৰ্য্যকালৰ বাবেও মহাবিদ্যালয়ৰ অধ্যক্ষই যথেষ্ট জোৰ কৰিছিল যদিও বিশেষভাৱে এৰাব নোৱাৰা ব্যক্তিগত কাৰণত দ্বিতীয়কালৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিব নোৱাৰিলো। সেয়েহে ১৫/১০/৮৭ তাৰিখে ভূগোল বিজ্ঞান বিভাগৰ প্ৰয়াত ভানু চৌধুৰীক অধীক্ষিকাৰ ওচৰত দায়িত্ব হস্তান্তৰ কৰিছিলো।

বৰ্তমান ছাত্ৰীনিবাসৰ অধীক্ষিকা ড° শিপ্ৰা পাইকে ছাত্ৰীনিবাসৰ বিষয়ে দুকলম লিখিবলৈ দিয়াৰ বাবে তেওঁক ধন্যবাদ জনাইছো। ৰূপালী জয়ন্তী উপলক্ষ্যে অধীক্ষিকা, আৱাসীসকল আৰু কৰ্মচাৰীসকললৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো।

(লেখিকা ঃ শ্ৰীঅঞ্জলী ভট্টাচাৰ্য্য, অৱসৰী সহযোগী অধ্যাপিকা, নৃতত্ত্ব বিভাগ, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় আৰু ছাত্ৰীনিবাসৰ প্ৰথম প্ৰাক্তন অধীক্ষিকা)

□□□

# স্মৃতিৰ সুবাস



ড° সুচিত্ৰা পাঠক

সকলো মানুহৰ জীৱনলৈ এবাৰ হ'লেও সোণালী সুযোগ আহে। মোৰ জীৱনলৈও আহিছিল আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ছাত্ৰীনিবাসৰ অধীক্ষিকাৰূপে। মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ উদ্‌যাপনৰ সময়ত মোৰ আৰ্জিত অভিজ্ঞতাবোৰ লিখিবৰ বাবে সুযোগ পাইছিলো। অসমীয়া বিভাগৰ বৰ্তমান সহযোগী অধ্যাপিকা চম্পা পাটগিৰী আৰু ড° মঞ্জু গোস্বামী বাইদেৱে মোক উৎসাহিত কৰিছিল। সেই সময়তে মোৰ সহকৰ্মী সংস্কৃত বিভাগৰ অধ্যাপিকা ড° শিপ্ৰা পাইকৰ মোৰ প্ৰতি থকা আনুগত্যৰ কথা স্বীকাৰ কৰিবই লাগিব। জ্ঞান আহৰণৰ প্ৰতি তেওঁৰ গভীৰ আগ্ৰহ। তেখেতে নিজাববীয়াকৈ ছাত্ৰীনিৱাসৰ ওপৰত এখন গ্ৰন্থ লিখি উলিওৱাৰ কথা ব্যক্ত কৰিছিল। তেওঁৰ এই মহৎ উদ্দেশ্য পুৰ্ত্তিৰ পথৰ সহভাগী হ'ব পাৰি মই ধন্য হৈছো। ১৯৯১ চনৰ ১১ ডিচেম্বৰত অধীক্ষিকাৰূপে নিযুক্ত হৈছিলো। সেই সময়ত মহাবিদ্যালয়ৰ অধ্যক্ষ আছিল প্ৰয়াত অমৃক সিঙ ছাৰ। তেওঁ ধীৰ-স্থিৰ আৰু মৰমিয়াল ব্যক্তি আছিল। পাৰিলে তেওঁ কোনো মানুহকে সহায়ৰ হাত আগবঢ়োৱাত নিৰাশ নকৰিছিল। মই শিক্ষক আৱাস গৃহৰ বাবে উনুকিয়াইছিলো। এদিন

আকস্মিকভাৱে সেই সময়ৰ ছাত্ৰীনিবাসৰ অধিক্ষীকা, ভূগোল বিভাগৰ অধ্যাপিকা প্ৰয়াত ভানু চৌধুৰীৰ মৃত্যু হৈছিল। তেওঁৰ মৃত্যুত আবাসীসকলৰ মাজত শোকৰ ছাঁ বিৰাজ কৰিছিল। সেই সময়ত ছাত্ৰ নিবাসৰ অধীক্ষক ড° ৰমানন্দ ৰাজবংশী, উপাধক্ষ্যা শীলা বাইদেউ, বুৰঞ্জী বিভাগৰ অস্বিনী পাঠক ছাৰ, পৰিসংখ্যা বিভাগৰ ড° গিৰীশ শৰ্মা আৰু অন্যান্য জ্যেষ্ঠ অধ্যাপক-অধ্যাপিকাসকলে আৱাসীসকলৰ সাহস যোগাইছিল। এদিন সিঙ ছাৰে মোক মাতি কৈছিল — “আপুনি ছাত্ৰীনিবাসটো চোৱা-চিতা কৰিব লাগিব।” সেই সংকটপূৰ্ণ অৱস্থাত দায়িত্ব ল'বলৈ ভয় খালো। কিন্তু মোৰ ঘৰৰ পৰিয়াল আৰু মহাবিদ্যালয়ৰ সকলোৰে পৰা সাহস আৰু উৎসাহ দিয়াৰ ফলত অধীক্ষিকাৰূপে নিযুক্ত হ'লো। তিনি বছৰীয়া কাৰ্যকালৰ একেলগে দুটা কাৰ্যকাল মুঠতে সাত বছৰ আছিলো। এই সাতটা বছৰ মোৰ জীৱনৰ বাবে অমূল্য সম্পদ। যিখিনি জ্ঞান আৰু অভিজ্ঞতা আহৰণ কৰিলো সেয়া এগৰাকী সাধাৰণ শিক্ষকৰ জীৱনৰ বাটত পাথেয় হৈ ৰ'ব।

৬০ জনীয়া আৱাস গৃহটোৰ সোমাই যোৱা জপনাখন গাম্ভীৰ্যপূৰ্ণ নাছিল। চাৰিওফালে তৰ্জাৰ বেৰ আছিল। কিছু উল্লাস কিছু ভয়লৈ আবাসত সোমালো। চাৰিওফালে দৃষ্টি ফুৰাই ভাবিছিলো - পাৰিম জানো সঠিকভাৱে দায়িত্ব পালন কৰিবলৈ? প্ৰথম অধীক্ষিকা বাইদেউ সন্মানীয়া অঞ্জলী ভট্টাচাৰ্য্যৰ অমূল্য দিহা-পৰামৰ্শ মই কেতিয়াও পাহৰিব নোৱাৰো। মৰমৰ ছাত্ৰীসকলৰ আদৰণি দৃষ্টি দেখি সকাহ পাইছিলো। আৱাসৰ সমূহ কৰ্মচাৰীয়ে মোক যথেষ্ট সাহস আৰু সহযোগিতা দিছিল। ক্লাছৰূমত পাঠ্যপুথি লৈ শিক্ষণ কাৰ্য চলোৱাৰ বিপৰীতে ছাত্ৰী নিৱাস পৰিচালনা কৰা কাম সম্পূৰ্ণ বিপৰীত। এক স্পৰ্শকাতৰ সম্পৰ্ক হয়। তেওঁলোকৰ আৱেগ-অনুভূতি, মান-অভিমান, খং-বেজাৰ, আনন্দ-বিষাদ জড়িত থাকে। পিতৃ সদৃশ কঠোৰতা আৰু মাতৃসুলভ কোমলতাৰে তেওঁলোকৰ কোমল মনক সঠিক মাৰ্গৰ পিনে ধাৱিত কৰিব লগা হয়। ছাত্ৰীনিবাসটো যেন এক ক্ষুদ্ৰ ধৰ্মনিৰপেক্ষ ভাৰত। প্ৰেম, ত্যাগ, সখীত্ব, সহিষ্ণুতা, শ্ৰদ্ধা, বিশ্বাস আদি মহৎ গুণসমূহ প্ৰত্যেক আৱাসীক নিজা চৰিত্ৰ নিৰ্মাণত পুষ্টি যোগায়। মই

ভাৰো নিজৰ জীৱন গঢ়াৰ পথত স্বগৃহ আৰু পিতৃ-মাতৃৰ পৰা দূৰত থাকি ভাল-বেয়া পৰিস্থিতিৰ সন্মুখীন হৈ মানুহ হোৱাটো অতিকে মূল্যৱান। সেয়ে হয়তো প্ৰাচীনকালত ঋষিৰ আশ্ৰম গুৰুকূলত থাকি শিক্ষা লাভ কৰাৰ প্ৰথা আছিল।

প্ৰথম অৱস্থাত এই ছাত্ৰীসকলৰ অভিভাৱক আৰু কৰ্মচাৰীসকলৰ পৰা কিছুমান অভিযোগ শুনিব লগা হৈছিল । যেনে - প্ৰৱেশ পথৰ লোহাৰ গেট, চাৰিওফালৰ পকী দেৱাল, ৰান্ধনী ঘৰ, কৰ্মচাৰীসকলৰ থকা ঘৰ, দৰমহা, ছাদঁৰ ওপৰৰ ১১ টা চিটৰ চালিখন, অহা-যোৱাৰ সময়ৰ তালিকা আদি। কিছুমান অভিযোগ পুৰণ কৰিব পৰা গৈছিল যদিওবা কিছুমান সমাধান সীমাৰ বাহিৰত আছিল। অকল আবাসীসকলৰ মাচুলেৰে নহৈছিল। গতিকে আপত্তিবোৰ অযুক্তিকৰ নাছিল। আবাসৰ সন্মুখৰ কাঠৰ দলংখন মাজে মাজে পচি ভাঙি আহুকালৰ সৃষ্টি কৰিছিল। বৰষুণৰ দিনত পানীৰে উপচি পৰিছিল। আবাসীসকলে কান্ধ আৰু পিঠিত কিতাপ-পেন-পেঞ্চিলৰ বেগ, সোঁহাতত জোতা বা চেণ্ডেল আৰু বাওঁহাতেৰে কাপোৰ কোঁচাই বোকাপানী খচি ক্লাছলৈ যাব লগা হৈছিল। দুই এগৰাকী ছাত্ৰী যি পিতৃ-মাতৃ বুকুৰ উমৰ পৰা আহি এনে কষ্টৰ সন্মুখীন হওঁতে এইদৰে প্ৰবোধ দিছিলো যে— ‘এয়া নগৰীয়া জীৱনৰ অবিচ্ছেদ্য অংগ সহন কৰিব লাগিব। জ্ঞান আহৰণ কৰি জীৱনত কিবা এটা বিশেষ কৰিম বুলিয়ে আহিছা।’ সৰহ ভাগ আবাসীয়ে কৰ্মচাৰী আৰু মোৰ স’তে যথেষ্ট সহযোগ কৰিছিল। তেওঁলোকৰ কথা কেতিয়াও পাহৰিব নোৱাৰো। গধূলি চাকি জ্বলাই নিত্য প্ৰাৰ্থনা কৰা, উপস্থিতিৰ হিচাপ লোৱা, মাহৰ মেচ মেনেজাৰ আৰু সদস্যসকলৰ লগত কৰা আলোচনা আদি। মেচৰ মিটিঙত আবাসীসকলে কৰা আপত্তিৰ চৰ্চা হয়। যেনে - কালীচৰণকা, অৰুণকা আদি সকলো কৰ্মচাৰীয়ে দিনৰ ১০.৩০ -১১.০০ বজাৰ ভিতৰত আৰু সন্ধিয়া ৬.৩০ আৰু ৭.৩০ ৰ ভিতৰত স্পেছাল চাহ আৰু মাছ-মাংস বনাই খায় । সেয়ে গাখীৰ পাউদাৰৰ টেমা আৰু অন্যান্য বস্তু বেছিকৈ কিনিব লগা হয়। আবাসীসকলে আপত্তি দৰ্শালেও পিছত উপলব্ধি কৰে যে তেওঁলোকে আবাসী পৰিয়ালৰে জ্যেষ্ঠ সদস্য। সিহঁতক চোৰা-চিতাৰ বাবেই ২৪ ঘণ্টাই ডিউটী কৰে। এই

উপলব্ধি অতি মূল্যৱান।

মোৰ কাৰ্যকালৰ ভিতৰত আটাইতকৈ ডাঙৰ দুৰ্ঘটনাটো হৈছিল ছাদঁৰ/ছাঁতৰ ওপৰত থকা হ'লঘৰটোক লৈ। প্ৰথম মহলাৰ ওপৰত টিনৰ চালি। প্ৰথমে তাত ১০ খন চিট আছিল। পিছলৈ দুৰণিৰ ছাত্ৰীৰ অভিভাৱকৰ হেঁচাত আৰু এখন আসন কলেজ কৰ্তৃপক্ষৰ অনুমতি ক্ৰমে বঢ়োৱা হৈছিল। সেই তাৰিখটো আজি মোৰ ঠিক মনত নাই মাজৰাতি প্ৰচণ্ড ধুমুহা বৰষুণৰ ফলত হলঘৰটোৰ টিনখিনি তিনিখন বিজুলী পাংখাৰ সৈতে দূৰলৈ ওফৰি পৰিছিল। তাত উচ্চতৰ মাধ্যমিক আৰু স্নাতক শ্ৰেণীৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰীসকলক ৰখা হৈছিল। নতুনকৈ অহা ছাত্ৰীসকলৰ অন্তৰ কঁপি উঠিছিল। ভয়তে দৌৰি আহিছিল মোৰ ওচৰলৈ। ওপৰলৈ দৌৰি গৈ দেখিলো সিহঁতৰ বিচনা-পত্ৰ, কাপোৰ-কানি, কিতাপ-পত্ৰ আদি সমস্ত বস্তু বৰষুণৰ পানীত তিতি গৈছিল। ওপৰত কলা-ডাৱৰে আৱৰা উন্মুক্ত আকাশ। শঙ্কাত মোৰ অন্তৰ কঁপি উঠিল সেই দুভাগ ৰাতি কি কৰো? সেই দুৰ্যোগৰ ৰাতি আৰ্ত ছাত্ৰীসকলক যাক য'তে পাৰো তলৰ আৰু প্ৰথম মহলাৰ ছাত্ৰীসকলৰ লগত থাকিবলৈ দিয়া হৈছিল। উক্ত বিষম পৰিস্থিতিত ন ন কমবয়সীয়া ছোৱালী কেইজনীৰ ধৈৰ্য, সাহস আৰু মোৰ স'তে সহযোগ প্ৰশংসনীয় আছিল। সিহঁতৰ সাহস দেখি মই অভিভূত হৈছিলো। ভাৱো যে আবাসী জীৱনত সকলো ধৰণৰ বিষম পৰিস্থিতিৰ সন্মুখীন আৰু সমাধানৰ ক্ষমতা আৱাসত থাকিলে অৰ্জন কৰা যায় আৰু ই চৰিত্ৰত সবলতা আনে। পিছদিনাখন সিং ছাৰে থাকিব পৰা ব্যৱস্থা কৰি দিছিল।

আবাসীসকলে প্ৰতিবছৰে নৱাগত আদৰণি আৰু বিদায় সভা সমূহ নিয়াৰিকৈ পাতিছিল। এনে ধৰণৰ সভা-সমিতি, বনভোজ আদিৰ আয়োজন কৰিলে মতানৈক্য নোহোৱা নহয় কিন্তু বেলেগে ধৰিব নোৱাৰাকৈ সুকলমে সম্পন্ন হৈ যায়। তেওঁলোকৰ ধৈৰ্য আৰু সৃষ্টিশীলতাৰ পৰিচয় প্ৰকাশিত হয় সুন্দৰ সুন্দৰ হাতৰ আখৰেৰে লিখা আলোচনীখনত। পঢ়া-শুনা বাদেও ছবি অঁকা, গানগোৱা নৃত্যকৰা আদি প্ৰতিভাবোৰ দেখি অভিভূত হৈছিলো। সৰস্বতী পূজাৰ নিমন্ত্ৰিত চিঠিখনে এক বিশেষ মৰ্য্যদা সম্পন্নভাৱ, ৰুচি আৰু

কলাৰ সংকেত দিয়ে। এনে লাগে সঁচাকৈয়ে মা সৰস্বতী তেওঁলোকৰ কণ্ঠত, হৃদয়ত, হাতত নৈপুণ্যতাৰে জ্ঞানময়ী কৰি তুলিছে। আবাসত সৰু হ'লেও গ্ৰন্থাগাৰ আছে। আবাসৰ ছাত্ৰীসকলৰ বেছিভাগেই নম্ৰ, উৎসাহী, অধ্যয়নৰ প্ৰতি আগ্ৰহী। উচ্চতৰ মাধ্যমিক, স্নাতক আৰু অংকৰ স্নাতকোত্তৰ ছাত্ৰীসকলে ভাল ভাল নম্বৰৰ প্ৰমাণ পত্ৰ লৈ বাস্তৱ জীৱনৰ সোণালী সোপান গঢ়িব পাৰিছিল। কোনোবাই অসমত উচ্চ মৰ্যাদা সম্পন্ন পদবীত, কোনোবাই বিদেশৰ অন্যান্য ঠাইত কৰ্ম জীৱন আৰম্ভ কৰি আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ মান বঢ়াইছে। তেনে এগৰাকী ছাত্ৰীৰ কথা মই গৰ্বেৰে সোঁৱৰিব পাৰো কাৰণ বৰ্তমান তেওঁ মোৰ সহকৰ্মী। ড° নিভাৰাণী দেৱী মোৰ কাৰ্যকালত স্নাতক ভূতত্ত্ব বিভাগত মেজৰ লৈ পঢ়িছিল। এতিয়া উক্ত বিভাগৰে অধ্যাপিকা। নিভাই শিক্ষকৰ মৰ্য্যদা দিবলৈ ভাল পায়। প্ৰয়াত কালীপ্ৰসাদ শৰ্মা, প্ৰথমে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় আৰু পিচলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূতত্ত্ব বিভাগৰ মূৰব্বী অধ্যাপকৰূপে অৱসৰ লয়। নিভাৰ লগত তেওঁৰ সম্পৰ্ক গুৰু-শিষ্যৰ শ্ৰদ্ধাৰ ও মৰমৰ। কেৱল নিভাই নহয় প্ৰত্যেক ছাত্ৰ-ছাত্ৰী পঢ়াৰ প্ৰতি আৰু কামৰ প্ৰতি আগ্ৰহ শ্ৰদ্ধা সহকাৰে ওপজাব পৰা তেওঁৰ ব্যক্তিত্বৰ বিশেষ বৈশিষ্ট্য আছিল। পাঞ্চালিকা, মমতা, মিনাক্ষী, ৰুনু, জাগ্ৰিটী আৰু কিছুমানৰ নাম মোৰ যোগাযোগ নথকা বাবে মনত নাই কিন্তু তেওঁলোকে জাগীৰোড, সোণাপুৰ, জাতিত্ব বহুতাত্বিক কোম্পানী, বেংক আদিত সফলতাৰে জীৱন-জীৱিকা অতি সুন্দৰভাৱে চলাই আছে। অতি কম সংখ্যক ছাত্ৰী যিসকলে মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিকৰ পৰীক্ষা ৯০-৯৫ শতাংশ নম্বৰ অৰ্জন কৰি দুৰ-দুৰণিৰ পৰা মহাবিদ্যালয়ত দাখিল হয়, কিন্তু গুৱাহাটী মেট্ৰ' চহৰৰ গৰম মাদকীয় বতাহৰ কোবত বুদ্ধি আৰু বিৱেকৰ সোনালী ডেউকা সৰি পৰে। ৰিক্ত হাতে ঘৰৰ ছোৱালী ঘৰলৈ ওভতি যায়। আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ আবাসী সকলৰ মাজত এটা বিশেষ মন কৰিবলগীয়া দিশ এইটো আছিল যে জ্যেষ্ঠ সকলে কণিষ্ঠ সকলৰ পৰা সন্মানসহ ব্যৱহাৰ কৰাটো বিচাৰিছিল। নৱাগত সকলে কাকো পৰোৱাই নকৰা ভাৱ দূৰ কৰিবলৈ ক্লাছলৈ গ'লে নৱাগত আদৰণি সভা উদ্‌যাপন নকৰা পৰ্যন্ত কপালত ডাঙৰকৈ সেন্দুৰৰ ফোট লৈ যাব লাগিছিল।

কিছুমানে ইয়াক ৰেগিং আখ্যা দিছিল আকৌ কিছুমানে ডাঙৰৰ লগত মিলি নিজক খাপ খুৱাই লৈছিল। নৱাগত ছাত্ৰীৰ অসুখ হ'লে ডাক্তৰ দেখুৱা, অভিভাৱকক খবৰ দিয়া, ঔষধ খুওৱা আদি সমস্ত কাম পুৰণি ছাত্ৰীসকলে কৰিছিল, গোটেই ৰাতি উজাগৰে থাকি পৰিচৰ্যা কৰিছিল। অথচ পৰস্পৰৰ মাজত মতানৈক্য নোহোৱাও নহয়। কেতিয়াবা ঘৰৰ পৰা পঠোৱা পইচা হেৰুৱা, সাজি থোৱা মাংস-মাছৰ বাটি নোহোৱা হোৱা নাইবা অপৰিস্কাৰ পৰিচ্ছন্নতাৰ বাবেও সভাৰ আয়োজন কৰিব লগা হৈছিল। মুঠৰ ওপৰত মই ছাত্ৰীসকলৰ পৰা একো অসুবিধা পোৱা নাছিলো বৰং জীৱনৰ বাবে অতি প্ৰয়োজনীয় সুক্ষ্ম শিক্ষা লাভ কৰিছিলো। শিক্ষক আৰু বিদ্যাৰ্থীৰ মাজত মধুৰতা আৰু বুজাবুজি সম্পৰ্কটো থাকিলে দুয়োফালে শ্ৰদ্ধা আৰু সম্পৰ্ক আৰু সদ্ভাৱ বজাই ৰাখিব পৰা যায়।

ছাত্ৰীনিবাসৰ কৰ্মৰত কৰ্মচাৰী সকলৰ পৰাও মই যথেষ্ট সহায়-সহযোগিতা পাইছিলো। তেওঁলোক নিৱাসৰ জন্মক্ষণৰ পৰাই কৰ্মৰত অভিজ্ঞতা পুষ্ট আছিল। অসমৰ বিভিন্ন ঠাইৰ পৰা অহা ছাত্ৰীসকলক সুৰক্ষা, বেমাৰ-আজাৰ, বজাৰ-সমাৰ আদি যাৱতীয় কাম কৰিছিল। কোনোবা ছাত্ৰী ভূল দিশলৈ গ'লে মৰম কৰি বুজাইছিল। ৰাতি-বেলিও তেওঁলোকে ব্যস্ত থাকিব লগা হয়। কালীচৰণকাক আবাসীসকলে 'ছেটেলাইট' নামাকৰণ কৰিছিল। কোনেও তেওঁৰ চকুৰ পৰা সাৰি যাব নোৱাৰে। ময়ো মাজে সময়ে বজাৰ কৰা, ল'ৰা দুটাক স্কুলৰ পৰা অনা-নিয়া কৰাৰ সুবিধা গ্ৰহণ কৰিছিলো। আজিও সিঁহতৰ বাবে তেওঁলোক 'মামা', গৌৰীমামা, বসন্ত মামা, ফুকন মামা। চৰকাৰী বেতন তেওঁলোকে নাপায়। অতি কম দৰমহাৰে তেওঁলোকে জীৱন নিৰ্বাহ কৰা মই নিচেই ওচৰৰ পৰা দেখিছো। কালীচৰণ তালুকদাৰ, অৰুণ দাস, বসন্ত শৰ্মা, গৌৰী বাই, ফুকনৰ মাজত কেতিয়াবা মতবিৰোধ, ছুটি লোৱালৈ টুকুৰা-টুকুৰ কাজিয়া আৰু খেলি-মেলি থাকিলেও দায়িত্ববোধৰে কামবোৰ নিয়াৰিকৈ কৰিছিল। কালীচৰণকা, অৰুনকা, বাই আজি আমাৰ মাজত নাই। তেওঁলোকৰ আত্মাই শান্তি আৰু সদ্‌গতি পাওঁক।

সেই সাতটা বছৰ মোৰ বাবে ছাত্ৰীনিবাসটো আছিল ব্যৱহাৰিক কৰ্ম বিদ্যালয়। মিঠা-তিতা দুয়োটা অভিজ্ঞতাই হৈছিল। তিতা অভিজ্ঞতাখিনিৰ প্ৰতি মই অধিক ঋণী, কিয়নো ইয়ো মোৰ জ্ঞান দৃষ্টি মুকলি কৰি দি মোক অধিক সহনশীল আৰু শক্তিশালী কৰি তুলিছিল। প্ৰতিটো দিন ন ন অভিজ্ঞতাৰে পুষ্ট হৈছিলো। আৰ্জিত অনুভূতিৰে, ভাৱ আৰু শব্দৰে এখন সম্পূৰ্ণ ইতিবাচক ঔপন্যাস ৰচনা কৰিব পাৰি। অধ্যক্ষ ড° গিৰিশ শৰ্মা ছাৰৰ কাৰ্যকালৰ ৩১-১২-১৯৯৮ চনত অধিক্ষীকা পদৰ পৰা অব্যাহতি পাইছিলো। চকুৰ পানীৰে বিদায় লৈছিলো। কেনেকৈনো ছাত্ৰীনিবাসটো অতিকে আপোন হৈ পৰিছিলে। সেই আপোনত্বৰ উত্তাপ যেন আজিও সজীৱ হৈ ৰৈছে। তেওঁলোকে দিয়া শিক্ষক দিৱসৰ শুভেচ্ছা কাৰ্ডবোৰ এতিয়াও মোৰ আলমাৰীৰ দেৰাজত সযতনে ৰাখি থৈছো। আমেৰিকাৰ ব্যৱসায়ী এগৰাকী হ'ল বাৰেন ৰাফেট। তেওঁ কৈছিল — "আজি কোনোবাই গছৰ ছাঁত জিৰাবলৈ সুযোগ পাইছে কাৰণ তাত কোনোবাই বহু আগতেই সেই গছজোপা ৰুই থৈছিল।" ঠিক এনে এগৰাকী বৰেণ্য ব্যক্তি হ'ল আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ গিৰিধৰ শৰ্মা ছাৰ। তেওঁ ভৱিষ্যদ্ৰষ্টা আছিল সেয়ে শিক্ষাৰ এনে এক বৃক্ষৰোপণ কৰি থৈ গ'ল। বৰ্তমান ই এক বিশাল বৃক্ষ। সকলোকে শিক্ষাৰ শীতল ছাঁৰে শীতল কৰি জ্ঞানৰ জ্যোতিৰে জ্যোতিৰ্ময় কৰি তুলিছে। শ্ৰুতিকটু সৰাৰ ভাট্টিক জ্ঞান ভাট্টি ৰূপে গঢ়া সেই অসাধাৰণ ব্যক্তিক নমণৰে স্মৃতিৰ সুবাস সামৰিছো।

(লেখিকা ঃ ড° সুচিত্ৰা পাঠক, অৱসৰী সহযোগী অধ্যাপিকা, হিন্দী বিভাগ, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় আৰু ছাত্ৰীনিবাসৰ প্ৰাক্তন অধীক্ষিকা।)

□□□

# অধীক্ষিকা হিচাপে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ছোৱালী হোষ্টেলৰ অভিজ্ঞতা



**ড° নীলিমা দেৱী**

১৯৯২ চনৰ ছেপ্তেম্বৰ মাহৰ আগৰ কথা। মোৰ স্বামী কটন কলেজৰ শ্বহীদ ৰঞ্জিত বৰপূজাৰী হোষ্টেলৰ অধীক্ষক হিচাপে নিযুক্তি পাইছে। আমি ছেপ্তেম্বৰ মাহত হোষ্টেলত থকাকৈ যাম। যোৱাৰ প্ৰস্তুতি চলিছে সেই সময়তে আমাৰ আৰ্য্যবিদ্যাপীঠ ছোৱালী হোষ্টেলৰ অধীক্ষিকা ঁভানু দেৱীৰ হঠাৎ মৃত্যু হয়। মৃত্যু ৰহস্যজনক আছিল। যিয়েই নহওক কিবা কামত কলেজ অফিচৰ চুপাৰভাইজৰ এচিষ্টেণ্ট দিনেশ মজুমদাৰক লগ ধৰোতে ক'লে বাইদেউ আপুনি আমাৰ ছোৱালী হোষ্টেলত আহক। মই ক'লো কেনেকৈ যাওঁ, গৃহস্থই এইকেইদিন কটন হোষ্টেলৰ অধীক্ষক হৈ ঘৰৰ পৰা তাঁত-বাতি কাটিছে। নহ'ব। হিন্দী বিভাগৰ সুচিত্ৰা পাঠককো তাতে লগ পালো। মই সুচিত্ৰাক ক'লো— সুচিত্ৰা তুমি হোষ্টেললৈ অহা ইয়াৰ পিছত মই আহিম। সেই তেতিয়াই মই হোষ্টেলৰ অধীক্ষিকা হোৱাৰ সপোন দেখিবলৈ ধৰিলো। নবনিযুক্ত হোষ্টেল অধীক্ষক শ্ৰীযুত শ্যামাপ্ৰসাদ শৰ্মাৰ কাৰ্য্যক্ৰম মই অনুধাবন কৰি থাকিলো।

১৯৯৯ চনত মই বিভাগীয় মুৰব্বী হ'লো। সেই চনতে জানুৱাৰী মাহৰ ১ তাৰিখে মই সুচিত্ৰাৰ হাতৰ পৰা আৰ্য্যবিদ্যাপীঠ ছোৱালী হোষ্টেলৰ দায়িত্ব গ্ৰহণ কৰো। সুচিত্ৰাই মোক দায়িত্বভাৰ দি ধুনীয়াকৈ বিহুৰ চাহ একাপ খুৱাইছিল।

সৰস্বতী পূজাৰ পিছত মই সপৰিয়ালে হোষ্টেলত থাকিবলৈ আহো। ৬০ জনী ছোৱালীৰে ছোৱালী হোষ্টেলটো। কাঠৰ দলং। গৌৰীকুমাৰ আৰু সত্য ভাত ৰান্ধনি। লাচনি পাচনি কৰোঁৱাসকল হ'ল অৰুণ, কালীচৰণ, ফুকন আৰু বাই তৰুবালা। হোষ্টেলৰ পৰিবেশ ঘৰুৱা আছিল। কেতিয়াবা মই অকলে ঘৰত থাকিবলগীয়া হ'লে গৌৰীকুমাৰে মোক কৈছিল অলপ পলমে ভাত খাবচোন। পিছত দেখিছিলো গৌৰীয়ে মোলৈ অলপ মাংসৰ জোল আৰু তৰকাৰী দিছিল। মোৰ ল'ৰাৰ লগুণদিয়নি ছোৱালী হোষ্টেলত পাতিছিলো। হোষ্টেলৰ ৰান্ধনি ঘৰ আৰু ডাইনিং হলটো ব্যৱহাৰ কৰিছিলো। পানীখিনিও পাইছিলো। মুঠতে মোৰ সুবিধাই হৈছিল। সেইটো হোষ্টেলত থাকিয়ে মোৰ ছোৱালী এম.এছ.ছি হৈছিল। ল'ৰাটোৱেও সন্মানসহকাৰে প্ৰথম শ্ৰেণীৰ দ্বিতীয় হৈ উৰ্ত্তীণ হৈছিল। সিদিনা খন মই হোষ্টেলত মাংসৰ পইচা দিছিলো।

মই অধীক্ষিকা হৈ থাকোতে ছোৱালীৰ ৰুমে ৰুমে গৈ অলপ বহি মেলি তেওঁলোকৰ লগত হৃদয়তা স্থাপনৰ চেষ্টা কৰিছিলো। Lawyer আবিদা আহমেদৰ ঘৰখনেও মোক বৰ সন্মান কৰিছিল। এনেকৈ বহু অভিভাৱকৰ লগত আমাৰ সম্পৰ্ক স্থাপন হৈছিল। মই ছোৱালীবিলাকক অলপ শাসন নকৰাও নহয়। হোষ্টেলৰ কৰ্মচাৰীসকলে বিশেষকৈ বসন্ত শৰ্মাই মোক সৰ্বতোপ্ৰকাৰে সহায় কৰিছিল।

অংক বিভাগৰ স্নাতকোত্তৰ পৰ্যায়ত প্ৰিভিয়াচত তিনিখন আৰু ফাইনেল ইয়াৰত তিনিখন মুঠ ছয়খন আসনৰ ব্যৱস্থা আছিল। সোণালী ৰয় বুলি এজনী ছোৱালীয়ে অকলে পৰীক্ষা দিছিল। তেতিয়া হোষ্টেল বন্ধ। ছোৱালীজনীৰ ভাতমুঠি মোৰ ঘৰৰ পৰা দিছিলো। পৰীক্ষা দিবলৈ ওলাই তাই মোৰ ঘৰলৈ আহি সেৱা কৰি গৈছিল। মুঠতে সেইয়া হোষ্টেল নাছিল। আছিল এখন ঘৰ। মোৰ কাম কৰা ছোৱালী ৰীতা ৰাতি সোণালীৰ কোঠাত শুইছিল। সোণালীয়ে

অৱশ্যে এম.এছ.ছি সম্পূৰ্ণ নকৰিলে।

সেই সময়ত ড° অজিত চন্দ্ৰ তালুকদাৰক ছাত্ৰাবাসৰ অধীক্ষক হিচাপে পাইছিলো। পিছলৈ ড° সত্যেন বৰ্মন আৰু অনীতা বৰ্মনক পাইছিলো। আমি অহা-যোৱা কৰিছিলো। আহিবৰ সময়ত ছোৱালী হোষ্টেলৰ দায়িত্ব মই ড° সত্যেন বৰ্মনক দি আহিছিলো। বিদায়পৰত অনীতাই আমাক মাতি নি চাহ জলপান খুৱাইছিল।

কিছুমান বেয়া কথা বাৰু নিলিখো। লিখিব নাপায়। তথাপি অকণমান হাঁহি উঠা লিখো, এজনী ছোৱালীৰ দেউতা আহি তেখেতৰ ছোৱালীৰ পক্ষ লৈ মোক কৈছিল আপুনি ভালবাসা কি বুঝি পায়। ভালোবাসা কি জিনিষ? মোৰ ছোৱালীজনীয়ে বিচনাৰ পৰা উঠি আহি মানুহজনক চাই গৈছিল।

এদিন চাহ খাই আছো মোৰ ছোৱালীজনী দৌৰি আহি ক'লে মা এজনী ছোৱালী সৰু গেটখনেৰে সোমাই আহোতে মূৰত দুখ পাই senseless হৈছে। মই গৈ দেখো ছোৱালীজনী ৰূপা বৰুৱাৰ ভনীয়েক। তাইৰ নাম দীপা আছিল নেকি পাহৰিলো। গৌৰীকুমাৰে তাইক দাঙি নি গাড়ীত বহুৱাই দিলে। গাড়ীখন খুব সম্ভৱ সত্যেন বৰ্মনৰ আছিল। মই লগতে গৈছিলো। মূৰত দুখ পাইছিল। Scanning কৰিবলগীয়া হৈছিল। মই লগে লগে সত্যনাৰায়ণ পূজা এভাগ মানস কৰিছিলো। মাহীয়েক মালবিকা দাস নে বৰুৱা GMCৰ নাৰ্চ আছিল। ঈশ্বৰৰ ইচ্ছাত ছোৱালীজনীৰ বিশেষ একো হোৱা নাছিল। হোষ্টেলত সকলোৱে ভয় খোৱাৰ দৰে মইও ভয় খাইছিলো। যদি কিবা বেয়া কথা হয়?

মোৰ কাৰ্য্যকালত হোষ্টেলৰ কৰ্মচাৰী কালিচৰণ তালুকদাৰৰ মৃত্যু হৈছিল। মানুহজন কৰ্তব্যপৰায়ণ আছিল। কালিচৰণে গেট বন্ধ কৰিলে বুজিব লাগিব যে কাঁটাই কাঁটাই ৫ বাজিছে। কালিচৰণৰ আত্মাই চিৰশান্তি লাভ কৰক। তেওঁৰ ল'ৰা পঙ্কজ বৰ্তমান ছোৱালী হোষ্টেলৰ কৰ্মচাৰী। বৰ্তমানৰ অধীক্ষিকা ড° শিপ্ৰা পাইকৰ তত্বাবধানত পঙ্কজে বি.এ. পাছ কৰিছে।

২০০৭ চনত মই কলেজৰ পৰা অৱসৰ পাওঁ। বৰ্তমান মই বৰঠাকুৰ মিলৰ ওচৰত flat এটা লৈছো।

আৰ্য্য বিদ্যাপীঠ ছোৱালী হোষ্টেলৰ আৱাসীবৃন্দ, সমূহ কৰ্মচাৰী আৰু অধীক্ষিকা ড° শিপ্ৰা পাইকলৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল। ঈশ্বৰে সকলোৰে ভাল কৰক, সকলোৱে সুখে শান্তিৰে থাকক, মনত যেন কোনেও কষ্ট নাপায় এয়ে ভগবানৰ ওচৰত প্ৰাৰ্থনা।

মোৰ কাৰ্য্যকালছোৱাত দুটা কাম হৈছিল, হোষ্টেলৰ কৰ্মচাৰীসকলৰ কাৰণে আছুতীয়া লেট্ৰিন বাথৰূমৰ ব্যৱস্থা নাছিল। তেওঁলোকে ছোৱালী বিলাকৰ বাথৰূম লেট্ৰিন ব্যৱহাৰ কৰিছিল। তেতিয়াৰ অধ্যক্ষ ড° গিৰীশ চন্দ্ৰ শৰ্মাদেৱে তেওঁলোকক এই সুবিধাখিনি কৰি দিছিল।

হোষ্টেলৰ ছোৱালীসকলৰ কাৰণে এটা লাইব্ৰেৰী আছিল। লাইব্ৰেৰীটো কলেজৰ পৰিসংখ্যা বিজ্ঞান বিভাগৰ অৱসৰী সহযোগী অধ্যাপক ড° গিৰীশ চন্দ্ৰ শৰ্মা দেৱে তেওঁৰ ভায়েকৰ স্মৃতিত দান কৰিছিল। লাইব্ৰেৰীটো আছিল অধীক্ষিকাৰ বাসভৱনৰ মূল কোঠাটো। মই মোৰ শাহুৰ নামত এটা আলমাৰী কিছু কিতাপৰ সৈতে লাইব্ৰেৰীটোৰ নামত দি লাইব্ৰেৰীটোৰ উন্নতি সাধন কৰি এজনী ছোৱালীক লাইব্ৰেৰীয়ান পাতি দিছিলো।

(লেখিকা ঃ ড° নীলিমা দেৱী, অৱসৰী সহযোগী অধ্যাপিকা, সংস্কৃত বিভাগ, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় আৰু ছাত্ৰীনিবাসৰ প্ৰাক্তন অধীক্ষিকা।)

□□□

# আৰ্য্য বিদ্যাপীঠ কলেজৰ ছাত্ৰীনিৰাসৰ অভিজ্ঞতা



**ড° বৰ্ণালী শৰ্মা**

২০০৩ চনৰ ১ ফেব্ৰুৱাৰী মই আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ অধীক্ষিকাৰূপে দায়িত্ব গ্ৰহণ কৰিলো। মোৰ আগতে সংস্কৃত বিভাগৰ অধ্যাপিকা নীলিমা দেৱী অধীক্ষিকাৰূপে ছাত্ৰীনিবাসৰ দায়িত্বভাৰ লৈ সুচাৰুৰূপে সেই দায়িত্বখিনি সম্পন্ন কৰিছিল। মোৰ কাৰ্যকালত কাঠৰ দলঙৰ পৰিৱৰ্তে কালভাৰ্ট বনাই দিয়া হয়। হোষ্টেলৰ চাৰিবেৰৰ কাঠৰ দৰ্জাৰ সলনি কলেজ কৰ্তৃপক্ষ লোহাৰ গেট বনাই দিলে। মোৰ কাৰ্যকালত ড° গিৰীশ চন্দ্ৰ শৰ্মাদেৱ আছিল অধ্যক্ষ। তেখেতৰ চেষ্টাত হোষ্টেল কৰ্মচাৰীৰ বাবে বেলেগকৈ লেট্ৰিন বাথৰূম বনোৱা হ'ল।

ছাত্ৰীসকলৰ পঢ়া-শুনাৰ সুবিধাৰ কথা ভাবি মই অধ্যক্ষ ছাৰক এটা inverter দিব কাৰণে অনুৰোধ জনালো আৰু মনোৰঞ্জনৰ বাবে এটা colour TV। অধ্যক্ষই সেইখিনি সুবিধা কৰি দিয়াত তেতিয়া ছাত্ৰীনিৱাসত এটা colour TV এটা inverter দিয়া হ'ল। সেই সময়ত collegeত NAAC আহিছিল আৰু

হোষ্টেল পৰিদৰ্শন কৰিছিল আৰু কলেজে 'B' grade পাবলৈ সক্ষম হৈছিল।

ছাত্ৰীসকল বিনয়ী আৰু পঢ়াত মনোযোগী হোৱা হেতুকে প্ৰতিবছৰ হোষ্টেলৰ ফল আশানুৰূপ আছিল। ছাত্ৰ-ছাত্ৰীৰ পৰা যথেষ্ট সন্মানো পাইছিল। সিহঁতৰ সৰ্বাংগীন উন্নতিয়েই আমাৰ কাম্য।

২০০৫ চনত মই গৌহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগত যোগদান কৰাৰ কাৰণে আৰ্যবিদ্যাপীঠ ছাত্ৰীনিবাসৰ দায়িত্বৰ পৰা অব্যাহতি গ্ৰহণ কৰিলো।

সকলো কৰ্মচাৰী তথা ছাত্ৰীসকলক লৈ আমি এটা সৰু পৰিয়ালৰ দৰে আছিলো। সকলোকে আন্তৰিক শুভেচ্ছা জনালো।

(লেখিকা ঃ ড° বৰ্ণালী শৰ্মা, সহযোগী অধ্যাপিকা, ইতিহাস বিভাগ, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় আৰু ছাত্ৰীনিবাসৰ প্ৰাক্তন অধীক্ষিকা। বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালয়ত ইতিহাস বিভাগত কৰ্মৰত।)

□□□

# আৰ্য্য বিদ্যাপীঠ কলেজ গাৰ্লছ হোষ্টেল আৰু মোৰ অভিজ্ঞতাৰ এক নতুন পদক্ষেপ



ড° শিপ্ৰা পাইক

'অভিজ্ঞতা' সকলোৰে জীৱনৰ আটাইতকৈ মহত্বপূৰ্ণ শিক্ষক। জন্মৰ পৰা মৃত্যুলৈকে জীৱনক আৱৰি থকা বিভিন্ন সৰু-ডাঙৰ অভিজ্ঞতাৰ পৰাই যেনেকৈ আমাৰ জ্ঞানৰ পৰিসীমা গতানুগতিকভাৱে বৃদ্ধি পায়, ঠিক তেনেকৈ মোৰ জীৱনটিও শিক্ষকতাৰ নাতিদীৰ্ঘ পৰিসৰৰ মাজত সন্নিবিষ্ট হৈ পৰিছে আৰ্য্যবিদ্যাপীঠ কলেজ গাৰ্লছ হোষ্টেলৰ অধীক্ষিকাৰূপে, ই মোৰ এক সম্পূৰ্ণ নতুন অভিজ্ঞতা।

মাহটো এপ্ৰিল মাহ, বহাগ বিহুৰ ছুটি শেষ। এদিন দিনৰ দহটা বজাত তেতিয়াৰ অধ্যক্ষ মহোদয় অজিত চন্দ্ৰ তালুকদাৰদেৱে মোক মাতি পঠিয়ালে আৰু মোৰ ঘৰৰ কিছু কথা সোধাৰ পিছত মোক অনুৰোধ কৰিলে আৰু ক'লে আপুনি ছাত্ৰীনিৱাসৰ অধীক্ষিকা হিচাপে দায়িত্ব লওক। মোৰ স্বামী শ্ৰীযুত প্ৰদীপ কুমাৰ পাইক তেতিয়া চাকৰিসূত্ৰে ওমানত (OMAN) কৰ্মৰত আছিল আৰু মোৰ সৰু সৰু ল'ৰা দুজনক লৈ মই গুৱাহাটী ভাড়াঘৰত থাকো। অধ্যক্ষ ছাৰক মোৰ অসুবিধাৰ কথাখিনি জনালো। মই যে কোনো কালতেই

হোষ্টেলত থাকি পোৱা নাই সেইখিনিও অৱগত কৰালো। কিন্তু ছাৰে মোৰ কোনো আপত্তিয়েই নুশুনিলে আৰু ক'লে মাত্ৰ তিনিবছৰ হে, আপুনি ভালকৈ অধীক্ষিকাৰ দায়িত্বখিনি পালন কৰিব পাৰিব। বাধ্য হৈ 'ঠিক আছে ছাৰ' বুলি ক'লো। তেতিয়া আমাৰ মহাবিদ্যালয়ৰ পৰিসংখ্যা বিজ্ঞান বিভাগৰ ড° গিৰীশ শৰ্মা ছাৰ ছাত্ৰাবাসৰ অধীক্ষক আৰু লগতে আগৰ অধীক্ষিকা যোৱাৰ পিছত প্ৰায় তিনি মাহ ধৰি ছাত্ৰীনিৱাসো চোৱা-চিতা কৰি আছিল। অধ্যক্ষ মহোদয়ে তেতিয়া গিৰীশ শৰ্মা ছাৰক মাতি আনি মোৰ লগত চিনাকী কৰাই দিলে আৰু ক'লে যে— অধীক্ষিকা থকা ৰূমটো অলপ চাফ-চিকুণ কৰি দিলে মই হোষ্টেলত আহিব পাৰিম। মোক হোষ্টেলখন চাই অহাৰ বাবে এবাৰ অনুৰোধো কৰিলে। মই তেতিয়া ক্লাচ হোৱাৰ পিছত হোষ্টেলত গ'লো, প্ৰথমতে জৰাজীৰ্ণ হোষ্টেলখন চাই মুঠেও ভাল লগা নাছিল আৰু চিন্তা আছিল বিশেষকৈ মোৰ ল'ৰা দুটাক লৈ, সিহঁতৰ পঢ়া-শুনা — কিয়নো এজন দশম শ্ৰেণী আৰু এজন সপ্তম শ্ৰেণীৰ ছাত্ৰ— এই Crutial timeত মোৰ হোষ্টেলৰ দায়িত্ব লোৱাৰ বিন্দুমাত্ৰও ইচ্ছা নাছিল। কিন্তু অজিত চন্দ্ৰ তালুকদাৰ ছাৰৰ বিশেষ অনুৰোধত দায়িত্ব ল'ব লগা হ'ল। ০৩-০৫-২০০৬ চনত মই গিৰীশ শৰ্মা ছাৰৰ পৰা দায়িত্ব ল'লো। ছাৰে গধূলি ছাত্ৰীনিবাসৰ সকলো ছাত্ৰী আৰু কৰ্মচাৰীৰ লগতে মোক চিনাকী কৰি দিলে। ময়ো সিদিনাৰ পৰা আমাৰ কাৰণে নিৰ্দিষ্ট ৰূমটোত থাকিব আহিলো। হোষ্টেল পৰিচালনাৰ ক্ষেত্ৰত মোৰ স্বামীৰ পৰা পোৱা অকৃত্ৰিম সহায়-সহযোগিতাও মই অস্বীকাৰ কৰিব নোৱাৰো। মহাবিদ্যালয়ৰ কাৰ্যালয়ৰ সমূহ কৰ্মচাৰীবৃন্দৰ সহায়ৰ কাৰণে তেখেতসকলৰ প্ৰতিও মই আজীৱন কৃতজ্ঞ হৈ ৰ'লো।

হোষ্টলীয়া জীৱন সম্পৰ্কত মই অনভিজ্ঞ। সেইকাৰণে মই প্ৰায় প্ৰতিটো কাম গিৰীশ শৰ্মা ছাৰৰ সহায় আৰু দিহা-পৰামৰ্শ লৈ অধীক্ষিকাৰ দায়িত্বখিনি পালন কৰিছিলো। লাহে লাহে ছাত্ৰীসকলৰ মৰম আৰু শ্ৰদ্ধা আৰু মোৰ মাতৃত্বসুলভ মন — এই দুয়োৰে সংমিশ্ৰণত বহু কঠিন কামো অনায়াসে কৰিব পৰা হ'লো। হোষ্টেলৰ কৰ্মচাৰীসকলৰ পূৰ্ণ সহযোগীতাত ছাত্ৰীনিৱাসৰ সকলো আৱাসীৰ উন্নতিৰ প্ৰতি সমানভাৱে লক্ষ্য ৰাখি ক্ৰমে পাঁচটা বছৰ অকনো অসুবিধা নোহোৱাকৈ অতিক্ৰম কৰিলো। ইয়াতে এটা কথা উল্লেখ

কৰিব খুজিছো যে আগতে অধীক্ষক বা অধীক্ষিকাৰ দায়িত্ব লোৱাৰ বাবে তিনি বছৰৰ সময়কাল নিৰ্ধাৰিত আছিল। মোকো অধ্যক্ষ ড° গিৰীশ চন্দ্ৰ শৰ্মা ছাৰে তিনিবছৰৰ কাৰণে ছাত্ৰীনিৱাসৰ দায়িত্ব অৰ্পণ কৰিছিল যদিও তেখেতৰ দিনতে এই দায়িত্বৰ সময়সীমা পাঁচবছৰ বৰ্ধিত কৰা হ'ল আৰু ময়ো সেই নিয়ম অনুসৰি তিনিবছৰৰ সলনি পাঁচ বছৰৰ কাৰণে দায়িত্ব ল'ব লগা হ'ল। তেতিয়াৰ পৰা এতিয়ালৈকে অধীক্ষক আৰু অধীক্ষিকাৰ দায়িত্বৰ সময়কাল পাঁচবছৰীয়া হ'ল। হোষ্টেলৰ প্ৰথম দিনা পঙ্কজ তালুকদাৰে এক গিলাচ পানী আনি আতিথ্যৰ চিনাকি দিলে। মনটো ভাল লাগি গ'ল।

২০০৬ চনৰ মাৰ্চ মাহত এই মহাবিদ্যালয়ত যোগদান কৰিয়ে প্ৰায় লগে লগে ছাত্ৰীনিৱাসৰ দায়িত্বও ল'লো। সেই বছৰত স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰী হিচাপে ৰূপশিখা শৰ্মা, অনিতা সাহা, সন্ধ্যা ৰাণী গগৈ, কাকলি বন্যা বৰুৱা আৰু বহু ছোৱালীৰ নাম অন্তৰ্ভুক্ত হ'ল।

মই গছ-গছনি লগাই ভাল পাওঁ, আয়ুৰ্বেদ চৰ্চাৰ বাবে মোৰ এই ইচ্ছা দিনক দিনে প্ৰবল হৈ উঠিল। য'তে বনৌষধিৰ গছ পাওঁ তাৰ পৰাই সংগ্ৰহ কৰি হোষ্টেলত লগাইছিলো। এনেকৈ ১০১ বিধ বনৌষধি গছ হোষ্টেললৈ আনি লগাইছিলো। ছাত্ৰ-ছাত্ৰীৰ লগতে বেলেগ বেলেগ মানুহক বিনামূলীয়া ঔষধ-পাতি দি সহায় কৰিবলৈ পাই মই মানসিক শান্তি অনুভৱ কৰিছিলো আৰু এই ক্ষেত্ৰত আগবাঢ়ি যোৱাৰ এক অনুপ্ৰেৰণাও পাইছিলো। সেয়েহে মই আমাৰেই কলেজত এখন Zoology Departmentৰ National Seminarত ১০১ বিধ বনৌষধিৰে poster presentationত অংশগ্ৰহণ কৰিছিলো।

আৰু এটা কথা উল্লেখ কৰিব খুজিছো আমাৰ কলেজৰ Zoology Departmentৰ Dr. Jatin Sharma, বৰ্তমান Bodoland Universityৰ Professor, এবাৰ কলেজৰ কিবা এটা অনুষ্ঠানৰ পিছত ৰৈ যোৱা বাঁহখিনি আমাৰ হোষ্টেলত দিলে আৰু ক'লে বাইদেউ আপুনি ফুলনি বা বাগিছা এখন দিব পাৰে। আমি সেইখিনি লৈ এখন ধুনীয়া ফুলনি বনাইছিলো। ছোৱালীহঁতেও ফুলনিখনৰ বাবে ভাল ভাল ফুলগছ আনি মোক উপহাৰ দিছিল

আৰু আবেলি ফুলনিখনত পানী সিঁচি খুব ভাল পাইছিল। সেই ফুলনিখনৰ দৰে আবাসৰ প্ৰত্যেকজনী ছাত্ৰী মোৰ ওচৰত এটা এটাকৈ বিশেষ বিশেষ ফুল স্বৰূপই আছিল। সেইকাৰণে সিহঁতৰ সৰ্বাঙ্গসুন্দৰ বিকাশৰ প্ৰতি লক্ষ্য ৰখা মই নিজৰ প্ৰধান কৰ্তব্য বুলি জানিছিলো। কলেজৰ প্ৰায় শিক্ষক-শিক্ষয়িত্ৰীয়ে ফুলনিখন চাব আহিছিল, গছত পানী দিয়াৰ দায়িত্ব ছোৱালীসকলে মিলি-জুলি আনন্দ মনেৰে কৰিছিল। ময়ো ভাল পাইছিলো এই ভাবি যে এইবোৰ কামৰ মাধ্যমেৰে ছাত্ৰীসকলৰ মনটো সতেজ আৰু ভাল হৈ থাকিব আৰু মন ভাল হ'লে স্বাস্থ্য শিক্ষা আৰু পাৰিপাৰ্শ্বিক পৰিৱেশৰ ওপৰত ইয়াৰ প্ৰভাৱ পৰিব।

বিভিন্ন ঠাইৰ পৰা ভিন ভিন সময়ত অহা ভিন্নজনৰ মাত বেলেগ, সাজ-পোছাক, চিন্তাধাৰা, খানাপিনা সমস্ত বেলেগ তথাপি প্ৰত্যেকে অলপ দিনৰ ভিতৰতে ইমান আপোন হৈ পৰে যে হোষ্টেলৰ কৰণীয় কামবোৰত আগভাগ লৈ, অনুষ্ঠানসমূহত নিজ নিজ প্ৰতিভা বিকাশৰ লগে লগে পঢ়া-শুনাতো ভাল ফল দেখুৱাই নিজকে সমাজৰ আগত বিকশিত কৰে, যেনেকৈ এটি ফুলৰ অকণমানি কলি এটিয়ে লাহে লাহে এটা-দুটাকৈ পাহি মেলি সময়ৰ লগে লগে নিজকে প্ৰস্ফুটিত কৰি সকলোকে সৰু ফুলনিখনৰ ফালে আকৃষ্ট কৰে, অথবা ফুল যেনেকৈ সদায় আনৰ কাৰণে ফুলে, নিজৰ সৰলতা, কোমলতা আৰু সুবাসেৰে আনক মোহিত কৰে, ঠিক তেনেকৈ এই হোষ্টেলৰ আবাসী সকলোৰে এই আৰ্য্য বিদ্যাপীঠ কলেজ গাৰ্লছ হোষ্টেলৰূপী সৰু ফুলনিখনক সিহঁতৰ ভাল ফলাফল আৰু প্ৰত্যেকৰে বেলেগ বেলেগ চিন্তাধাৰা তথা পাৰদৰ্শিতাৰে সমৃদ্ধ কৰি তোলে। ইয়াত প্ৰত্যেকৰে চেষ্টা এটা থাকে যাতে কোনোপধ্যেই হোষ্টেলখনৰ সুনাম হানি নহয়। — এইখিনি মোৰ সমগ্ৰ হোষ্টেল সম্পৰ্কত একান্ত নিজস্ব অনুভৱ।

প্ৰথমতে ইয়াত সফলকামী হ'বলৈ হ'লে প্ৰাক্তন আৰু নবীন ছাত্ৰীসকলৰ মাজত সমন্বয় বজাই ৰখাটো জৰুৰী। এই সমন্বয় বজাই ৰখাৰ ক্ষেত্ৰত নৱাগতাসকলৰ অলপ সময় লাগে যদিও সিহঁতে লাহে লাহে হোষ্টেলীয়া জীৱন গ্ৰহণ কৰি লয় আৰু নৱাগত আদৰণি আৰু বিদায় অনুষ্ঠানবোৰত

অংশগ্ৰহণ কৰাৰ লগে লগে আনুষংগিক বিভিন্ন দায়িত্ববোৰ ভালকৈ কৰিব পৰা হৈ পৰে। ইয়াৰ মাজত নানা তিতা-মিঠা অভিজ্ঞতা নথকা নহয় কিন্তু তাতো আনন্দৰ মিশ্ৰণ থাকে আৰু সকলোৱে ভৱিষ্যত জীৱনৰ বাবে এটি সুমধুৰ স্মৃতি সাঁচি থয় নিজৰ মাজত। মই নিজেও অকাৰণে শাসন দেখুৱাই ভাল নাপাওঁ, কিন্তু দৰকাৰবশতঃ হোষ্টেলৰ সমূহীয়া পৰিৱেশ বজাই ৰাখিবলৈ মই কঠোৰ হ'বলগীয়া হয়। কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা ঘটাৰ পূৰ্বে, তাৰ সন্দৰ্ভত লুকাই থকা মূল ৰহস্য বিচাৰি উলিয়াই তাক আঁতৰাই দিয়াটোৱে উচিত বুলি মই ভাবো আৰু তেনে অৰ্থত কোনো আৱাসীৰে ক্ষতি নহয় বুলি মোৰ বিশ্বাস।

হোষ্টেলৰ কৰ্মচাৰীসকলৰ প্ৰতিও মোৰ সমান শ্ৰদ্ধা আৰু মৰম আছে। আমাৰ হোষ্টেলৰ আঠজন কৰ্মচাৰীৰ ভিতৰত দুজনী মহিলা। তেওঁলোকৰ ভাল-বেয়া, সুখ-দুখত মই যথাসাধ্য সহায় কৰিবলৈ চেষ্টা কৰো। অলপতে মোৰ তত্ত্বাৱধানত হোষ্টেলৰ নাইট চৌকিদাৰৰূপে কৰ্মৰত পঙ্কজ তালুকদাৰে সুদীৰ্ঘ নবছৰৰ পিছত নতুনকৈ পঢ়া আৰম্ভ কৰি ২০০৯ চনত একেবাৰেই বি.এ. পাছ কৰি হোষ্টেলৰ গৌৰৱ কঢ়িয়াই আনিছে। তাৰ অদম্য আগ্ৰহ চাই মোৰ ভাল লাগিছিল। ইচ্ছা থাকিলে মানুহ যিকোনো কঠিন বা টান কামো যে অনায়াসে কৰিব পাৰে সি সেইটোৱে প্ৰমাণ কৰিলে। আমাৰ সকলো কৰ্মচাৰীৰ ভাল হওঁক এইটোৱেই মোৰ মঙ্গলময় ভগৱানৰ ওচৰত একান্ত কামনা।

আমাৰ হোষ্টেলৰ ছোৱালীবোৰক লৈ মই খুব গৌৰৱান্বিত কিয়নো যেতিয়া কলেজত ছাৰ-বাইদেউহঁতে কয়—আজিকালি গাৰ্লছ হোষ্টেলখন খুব ভাল হৈছে, ৰিজাল্ট ভাল, ছোৱালীবোৰে পঢ়াৰ উপৰিও বহুত activity যেনে NCC, NSS, বৃক্ষৰোপণ, যোগশিবিৰ, পত্ৰিকা সম্পাদনা আৰু লেখন, সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন, চিত্ৰাংকন ইত্যাদিত যুক্ত তেতিয়া মই সঁচাকৈয়ে অশেষ সুখ অনুভৱ কৰো। প্ৰাচীৰ পত্ৰিকা 'সৃজনী' আৰু হাতে লিখা পত্ৰিকা 'যাত্ৰিক' ৰচনাৰ মাধ্যমে তেওঁলোকে নিজৰ নিজৰ কাব্য প্ৰতিভাৰ বিকাশৰ সুযোগ পায়। আমাৰ খেলপথাৰ নাই নহ'লে এই ক্ষেত্ৰতো তেওঁলোক যথেষ্ট আগ্ৰহী। ২০০৮ চনৰ অভিশপ্ত ৩০ অক্টোবৰ বোমা বিস্ফোৰণৰ পিছদিনা

আহতসকলৰ উদ্দেশ্য আমাৰ হোষ্টেলৰ পাঁচজনী ছোৱালীয়ে প্ৰথমবাৰৰ বাবে ৰক্তদান কৰিছিল। তেওঁলোক হ'ল — সাফৰিন বেগম, স্মিতা শইকীয়া, লুনামণি দাস, গীতাঞ্জলী হেণ্ডিক, আনিসুন নাহাৰ, জীনা দেৱী — মই ভগৱানৰ ওচৰত তেওঁলোকৰ সৰ্বাঙ্গীন মঙ্গল কামনা কৰো।

ইয়াৰ উপৰিও আমাৰ কিছু ছোৱালী পৰ্বতাৰোহণত অংশগ্ৰহণ কৰিছিল। NSS unitৰ সুশীল বৰঠাকুৰ ছাৰ আৰু আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ হেমন্ত ৰাভাৰ তত্বাৱধানত পৰ্বতাৰোহণত অংশগ্ৰহণ কৰাৰ বাবে মই তিনিবছৰ তিনিটা team পঠিয়াইছিলো। তেওঁলোকৰ নাম উল্লেখ কৰিব ইচ্ছা কৰিছো —

২০০৬- সম্প্ৰীতি তামুলী ফুকন, ৰোধা নিউমাই, হাবুং মিনা, জামদে, নোয়ৰ্ক, অলি তালুকদাৰ।

২০০৭ - সাফৰিন বেগম, গীতাঞ্জলী হেণ্ডিক, গাৰ্গী বৰ্মন, পৰিমিতা দত্ত বৰুৱা, দীপ্তি তায়ুং, তামশ্ৰী শইকীয়া, ডেইজী শৰ্মা।

২০০৮ - সাফৰিন বেগম, কুলদীপা ভূএঁা, সঙ্গীতা কোঁৱৰ, নায়না বেগম।

২০০৯ - ২১ মে'ৰ পৰা ৩০ মে'লৈকে উত্তৰকাশীত Adventurous Expedition হৈছিল। তাত আমাৰ নায়না বেগম, কুলদীপা ভূএঁা আৰু সঙ্গীতা কোঁৱৰ এই তিনিজনী হোষ্টেলৰ ছোৱালী অংশগ্ৰহণ কৰে আৰু তাত Cultural Programmeত বিহু নাচত অংশগ্ৰহণ কৰি ডাঙৰ এখন শৰাই পুৰস্কাৰ হিচাপে লাভ কৰিলে। আমিও খুব আনন্দিত হৈছিলো। এইখিনি Record আগতে কেতিয়াও হোৱা নাছিল।

প্ৰতিবছৰ আৰম্ভণিতে hallত থকা লৈ অন্তৰ্দ্বন্দ্বৰ সৃষ্টি হয়। ছাত্ৰীসকলৰ মাজত বিভিন্ন অসুবিধা থকা সত্বেও বেছিভাগ ছোৱালীয়ে 1st class পায়। এইটো আমাৰ বাবে এক গৌৰৱৰ কথা। মই Farewell বা Freshers অনুষ্ঠানৰ সময়তে প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা নিবাসৰ শিক্ষাৰ্থীসকলক এখন এখন কিতাপ দি পুৰস্কৃত কৰি উৎসাহিত কৰাৰ প্ৰয়াস কৰিছিলো। "মেম'ৰ পৰা

পুৰস্কাৰৰ কিতাপখন এইবাৰ পাবই লাগিব”— এই মানসেৰে ছোৱালীহঁতৰ মাজত Competition আৰম্ভ হ'ল আৰু ফলতে ছাত্ৰীনিবাসৰ ৰিজাল্ট ভাল হৈ গৈ থাকিল আৰু মোৰো পুৰস্কাৰ দিয়াৰ পৰিমাণো বাঢ়িব ধৰাত ময়ো নথৈ আনন্দিত হ'লো। ইয়াতে মনত পৰিছে ৰসায়ন বিজ্ঞান বিভাগৰ ছাত্ৰী সন্ধ্যা ৰাণী গগৈৰ কথা। তাই শেষৰবাৰত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ মোৰপৰা পুৰস্কাৰ পাবলৈ সক্ষম হৈছিল। এইটোও সঁচা যে অসুবিধাখিনি দূৰ কৰিবলৈ ময়ো যথাসাধ্য চেষ্টা অব্যাহত ৰাখিছিলো আৰু প্ৰধান প্ৰধান সমস্যাখিনি অধ্যক্ষ ছাৰক অৱগত কৰাইছিলো। পুৰণি হোৱা বাবে হোষ্টেলৰ আন্তঃগাঁথনি খুব বেয়া তথাপি মোৰ উপলব্ধি যে এনে সামান্যতম সুযোগৰ আঁৰত থকা সুবিধাখিনি লৈ আমাৰ ইয়াত গোট খোৱা ছোৱালীবোৰে নিজৰ উদ্দেশ্য সফল কৰিব পাৰিব। উদ্দেশ্যমূলতঃ ভালকৈ পঢ়া-শুনা কৰা আৰু এজন সুস্থ নাগৰিক হিচাপে নিজৰ পৰিচয় দাঙি ধৰা। আমাৰ সকলোৰে প্ৰিয় কলেজখনৰ সুনাম বৃদ্ধি কৰি দেশৰ এটা সুপ্ৰতিষ্ঠিত স্থানত ল'ৰা-ছোৱালীক দেখিবলৈ পালে আমি নথৈ আনন্দিত হৈ পৰো। মই সিহঁতক সদায় কওঁ, “তোমালোকে প্ৰত্যেকে মেধাৱী; তিনি বছৰৰ বাবে আহিছা ঠিকেই, কিন্তু জানি লোৱা জীৱনৰ উদ্দেশ্য চাৰিতাৰ্থ কৰিবৰ বাবে এইকেইটা বছৰেই তোমালোকৰ প্ৰতিভা বিকাশৰ চূড়ান্ত সময় (climax point) আৰু এখন proper platform য'ত তোমালোকে নিবিড় প্ৰচেষ্টা চলাই নিজৰ জীৱন সুদৃঢ়ভাৱে গঢ়ি তুলিবলৈ সুন্দৰ সুযোগ পাইছো।

লগতে মোৰ সময়ত হৈ যোৱা হোষ্টেলৰ কিছু বিপদৰ মুহূৰ্তৰ কথা উনুকিয়াব খুজিছো —

১) এদিন আঠ দহটা ল'ৰা মাৰুতি ভান এখন লৈ গাৰ্লছ হোষ্টেলৰ আগত ৰৈ আছে, অলপ সময় পাছত দুজন ল'ৰা কিছু কাগজ হাতত লৈ মোৰ দুৱাৰৰ কলিং বেল বজালে। দিনৰ দুই বজাত বন্ধৰ দিনা কোনেনো বেল বজালে চাবলৈ অহাত ল'ৰা দুজনে মোক ক'লে— ‘আমি ফ্ৰি কৈ এই মিৰৰ বক্স (looking glass) খন লগাব আহিছো মেম। আপুনি অনুমতি দিলে বাথৰুমত লগাই

দিম। প্ৰায় গাৰ্লছ হোষ্টেলতেই লগাইছো।' তাতে দেখিলো মোটামুটি বহুতো হোষ্টেলৰ অনুমতি পত্ৰ আছে। অকল আমাৰ কলেজৰ অনুমতি পত্ৰ নাই। মই বেয়া কিবা এটা চিন্তা কৰি তেতিয়াই সিহঁতক ক'লো, আমাৰ প্ৰিন্সিপাল ছাৰৰ পৰা কোনো অনুমতি পত্ৰ যিহেতু নাই সেইকাৰণে এই হোষ্টেলত মই ছোৱালীৰ বাথৰুমত মিৰৰ (আয়না) লগাব দিব নোৱাৰো। বহুত দেৰি ল'ৰা কেইটা কিবা কিবি নিজৰ মাজত আলোচনা কৰি অৱশেষত হোষ্টেলৰ আগৰ পৰা আঁতৰি গ'ল। অচিনাকি ল'ৰা কেইটা কিছু ছোৱালীকো বোলে বাৰে বাৰে ফোন কৰি বিৰক্ত কৰি আছিল। ল'ৰাকেইটা গুচি যোৱাৰ লগে লগে লুনামণি দাস (Geography major, পিছত 1st class পাইছিল)ৰ লগতে আৰু বহুতো ছাত্ৰী আহি মোক ক'লে— মেম আপুনি আমাক বচালে। বিস্তাৰিত কৈ নকলেও পাঠকে নিশ্চয় ইয়াৰ আঁৰৰ বিপদখিনি অনুভৱ কৰিব পাৰিব।

২) এবাৰ ফাকুৱাৰ দিনা আবেলি মদ খাই ল'ৰা এটা খুব অভদ্ৰ আচৰণ কৰি আছিল হোষ্টেলৰ গেটত। অশ্ৰাব্য গালি-গালাজৰ লগতে লোহাৰ গেটখনত বাৰে বাৰে গোৰ মাৰি আছিল আৰু হোষ্টেল ওৱাৰ্ডেনৰ উদ্দেশ্যেও বেয়া বেয়া মন্তব্য কৰি আছিল। মই তেতিয়া ওৱাৰ্ডেন হিচাপে নতুন জইন কৰিছো। সি নেজানে চাগে। সহ্য নহ'ল। মই দৰ্জা খুলি ওলাই আহিলো আৰু তাক ধমকি দি ক'লো— আৰু তই এটা বেয়া কথা কবি মই চিধাই পুলিচত কমপ্লেইন কৰিম। হোষ্টেলৰ কৰ্মচাৰী শৰ্মা, পঙ্কজ আৰু বাকী কেইটা দৌৰি আহি মোক ক'লে - মেম, এইটো এই পাড়াৰ অতি বদমাচ ল'ৰা এটা। মই ভয় খালে ইমান ডাঙৰ হোষ্টেলৰ ছোৱালীৰ নিৰাপত্তাৰ ক্ষেত্ৰত সমস্যা হ'ব, সেয়েহে মই কৰ্মচাৰীৰ কথা নুশুনি তাক খেদিলো আৰু তাৰ ঘৰত খবৰ পঠাই সাৱধান কৰি দিলো যে দ্বিতীয় দিনা যাতে এই ল'ৰাটো হোষ্টেলৰ ছোৱালীৰ ফালে চকু তুলি চোৱাৰ সাহসো নকৰে। কথামতে কাম হ'ল, পিছদিনা ৰাতিপুৱা নটা মান বজাত সেই অভদ্ৰ ল'ৰাটো মোৰ ভৰি চুই ক্ষমা খুজিলে আৰু প্ৰতিজ্ঞা কৰিলে আৰু কেতিয়াও এনেকুৱা অভদ্ৰ আচৰণ নকৰিব বুলি। মই 'হ'ব' বুলি ক'লো। তাৰ পিছৰ পৰা ল'ৰাটো আমাৰ লগত বা কোনো হোষ্টেলৰ

ছোৱালীৰ লগত আৰু কোনো বেয়া ব্যৱহাৰ কৰা নাই।

৩) এদিন ৰুম নং দহত ৰাতি ডেৰটামান বজাত হঠাৎ হুলস্থূল, ৰাতি ডেৰটা মান বজাত ছোৱালীৰ চিঞৰ-বাখৰ, মই দৌৰি গ'লো, সকলো কৰ্মচাৰীও আহিল। দেখিলো—বাহিৰত দেৱালৰ লগত লাগি থকা আঁহত গছ এজোপা আছিল, তাৰ পৰা বহুত দীঘলীয়া কিন্তু একেবাৰেই ক্ষীণ এডাল সাপ সোমাইছিল আৰু দৰ্জাৰ ওপৰত ভেণ্টিলেটৰ বৰাবৰ পথালিকৈ মুখখন ওলাই ৰৈ আছিল, পৰীক্ষাৰ সময়ত বহুত ৰাতিলৈকে পঢ়ি থকা ছোৱালীকেইজনী সাপডাল দেখাৰ লগে লগে চিঞৰি উঠিল। মই প্ৰথমে সাৱধানে ছোৱালী পাঁচজনীক উলিয়াই আনিলো আৰু ভীতিগ্ৰস্ত হ'বলৈ মানা কৰিলো। সকলো ছোৱালীক বেলেগ এটা ৰূমত বন্ধ কৰি মই, গোৱিন্দ আৰু পঙ্কজে বহুত সাৱধানে দীঘল লাঠি এডালেৰে কোনোমতে সাপডালক তলত পেলাই আৰু গোৱিন্দই সাপডালক খেদি চিৰি দি ভিজিটিং ৰূমেদি বাহিৰত উলিয়াই দিলে। পিছদিনা কলেজত ঘটনাটো কওঁতে সবেই ক'লে সাপডাল খুব বিষাক্ত আছিল। যি কি নহওক সেইদিন সব ছোৱালীৰ লগত আমিও এটা অবাঞ্চিত বিপদৰ পৰা ৰক্ষা পালো।

৪) হোষ্টেলত সোমোৱাৰ পৰাই এটা বিষয়ত খুব আমনি পাই আছিলো। সেইটো হৈছে প্ৰতিদিনে কাৰেণ্টৰ গণ্ডগোল। বিজুলি বাতি সঘনাই বেয়া হোৱা বাবে আৰু ছোৱালীবোৰে একেবাৰেই পঢ়িব নোৱাৰে। এদিন তো সাংঘাতিক কাণ্ড হ'ল, আগদিনা আমাৰ ওচৰতে প্ৰয়াত দেৱানন্দ শইকীয়া ছাৰৰ ঘৰত কাৰেণ্টৰ পৰা জুই লাগিল। ঘৰৰ মানুহ কেইটা কোনোমতে ৰক্ষা পালে। পিছদিনা ৩ টা মান বজাত হোষ্টেলৰ মিটাৰ বক্স হঠাৎ জ্বলি উঠিল। হোষ্টেল কৰ্মচাৰী বিশ্বজিতে মোৰ নিৰ্দেশ মতে লগে লগে মেন চুইচ বন্ধ কৰাত সম্পূৰ্ণ হোষ্টেলখন ৰক্ষা পৰিল। প্ৰতিদিন ৰাতিপুৱা পানীৰ পাম্প চলাব গ'লে ককা মানে অৰুণ দাসে কয়, 'আজিও কাৰেণ্টৰ শট্ (শক্) খালো.......' এইটো এটা নিত্য নৈমিত্তিক ঘটনা। তেতিয়া মই এজন ইলেকট্ৰিসিয়ান মাতি কাৰণটো

জানিব খুজিলো আৰু গম পালো যে আমাৰ হোষ্টেলত কোনো earthing pipe নাছিল। পিছত মই earthing pipe ৰ কামখিনি কৰালো। ভাল এজন অভিজ্ঞ ব্যক্তিৰ তত্ত্বাৱধানত ডাইনিং হ'লৰ বাহিৰৰ ফালে লগোৱা মিটাৰ বক্সৰ পাচে দি এডাল earthing pipe বহুত দ' লৈকে পোতা হ'ল আৰু এডাল earthing pipe  water pumpৰ (চিৰিৰ তলত থকা) বাহিৰৰ ফালে back sideত দিয়া হ'ল। নতুন মিটাৰবক্স লগোৱা হ'ল যিটো আজিলৈকে চলি আছে। সমস্ত জৰাজীৰ্ণ ওৱাৰিংবিলাক ভাল কৰা হ'ল। MCB board লগোৱা হ'ল। ইয়াৰ পিছত দেখিলো কাৰেণ্টৰ সমস্যাও বহুতখিনি ভাল হ'ল।

৫) ৰুম নং সাত, দুপৰীয়া দুটা মান বজাত হঠাৎ চিলিং খন ভাগি পৰিল। যাৰ ফলত পৰিসংখ্যা বিভাগৰ মেজৰ লৈ পঢ়ি থকা দেৱশ্ৰী নবিচ নামৰ ছোৱালীজনী অলপৰ কাৰণে বাচিলে। পিছত ছাত্ৰাবাসৰ তেতিয়াৰ অধীক্ষক ড° গিৰীশ চন্দ্ৰ শৰ্মা ছাৰ আৰু অধ্যক্ষ ড° অজিত চন্দ্ৰ তালুকদাৰ ছাৰৰ তত্ত্বাৱধানত চিলিং খন ভাল কৰা হৈ থকা অৱস্থাত আকৌ ভাগি পৰিল। দেখা গ'ল ছাঁদৰ ওপৰত পানী জমি থকাৰ বাবে এই ঘটনাটো হ'ল। ছাঁদৰ পৰা পানী সোমাই আহি আহি লোহাৰ ৰডখিনি নষ্ট হৈ গৈছিল। পিছত বহুদিনলৈ সেই ৰুমটোৰ মেৰামতিৰ কামখিনি কৰি ভালকৈ ঠিক কৰা হ'ল। তেতিয়াৰ পৰা এতিয়ালৈকে আৰু তেনেকুৱা কোনো অসুবিধা হোৱা নাই বুলি জানো।

ছাত্ৰাবাসৰ কথা অলপ উল্লেখ নকৰিলে মোৰ লিখনিখিনি কিবা আধৰুৱা হৈ থাকি যাব। ছাত্ৰাবাসৰ ছাত্ৰসকলে সদায় ছাত্ৰীনিবাসৰ বিপদ-আপদত আগবাঢ়ি আহি সহায়ৰ হাত আগবঢ়াই থাকে আৰু ঠিক যেন অতন্দ্ৰ প্ৰহৰীৰ দৰে ছাত্ৰীনিবাসৰ আবাসীসকলক ৰক্ষা কৰি থাকে। দুয়ো আবাসৰ আবাসীসকলে আনন্দ স্ফূৰ্তি ভগাই লোৱাৰ লগতে মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠানত আগভাগ লৈ মহত্বপূৰ্ণ ভূমিকা পালন কৰে।

বহুতো স্মৃতি এটা এটাকৈ মনলৈ আহি আছে যদিও এতিয়া মোৰ লিখনিকে সামৰিব লাগিব। অধীক্ষিকাৰ দায়িত্ব পালন কৰোতে কৰোতে কেতিয়াবা কিছু তিতা-মিঠা অভিজ্ঞতাৰ যে সন্মুখীন হোৱা নাছিলো সেইটো

ক'লে ভুল কোৰা হ'ব। তথাপিও এটাই শান্তি ছাত্ৰীনিবাসৰ আবাসীসকলক মই নিজৰ ছোৱালীৰ দৰে পৰিচালিত কৰাৰ সুযোগ পাইছো আৰু প্ৰত্যেকজনী আজি একোটা একোটা প্ৰতিষ্ঠিত আসনত অধিষ্ঠিতা হৈ আছে। ছাত্ৰীসকলৰ লগত এতিয়াও মোৰ যোগাযোগ আছে। সিহঁতৰ মৰমৰ একাষাৰ মাত আজিও মনত বহুতো আনন্দ দিয়ে। সকলো ন-পুৰণি আবাসীৰ সুস্বাস্থ্য আৰু উজ্জ্বল ভৱিষ্যত কামনা কৰিছো। পৰিশেষত আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ লগতে আৰ্য্য বিদ্যাপীঠ ছাত্ৰীনিবাসৰ কায়মনোবাক্যে সৰ্বাঙ্গীন উন্নতি কামনা কৰিলো।

জয়তু আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়।
জয়তু আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰীনিবাস।।

(লেখিকা ঃ ড° শিপ্ৰা পাইক, সহকাৰী অধ্যাপিকা, সংস্কৃত বিভাগ, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় আৰু ছাত্ৰীনিবাসৰ প্ৰাক্তন অধীক্ষিকা।)

□□□

# ছাত্ৰীনিবাসৰ অধীক্ষিকাৰ কাৰ্যক্ৰমণিকাৰ মণিকোঠাত



ড° দিপালী নেওগ গোস্বামী

গুৱাহাটী মহানগৰীৰ মাজমজিয়াত অৱস্থিত আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় প্ৰতিষ্ঠাৰ দিনৰে পৰা এখন সুকীৰ্তিপূৰ্ণ মহাবিদ্যালয়। এই মহাবিদ্যালয়ৰ অন্য এক গৌৰৱোজ্জ্বল দিশ হৈছে এই মহাবিদ্যালয়ৰ ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ ব্যৱস্থা। ইয়াৰ ইতিহাস মতে নিজেই চালুকীয়া অৱস্থাৰ পৰা, প্ৰথমে ছাত্ৰাবাসৰ ব্যৱস্থা আৰু পিছত ছাত্ৰীনিবাসৰ ব্যৱস্থাই অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট সকাহ দি উপকৃত কৰিছে। মই এই মহাবিদ্যালয়ত যোগদান কৰি নিজকে ধন্য মানিছো। নিবাস দুয়োটাৰে অধীক্ষক আৰু অধীক্ষিকাৰ নিযুক্তি হয় প্ৰায় পাঁচ বছৰৰ বাবে। অৱশ্যে কোনোবাই হয়তো ইয়াৰ আগতেই দায়িত্বভাৰ ত্যাগ কৰিছে, কোনোবাই হয়তো পাঁচ বছৰতকৈও বেছি দিন ধৰি ছাত্ৰাবাস বা ছাত্ৰীনিবাসৰ অধীক্ষক বা অধীক্ষিকাৰ দায়িত্ব পালন কৰিছে। পৰিৱেশ পৰিস্থিতিৰ বুজাবুজিত দিন পাৰ হৈ আছে।

মই ২০১১ চনৰ জুন মাহত এই মহাবিদ্যালয়ৰ ছাত্ৰীনিবাসৰ দায়িত্বভাৰ লৈছিলো, সেই সময়ৰ ছাত্ৰাবাসৰ অধীক্ষক সম্ৰাট বৰাৰ পৰা, কিয়নো সেই

সময়ত শ্ৰীমান বৰা ছাত্ৰীনিবাসৰ অস্থায়ী অধীক্ষকৰ দায়িত্বত আছিল। ছাত্ৰীনিবাসৰ অধীক্ষিকাৰ কাৰ্যভাৰ লোৱাৰ আগতে ছাত্ৰাবাসৰো দায়িত্বত মাজে মাজে থাকিব লগা হৈছিল। সেই সময়ৰ সৰু-বৰ সকলো কথা মণিকোঠাত এতিয়াও সজীৱ হৈ আছে। সেই সময়ত ২০১১ চনত ছাত্ৰীনিবাসটোৰ আন্তঃগাঁঠনি অতি দুখলগা অৱস্থাত আছিল বুলিব পাৰি। দুয়োটা মহলা লৈ ৯ টা কোঠা আছিল। প্ৰতিটো কোঠাত ৫ গৰাকীকৈ ছাত্ৰীক থাকিব দিয়া হৈছিল। এখন মাত্ৰ ফেনৰ ব্যৱস্থা আছিল। গৰমৰ দিনত ছাত্ৰীসকলৰ যথেষ্ট কষ্ট হৈছিল। কোঠাটোত ঘূৰিবলৈও ঠাইৰ অভাৱৰ দৰে আছিল। প্ৰথম মহলাত এটা সৰু ৰুম আছিল, যাক (লাইব্ৰেৰী) গ্ৰন্থাগাৰ হিচাপে ব্যৱহাৰ কৰা হৈছিল। সেই সৰু কোঠাটোতো তিনি গৰাকী ছাত্ৰীক থাকিবলৈ দিয়া হৈছিল। দ্বিতীয় মহলাত এখন টিনৰ চালি আছিল। একেবাৰে চাপৰ, খিৰিকিৰ ব্যৱস্থা নথকা এই এচলীয়া ঘৰটোতো কমেও বাৰ গৰাকীমান ছাত্ৰীক নামভৰ্তিৰ সময়ত থাকিবলৈ দিবলগা হৈছিল। কাৰণ উত্তৰ-পূৰ্বাঞ্চলৰ বাহিৰেও ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অধ্যয়ন কৰিবলৈ অহা ছাত্ৰীসকলে মহাবিদ্যালয়ৰ ছাত্ৰীনিবাসকেই উপযোগী স্থান হিচাপে বিবেচনা কৰিছিল। সেয়ে যিমান সংখ্যক ছাত্ৰীয়ে, ছাত্ৰীনিবাসৰ বাবে আবেদন কৰিছিল তাৰে প্ৰায় এক-তৃতীয়াংশ ছাত্ৰীকহে আসন দিব পৰা গৈছিল। অৱশ্যে মহাবিদ্যালয়খনত উচ্চতৰ মাধ্যমিক, স্নাতক আৰু দুটা বিষয়ৰ স্নাতকোত্তৰ এই তিনিওটি শাখা থকা বাবে আবাসীৰ সংখ্যাও বেছি। দূৰ-দূৰণিৰ পৰা অধ্যয়ন কৰিবলৈ অহা ছাত্ৰীসকলক আবাসগৃহত থকাৰ ব্যৱস্থা কৰি দিব নোৱাৰিলে, নিজকে বৰ অসহায় অনুভৱ হৈছিল। অভিভাৱকসকলৰ অনুনয়-বিনয় ৰক্ষা কৰিব নোৱাৰিও মন বেয়া লাগি গৈছিল। মই থকা সময়ত আবাসগৃহত এগৰাকী মহিলা কৰ্মচাৰী আৰু ছয়জন পুৰুষ কৰ্মচাৰী আছিল। দুজন ৰান্ধনী, দুজন দিনৰ আৰু ৰাতিৰ চকীদাৰ, পিয়ন। বজাৰ আদি কামবিলাক বুজাবুজিৰে চলি থাকে। ছাত্ৰীসকলৰ বিভিন্ন সমস্যাবিলাকত সহযোগ কৰিবৰ বাবে মহিলা কৰ্মচাৰী গৰাকী আছে। মোৰ এই ক্ষেত্ৰত এটা ব্যক্তিগত অনুভৱ হৈছিল, স্বাস্থ্যজনিত

সমস্যা। ৰাতি দুই তিনি বজাত হস্পিতালত লৈ যাবলগা হৈছিল, অভিভাৱকক মাতি পঠাব লগা হৈছিল আৰু হয়তো কিছুমানক নানান সমস্যাৰ বাবে সম্পূৰ্ণৰূপে ঘৰত পঠাই দিবলগা হৈছিল।

ছাত্ৰাবাসৰ অধীক্ষকে যেতিয়া ছুটি লৈ বাহিৰত বা মাক-দেউতাকৰ ওচৰত গৈছিল, তেতিয়া ছাত্ৰাবাসৰ দায়িত্বও মই ল'বলগা হৈছিল। ছাত্ৰসকলৰ মাজৰ সমস্যা আকৌ কিছু বেলেগ ধৰণৰ। কেতিয়াবা ভয়লগা, কেতিয়াবা খং উঠা আৰু কেতিয়াবাৰ ঘটনাত দুখলগা বা মন বেয়ালগা পৰিস্থিতিৰো সৃষ্টি হৈছিল। যি কি নহওক, ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ সকলোবোৰ সুখ-দুখ, হাঁহি-কান্দোন উৎসৱ-পাৰ্বন সমিলমিলৰ মাজেৰে পাৰ হৈছিল।

ছাত্ৰীনিবাসত আসনৰ সংখ্যা চাহিদা হিচাপত যথেষ্ট কম আছিল। পুৰণা নিবাসটোৰ কাষতে এটা এমহলীয়া নিবাস তৈয়াৰ কৰি পৰি আছিল। বিকাশ হিচাপে মহাবিদ্যালয়ৰ অধ্যক্ষক বাৰে বাৰে অনুৰোধ কৰিছিলো যে নতুন গৃহটোৰ বাকী থকা কামখিনি সম্পূৰ্ণ কৰি ছাত্ৰীসকলক থকাৰ ব্যৱস্থা কৰি দিব লাগে। তাকেই কৰিবলৈ যাওঁতে বহুতো ভাল-বেয়া পৰিস্থিতিৰো সন্মুখীন হৈছিলো। অৱশেষত ২০১৩ চনত মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ সেনগুপ্তা চাৰে নতুন আবাসগৃহটো ছাত্ৰীসকলৰ বাবে মুকলি কৰি দিছিল। নতুন আবাসগৃহটোৱে ছাত্ৰীসকলক থকাৰ ক্ষেত্ৰত বহু পৰিমাণে সকাহ দিলে। প্ৰায় ত্ৰিশগৰাকীমান ছাত্ৰীক নতুন ছাত্ৰীনিবাসত সুবিধা দিবপৰা হ'ল যদিও ছাত্ৰীৰ আবেদনৰ তুলনাত তেতিয়াও আসনৰ সংখ্যা কমিয়েই থাকিল। মোৰ কাৰ্যকালত এনেকুৱা পৰিস্থিতিৰো সৃষ্টি হৈছিল যে, ছাত্ৰীনিবাসত আসনৰ সংখ্যা অনুপাতে ছাত্ৰী সম্পূৰ্ণ হৈ থকাৰ পাছতো, অভিভাৱকে ছাত্ৰীক বেগ-কিতাপ আদি লগত লৈ থৈ যাবলৈ আহে, তেওঁলোকৰ হাততো বিকল্প ব্যৱস্থা নাথাকে। নতুন হোষ্টেলৰ ৰান্ধনীগৃহত তেনে ক্ষেত্ৰত ছাত্ৰীক থাকিবলৈ ব্যৱস্থা কৰি দিবলগা হৈছিল। সদায় মোৰ মনত এটা ভাৱ ৰৈ আছিল যে মহাবিদ্যালয়ত আৰু ছাত্ৰীনিবাসৰ প্ৰয়োজন আছে। সেই মৰ্মে তেতিয়াৰ অধ্যক্ষক বহুবাৰ আবেদন কৰি নিজেও বিষয়টো আলোচনা কৰিছিলো বৰ্তমান নতুনকৈ তৈয়াৰ

কৰি থকা ছাত্ৰীনিবাসটোৱে বহুখিনি সমস্যা সমাধান কৰিব বুলি আশা ৰাখিছো।

কিমান যে ভাললগা মিঠা স্মৃতি জড়িত হৈ আছে ছাত্ৰীনিবাস আৰু ছাত্ৰাবাসৰ সকলো আবাসীৰ লগত, এতিয়াও ভাবিলে মন জুৰ পৰি যায়। প্ৰত্যেকজন কৰ্মচাৰীয়েই আছিল বহুত আপোন। প্ৰত্যেকৰ পৰাই নতুন নতুন কথা শিকিছিলো। সকলো সময়তেই তেওঁলোকৰ পৰা পাইছিলো অফুৰন্ত সঁহাৰি। আনকি মোৰ ঘৰুৱা অনুষ্ঠান-প্ৰতিষ্ঠান বিলাকতো তেওঁলোকে বহুত সহায়-সহযোগ কৰি অংশগ্ৰহণ কৰিছিল একেটা পৰিয়ালৰ সদস্যৰ নিচিনাকৈ। ইয়াৰ মাজতো মাজে মাজে ভুল বুজাবুজি হৈছিল যদিও সেয়া আছিল নিচেই ক্ষন্তেকীয়া।

এতিয়া চমুকৈ আবাসগৃহত অনুষ্ঠিত কৰা ৰঙ-বিৰঙৰ অনুষ্ঠানসমূহৰ বিষয়ে বৰ্ণনা দিব বিচাৰিছো। আমাৰ ছাত্ৰীনিবাসৰ সুকীৰ্তি কেনেবাকৈ হ'লেও ৰাইজৰ কাণত পৰিছিল। সেয়ে হয়তো কেইবাটাও টিভি চেনেল প্ৰায়েই আমাৰ আবাসগৃহত আহিছিল। বহুকেইটা লাইভ টেলিকাষ্ট প্ৰগ্ৰেম কৰিছিলহি। ঠিক দুই তিনি ঘণ্টাৰ আগতে এডিটৰজনে মোক বিষয়টো দি দিছিল। টিভিৰ লাইভ টেলিকাষ্ট কৰাৰ আগে আগে আমি দাইনিং হলটো সজাই থৈছিলো। বহুত ভাললগা (Controversial) বিতৰ্কিত একেবাৰে নতুন নতুন বিষয়ৰ ওপৰত আলোচনা চলিছিল। ইয়াত ময়ো সমানে অংশগ্ৰহণ কৰিছিলো। নিউজ লাইভ, প্ৰাগ চেনেল, নিউজ ১৮ ইত্যাদি চেনেলবিলাকক ধন্যবাদ জনালো ইমান সুন্দৰ প্ৰগ্ৰেমবিলাক কৰিবলৈ আমাক সুবিধা দিয়াৰ বাবে। আনকি আমি ছাত্ৰীনিবাসত কাতি বিহু উদযাপন কৰোতে, ফাকুৱা খেলোতেও তেওঁলোকৰ টিভি চেনেলে লাইভ টেলিকাষ্ট দেখুৱাইছিল।

ছাত্ৰাবাসৰ সকলো অনুষ্ঠানত ছাত্ৰীনিবাসক সকলো সদস্যই সক্ৰিয় অংশগ্ৰহণ কৰিছিল। ছাত্ৰাবাসৰ সোণালী জয়ন্তী বৰ্ষ উদযাপন কৰোতে আমাৰ ছাত্ৰীনিবাসৰ প্ৰগ্ৰেমেই বেছি আছিল। এইসকল ছাত্ৰ-ছাত্ৰীৰ মাজত নিজকে এটা পৰিয়ালৰ সদস্য হিচাপে থাকিবলৈ পাই আজিও ধন্য মানো।

ছাত্ৰীনিবাসৰ অধীক্ষিকাৰ দায়িত্বৰ লগতে মই ২০১৫-১৬ বৰ্ষৰ, মহাবিদ্যালয়ৰ সংগীত আৰু সাংস্কৃতিক বিভাগৰ তত্ত্বাৱধায়ক শিক্ষকৰ দায়িত্বত আছিলো। মই যিহেতু সৰুৰে পৰা শংকৰী কলা কৃষ্টিৰ মাজত ডাঙৰ হৈছো। মোৰ গাঁৱত ভাওনা-ৰাস আদি নিয়মীয়াকৈ অনুষ্ঠিত হৈ থাকে। সেয়ে হয়তো ভাৱন অনুষ্ঠিত কৰাৰ কথা মনলৈ আহিল। তাতে মোৰ মনত এটা ডাঙৰ সাহ আছিল যে ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ ছাত্ৰ-ছাত্ৰীসকলক লৈ এই কাম কৰিবলৈ সহজ হ'ব। সেই উদ্দেশ্যে ভাৰপ্ৰাপ্ত অধ্যক্ষৰ পৰা অনুমতি লৈ ছাত্ৰাবাসৰ অধীক্ষক শ্ৰীমান বৰাৰ লগত আলোচনা কৰি আখৰাৰ কাম আৰম্ভ কৰিলো। অঙ্কীয়া নাট "ৰামবিজয়" আমি সফলভাৱে উদযাপন কৰিলো হক। ২০১৫ চনৰ ১৪ ফেব্ৰুৱাৰীৰ দিনা আমি ভাওনা পাতিছিলোহঁক। ভাওনা কৰি সফল কৰাৰ আঁৰত মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী সকলোৰে অশেষ অৰিহণা আছে। শ্ৰীমন্ত কৃষ্টি বিকাশ কেন্দ্ৰৰ সত্ৰীয়া পণ্ডিতসকলক বিশেষ ধন্যবাদ দিব লাগিব। স্বৰ্গীয় বৃন্দাবন গোস্বামী চাৰ, ভূগোল বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বীৰ উপৰিও চামগুৰি সত্ৰৰ সত্ৰাধিকাৰ আছিল। চাৰেও ঘৰৰ পৰা আমি গুৰু আসন প্ৰতিষ্ঠা কৰি নিজেই নাম-প্ৰসঙ্গ কৰিছিল। গোস্বামী চাৰক সেৱা জনালো। মহাবিদ্যালয়ৰ ছাত্ৰাবাসেই আছিল ভাৱনাৰ প্ৰাণকেন্দ্ৰ। মিডিয়াও বিশেষ ভূমিকা গ্ৰহণ কৰিছিল এই ভাওনা ভাগ প্ৰচাৰৰ বাবে কাৰণ অসমৰ ভিতৰত আমাৰ মহাবিদ্যালয়েই আছিল প্ৰথম ভাওনা অনুষ্ঠিত কৰা মহাবিদ্যালয়। ৰাইজৰ বিপুল সঁহাৰি লাভ কৰি পিছৰ বছৰত আমি পুনৰ ভাওনা অনুষ্ঠিত কৰিবলৈ আগবাঢ়িলো। সেই বছৰো সকলোৰে পৰা আমি সহায়-সহযোগিতা লাভ কৰিলো। "নৃসিংহ মুৰাৰি" নামৰ ভাওনা ভাগি অনুষ্ঠিত কৰা হৈছিল পিছৰ বছৰ ২০১৬ চনত। আখৰাৰ কেন্দ্ৰ আছিল মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণী কোঠা। ভাওনা অনুষ্ঠিত কৰা হৈছিল মহাবিদ্যালয়ৰ খেল পথাৰত। বিভিন্ন ব্যক্তিৰ পৰা আৰ্থিক অনুদান লাভ কৰাৰ বাবেই ভাওনাভাগি সফলভাৱে সমাপ্ত কৰিব পৰা গৈছিল। আন এটা অনুষ্ঠান আমি ছাত্ৰীনিবাসত অনুষ্ঠিত কৰিছিলো। সেয়া আছিল নাগাৰা নাম। মহাবিদ্যালয়ৰ টমক ৰঞ্জন দত্তৰ দলটোৰ সাংস্কৃতিক অনুষ্ঠানৰ পটভূমি আছিল

আমাৰ ছাত্ৰীনিবাসটো। বৰ্তমান অসমৰ ভিতৰতে সুপ্ৰতিষ্ঠিত হৈছে এই সাংস্কৃতিক দলটো। আমাৰ কাৰ্যকালত বিভিন্ন এদিনীয়া কৰ্মশালাৰো অনুষ্ঠিত কৰিছিলো। স্বচ্চ ভাৰত অভিযানৰ কাৰ্যসূচীত ছাত্ৰীসকলে দলে বলে যোগদান কৰিছিল। প্ৰতিবেশীৰ সমূহীয়া অনুষ্ঠানবিলাকতো আমি সহযোগ কৰিছিলো। মোৰ পাঁচবছৰৰ কাৰ্যকাল শেষ হোৱাত মই অধ্যক্ষ মহোদয়ক জনাইছিলো। ২০১৬ চনৰ নৱেম্বৰ মাহত মই এই দায়িত্বৰ পৰা অব্যাহতি ল'লো।

প্ৰত্যেজকজন ছাত্ৰ-ছাত্ৰী মোৰ অতি চিনাকী আছিল, আপোন আছিল। মোৰ কাৰ্যকালৰ সময়তেই ছাত্ৰীক কলেজৰ ইউনিয়ন বডিৰ ইলেকচন খেলিবলৈ অনুমতি দিছিলো যদিও কেতবোৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি পুনৰ বন্ধ কৰি দিছিলো। এতিয়াও ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসলৈ গ'লে কিবা মনটো গধুৰ হৈ পৰে, যেনেকৈ এখন আপোন ঘৰ এৰি আহিলে যি অনুভৱ হয় তেনে লাগে। এটা সৰু কথা উনুকিয়াব বিচাৰিছো। ছাত্ৰীনিবাসৰ পাছফালে থকা ঠাইখিনিত মই খেতি লগাইছিলো। জাতিলাও একেবাৰতে প্ৰতিদিনে ১০/১২ টাকৈ চিঙিব পৰাকৈ লাগিছিল। বন্ধাকবি, ওলকবি, মটৰ, গাজৰ, চালগোম, বিলাহী, নহৰু, পিঁয়াজ, পালেং, লাই, ধনীয়া, ৰঙালাও আদিৰ খেতি চালে চকুত লগা আছিল। ভাল সঁচৰ কলগছ, নেমুটেঙা লগাইছিলো। এতিয়াও আছে হোষ্টেলত। মাটিকঁঠালো লগাইছিলো। গাৰডেনিং মোৰ এটা হবি, এতিয়াও কৰি থাকো। ফুল, শাক-পাচলি সকলো বিলাক। প্ৰায় পাঁচ বছৰ পাঁচ মাহৰ অধীক্ষিকাৰ কাৰ্যকালৰ বিৱৰণ লিখি শেষ কৰিব নোৱাৰি। তথাপি চমুকৈ এইখিনি স্মৃতিকে সদ্যহতে ধৰি ৰাখিলো। ভৱিষ্যতে সময় সুবিধা পালে পুনৰ ৰোমন্থন কৰিম।

(লেখিকা ঃ ড° দিপালী নেওগ গোস্বামী, সহকাৰী অধ্যাপিকা, ভূগোল বিভাগ, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় আৰু ছাত্ৰীনিবাসৰ প্ৰাক্তন অধীক্ষিকা।)

□□□

# আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় আৰু ছাত্ৰীনিবাস



ড° মানসী গগৈ

দিনটো আছিল ১০ জুন ২০১৩ চন। সুদূৰ শিৱসাগৰৰ পৰা আহি আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগত যোগদান কৰিলো। একেবাৰে অচিনাকী পৰিৱেশ। যদিও গুৱাহাটী বিশ্ববিদ্যালয়তেই শিক্ষা গ্ৰহণ কৰিছিলো, জালুকবাৰীৰ বাহিৰে অন্য ঠাইৰ লগত সিমান চিনা পৰিচয় নাছিল। বিভাগৰ লগতে মহাবিদ্যালয়খনৰ লগত চিনাকী হৈছোহে মাত্ৰ। অভিজ্ঞতাও কম। এদিন হঠাতে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই মোক মাতি পঠালে। ভয়ো লাগিছিল কাৰণটো নজনাৰ বাবে। কাৰ্যালয়ত উপস্থিত হৈ গম পালো ছাত্ৰীনিবাসৰ তত্বাৱধানৰ বাবে আবেদন কৰিব লাগে। তাৰ বাবে মই প্ৰস্তুত নাছিলো। তাতে ছোৱালীজনীও বহুত সৰু, ২ বছৰ মাত্ৰ। প্ৰথম অৱস্থাত মই মান্তি হোৱা নাছিলো। কিন্তু কেইবাগৰাকীও জ্যেষ্ঠ শিক্ষাগুৰুৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰিলো। আৰু ২০১৭ চনৰ ফেব্ৰুৱাৰীৰ ২৭ তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰীনিবাসৰ তত্বাৱধানৰ দায়িত্ব ভাৰ গ্ৰহণ কৰিলো।

ফেব্ৰুৱাৰী মাহৰ ২৮ তাৰিখে শ্ৰদ্ধাৰ শিপ্ৰা পাইক বাইদেৱে আনুষ্ঠানিক

ভাৱে মোক আবাসৰ সকলো আবাসীৰ লগত চিনাকী কৰাই দায়িত্বভাৰ অৰ্পন কৰে। অভাৱ অভিযোগেৰে পৰিপূৰ্ণ আবাসটিৰ পৰিচালনা যে ইমান সহজ নহ'ব আহি উপলব্ধি কৰিলো। কিন্তু মনত সাহস যোগাই সমস্যা সমাধানৰ সূত্ৰ বিচাৰিবলৈ ধৰিলো।

ছাত্ৰীসকলৰ সদায়ে অভিযোগ আবাসৰ ইমানবোৰ সমস্যা যেনে— খোৱা পানীৰ সমস্যা, বাথৰুমৰ সমস্যা, Septic tank, সীমাৰ বেৰা (Boundary wall) ইত্যাদি ইত্যাদি সমাধান হ'ব লাগে। ময়ো সমস্যা সমূহ সমাধানৰ বাবে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষলৈ আবেদন কৰাতে লাগিলো। কিন্তু বাৰে বাৰে আবেদন কৰিও সুদুত্তৰ নোপোৱাত নিজেও অলপ হতাশ হ'লো। কিন্তু সমস্যাসমূহ সমাধান নোহোৱাৰ প্ৰকৃত কাৰণ বিচাৰি পালো যে মহাবিদ্যালয়ৰ স্থায়ী অধ্যক্ষৰ অভাৱ। সদিচ্ছা থাকিলেও সকলো কাম কৰ্তৃপক্ষই কৰিব নোৱাৰে। সেই বিষয়ে আবাসৰ সকলো সদস্যকে বুজাই সীমিত সুবিধাৰে আবাসৰ আভ্যন্তৰীণ আৰু শৈক্ষিক পৰিৱেশ উন্নত কৰাত মনোনিৱেশ কৰিলো।

বাৰ্ষিক শৈক্ষিক সূচীৰ সময়ত চলি থকা কিছুমান নিয়ম যান্মাষিক শৈক্ষিক সূচীত বৰ্তাই নিয়াতো অসুবিধাজনক দেখি, আবাসৰ কিছুমান নিয়মৰ পৰিৱৰ্তন কৰিবলৈ চেষ্টা কৰিলো। এই ক্ষেত্ৰত প্ৰথম অৱস্থাত কিছু অসুবিধাৰ সন্মুখীন হৈছিলো যদিও শেষত পৰিৱেশ সুস্থিৰ হ'বলৈ ধৰিলে। দুই এগৰাকী ছাত্ৰীৰ বাহিৰে বেছি সংখ্যক ছাত্ৰীৰ পৰাই সহযোগিতা লাভ কৰিলো এই দিশত আগবাঢ়িবলৈ। তাৰ ভিতৰত আবাসত বিভিন্ন কাৰ্যসূচীৰ পৰিমাণ কমাই দিয়া, ছাত্ৰীসকলৰ বিদায় সভা আভ্যন্তৰীণ ভাবে উদ্‌যাপন কৰা, মেছ মাৰ্কেটিং আৰু খাদ্য তালিকাৰ কিছু সাল-সলনি কৰা ইত্যাদি ইত্যাদি।

শৈক্ষিক দিশটোৰ প্ৰতি লক্ষ্য ৰাখি আবাসীসকলৰ পঢ়াৰ সময়ত ম'বাইল ফোন জমা দিয়াটো বাধ্যতামূলক কৰা হ'ল। সময়ৰ সদ-ব্যৱহাৰ কৰিবলৈ আজৰি সময়ত ছাত্ৰীসকলৰ মাজত যিকোনো প্ৰাসংগিক বিষয়ৰ ওপৰত সমূহীয়া আলোচনাৰ ব্যৱস্থা কৰা হ'ল। ছাত্ৰীসকলৰ পঢ়াৰ প্ৰতি আগ্ৰহ বঢ়াবলৈ

পূৰ্বৰে পৰা সংৰক্ষিত পুথিভঁৰালত কিতাপৰ পৰিমাণ বঢ়োৱা হ'ল। ইয়াৰ লগতে মহাবিদ্যালয়ৰ তৰফৰ পৰা যোগান ধৰা দুখন বাতৰি কাকতৰ লগতে আবাসৰ পৰা তিনিখন মাহেকীয়া আলোচনী ("Competition Refresher" "প্ৰান্তিক" আৰু "স্বাস্থ্য") যোগানৰো ব্যৱস্থা কৰা হ'ল।

মহাবিদ্যালয়ত স্থায়ী অধ্যক্ষৰ নিযুক্তিয়ে মহাবিদ্যালয়খনৰ লগতে দুয়োটা আবাসতে এক ধনাত্মক প্ৰভাৱ পেলালে। লাহে লাহে আবাসৰ সমস্যা সমূহ সমাধা হ'বলৈ আগবাঢ়িছে। তাৰে ভিতৰত ছোৱালী আবাসৰ প্ৰথম প্ৰয়োজনীয়তা সীমাৰ বেৰাখনৰ (Boundary wall) এটা অংশৰ পকী নিৰ্মাণ কাৰ্য চলিত বৰ্ষতে সম্পূৰ্ণ কৰা হ'ল। বাকী অংশৰো নিৰ্মাণৰ সিদ্ধান্ত ইতিমধ্যে লোৱা হৈছে। মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু পৰিচালনা সমিতিৰ সভাপতি মহোদয়ৰ সদিচ্ছাৰ ফলতেই আবাসৰ কৰ্মচাৰীসকলৰ ভগ্নপ্ৰায় বাসগৃহটিয়ে এক নতুন ৰূপ পালে। গৃহটি সম্পূৰ্ণ পকীকৈ নিৰ্মাণ কৰা হ'ল। ছাত্ৰীসকলৰ Septic Tankৰ সমস্যাও সমাধান হ'ল। পানীৰ সমস্যাও বৰ্তমান অস্থায়ীভাবে সমাধান হৈছে। ইয়াৰ মাজতে ছাত্ৰীসকলৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি অধ্যক্ষ মহোদয়ৰ পৰামৰ্শ মতে আবাসৰ অব্যৱহৃত এটা ডাইনিং হ'ল ছাত্ৰী থকাৰ উপযোগী কৰি গঢ়ি তোলা হ'ল। বৰ্তমান আবাসত (৭০) সত্তৰ গৰাকী আবাসী থাকিব পৰা ব্যৱস্থা আছে।

বৰ্তমান RUSAৰ অধীনত এটা নতুন ছাত্ৰীনিবাস নিৰ্মাণৰ সিদ্ধান্ত ইতিমধ্যে লোৱা হৈছে। আৰু আশা কৰিব পাৰি যে খুউব কম সময়ৰ ভিতৰত নতুন ছাত্ৰীনিবাসে ছাত্ৰীসকলৰ উচ্চ চাহিদা পূৰণ কৰিব পাৰিব আৰু পুৰণি আবাসটিয়েও এক নতুন ৰূপ পাব। তাৰে আশাৰে শেষত ছাত্ৰীনিবাসৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো।

(লেখিকা ঃ ড° মানসী গগৈ, সহকাৰী অধ্যাপিকা, ভূগোল বিভাগ, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় আৰু ছাত্ৰীনিবাসৰ বৰ্তমান অধীক্ষিকা।)

□□□

# ৰোমন্থন



মীনাক্ষী দেৱী

মিতালী আৰু নিভাই ফোনত কোৱা কথাকেইটাই মনটো উৰুৱাই লৈ গ'ল আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ছাত্ৰী নিৰাসত কটোৱা মধুৰ স্মৃতি বিজড়িত সেই দিনকেইটালৈ।

উখল-মাখল পৰিৱেশ। ছাত্ৰীনিৱাসৰ বিদায়ী ছাত্ৰীসকলৰ বিদায় সভাৰ বিষয়ে আলোচনা কৰা হৈছে। বিদায়ী জ্যেষ্ঠসকলক বিদায়ৰ সম্ভাষণ জনাবলৈ কণিষ্ঠসকলে অতি নিষ্ঠাৰে কৰা যো-জা । ইতিমধ্যে আলোচনা কৰি সিদ্ধান্ত লোৱা হ'ল যে সভাৰ আৰম্ভণিতে বিদায়ীসকলৰ বাবে এটি সমবেত সঙ্গীত পৰিৱেশন কৰা হ'ব। সেই দায়িত্ব আহি পৰিল মোৰ ওপৰত। মোক সদায় উৎসাহ যোগাই থকা মোৰ অতি মৰমৰ ৰূমমেট তথা ভণ্টি মিতালী, মেঘালী, প্ৰিয়ঙ্কা আৰু অনামিকাৰ তাগিদাত অতি সোনকালেই গীতটি ৰচনা কৰা হ'ল। ধুবুৰীৰ পৰা অহা মৃদুস্মিতা সাহাক কেনেকৈ পাহৰো? কি সুন্দৰ কণ্ঠ, কি মিঠা সুৰ মৃদুস্মিতাৰ! প্ৰথমে গীতৰ সুৰটো হাৰমণিয়ামত উঠাই আলোচনা কৰা হ'ল মৃদুস্মিতাৰ লগত। সুখ্যাত গায়িকা ডলী ঘোষ, অনিমা চৌধুৰী বাইদেৱে গোৱা

আমাৰ প্ৰিয় গীতবোৰ অতি সুন্দৰকৈ পৰিৱেশন কৰি ইতিমধ্যে সকলোকে মুহি পেলাইছিল মৃদুস্মিতাই। সেয়ে নিজে কৰা সুৰটো তেওঁক শিকাই অনুৰোধ কৰা হ'ল যে সমবেত সঙ্গীতটিত ভাগ লোৱা আনবোৰ ছোৱালীক আমি আজৰি সময় পালেই যাতে শিকাব পাৰো। কথাতেই কোৱা হয় — 'হুৰমূৰ যাত্ৰা যাৰ, সৰ্ব সিদ্ধি তাৰ।' খুব কম সময়তে সকলোৰে সক্ৰিয় সহযোগত গীতটিৰ ৰিহাৰ্চেল সম্পূৰ্ণ হৈ উঠিল। গীতৰ সুৰটো শুনি তবলা আৰু গীটাৰবাদক দুজনক লৈ বাদ্যযন্ত্ৰত সঙ্গত কৰিবলৈ আগবাঢ়ি আহিল অলক হাজৰিকা। তেখেতে গীতটিৰ লগত হাৰমণিয়াম বজাই আমাক ৰিহাৰ্চেলৰ পৰাই সহায়-সহযোগ কৰি আহিছিল। যথা সময়ত গীতটি পৰিৱেশন কৰা হ'ল। ছাত্ৰীনিৱাসৰ সেই সময়ৰ অধ্যক্ষা আমাৰ অতি শ্ৰদ্ধাৰ ভানু বাইদেৱেও গীতটি শুনি অতি আনন্দ প্ৰকাশ কৰি আমাক যথেষ্ট উৎসাহ আৰু অনুপ্ৰেৰণা যোগাইছিল। প্ৰয়াত বাইদেউক আজিও শ্ৰদ্ধাৰে সোঁৱৰো। কাণত আজিও যেন ভাঁহি উঠে বাইদেউৰ মৰমসনা কথাষাৰ —'লিখা-মেলা কৰি আছানে মীনাক্ষী'?

এইখিনিতে উল্লেখ কৰিব খোজোঁ যে গীতটি ইমান জনপ্ৰিয় হৈ উঠিল যে পৰৱৰ্ত্তী কেইবা বছৰ ধৰি হেনো সি ছাত্ৰীনিৱাসৰ বিদায়সভাৰ স্থায়ী সমবেত সঙ্গীত হিচাপে জীয়াই আছিল।

আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ তাহানিৰ সেই মধুৰ স্মৃতি মনলৈ আহিলে ডায়েৰীৰ পাতবোৰ বতাহত উৰি উৰি সেই গীতটি লিখা পাতখিলাতেই আহি ৰৈ যায় আৰু গীতটি আজিও সজীৱ হৈ উঠে —

ৰচনা আৰু সুৰ
মীনাক্ষী দেৱী
তাল-দাদৰা

আজি বিদায়ৰ এই লগনত,
কঁপি উঠে কিয় আমাৰ দুনয়ন,

কিদৰে জনাওঁ আমি,
হে বিদায়ী বন্ধু তোমাক,
বিদায়ৰ সম্ভাষণ
বিদায়-সম্ভাষণ।

ন-পুৰণি সকলোৰে মিলি
গঢ়িছিলোঁ আমি সেঁতু মিলনৰ,
তাৰেই উলাহত উটি-ভাঁহি আমি
পালো এয়া ক্ষণ-বিচ্ছেদৰ;
কিদৰে জনাওঁ আমি
হে বিদায়ী বন্ধু তোমাক!
বিদায়ৰ সম্ভাষণ
বিদায় সম্ভাষণ।

প্ৰগতি পথত তুমি হোৱা
অভিযাত্ৰী বন্ধু আমাৰ,
তোমাৰ বাবে মাথো আছে আমাৰ
অলেখ-অযুত শুভকামনা;
বিদায় পৰত চকুলোৰেহে
তোমাক জনাওঁ হে বিদায়ী
বিদায়ৰ সম্ভাষণ
বিদায়-সম্ভাষণ।

(লেখিকা ঃ শ্ৰীমীনাক্ষী দেৱী, প্ৰাক্তন ছাত্ৰী, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়। বৰ্তমান চেইণ্ট মেৰিজ স্কুলৰ শিক্ষয়িত্ৰী, চেনিকুঠী, গুৱাহাটী।)

□□□

# স্মৃতিৰ চোতালত



ৰুণু তালুকদাৰ

আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰীনিবাস! নুপুৰৰ ধ্বনীৰ দৰে এতিয়াও বাজি আছে ছাত্ৰীনিবাসৰ বহু স্মৃতি। বহুতো ছবি সাঁচি থৈছো স্মৃতিৰ মণিকোঠাত। তাৰে কিছু এতিয়াও সজীৱ হৈ আছে, কিছু ধুসৰ হৈ পৰিছে। উচ্চতৰ মাধ্যমিক পৰীক্ষা দিয়াৰ পিছৰ পৰাই আমাৰ ঘৰত আলোচনা হৈছিল যেন বাকী পঢ়া-শুনাখিনি মোৰ গুৱাহাটীৰ কলেজৰ হোষ্টেলত থাকিয়ে হ'ব। তেতিয়াই হোষ্টেল সম্পৰ্কে মন শিহৰিত হৈছিল কিছু ভাল লগা আৰু কিছু হয়তো শংকাও। কাৰণ ৰেগিঙৰ সন্মুখীন হ'ব লাগিব বুলি মন কিছু শংকিত হৈ পৰিছিল। কিন্তু ভাল লগাৰ অনুভূতি তাতোকৈ হয়তো বেছি আছিল।

১৯৯০ চনৰ আগষ্ট মাহৰ কোনো এটা দুপৰীয়া আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ছাত্ৰীনিবাসৰ চৌহদত উপস্থিত হৈছিলো। পদুলিমুখত থকা কাঠৰ দলংখনৰ ওপৰেদি মোক থ'বলৈ যোৱা দেউতাৰ লগত গৈ থাকোতে ওপৰৰ পৰা এটা শব্দ ওফৰি আহিছিল — 'দলংখন ভাঙিব'। মনতে হাঁহি উঠিছিল। সেয়াই আছিল মোৰ উদ্দেশ্যে নিক্ষেপিত স্বাগতম ধ্বনি। হোষ্টেলত

মোৰ কিতাপ পত্ৰ আৰু বিচনাপত্ৰৰে প্ৰৱেশ কৰাৰ পাছত হোষ্টেল অধীক্ষিকা শ্ৰদ্ধেয়া ভানু চৌধুৰী বাইদেৱক লগ কৰো আৰু তেখেতে মোক এঘাৰ নম্বৰ কোঠাটোত স্থান দিয়া বুলি জানিবলৈ দিয়ে আৰু লগতে কয় যে মোৰ কোঠাৰ সহ আৱাসী সকল পঢ়া-শুনাত যথেষ্ট Serious আৰু মইও যেন তেখেতসকলক অনুকৰণ কৰো। মই ভয় খাইছিলো কাৰণ মই নিজে অকণো Serious নহয়। ইয়াৰ পিছত কালিচৰণ কাইৰ (চৌকিদাৰ) পিছে পিছে এঘাৰ নম্বৰ কোঠালিত উপস্থিত হৈছিলোগৈ। মনত শংকা আছিল যদিও ৰূমত সোমাই 'বা' হঁতৰ ব্যৱহাৰত মোৰ অস্বস্তি আৰু আশংকা পলকতে দূৰ হৈছিল।

মোৰ সৈতে কোঠাত মুঠতে পাঁচজন সদস্য। তেওঁলোক হ'ল হেমাংগনা পাঠক, ময়ুৰী দেৱী, দীপা দাস, ৰীতা ডেকা আৰু মই। মই আটাইতকৈ কণিষ্ঠ সদস্য। তেখেত সকলোৱে হোষ্টেলৰ সকলো নীতি-নিয়ম শিকাই দিছিল।

কিবা ভুল কৰিলেও শুধৰাই দিছিল। তেতিয়াই দিয়া কিছুমান দিহা-পৰামৰ্শ মই আজিও মানি চলিছো। যিয়েই নহওঁক ৰূমত ভাল পালেও ৰেগিঙ বা চিনাকী পৰ্বৰ হাত সাৰিব নোৱাৰিলো। ৰাতি ভাত খাই উঠাৰ পিছত হোষ্টেলৰ চাদৰ ওপৰলৈ নিমন্ত্ৰণ আহিল। ভয়ত পেটতে হাত ভৰি লুকাল। ৰূমমেট বাহঁতে অভয় দিলে যদিও মনৰ ভয় নাতঁৰিল। চাদৰ ওপৰলৈ গ'লো। তাত বহি থকা সকলোকে যমদূত যেন লাগিল। যথা নিয়মে মোৰ পৰিচয় সোধা হ'ল। তাৰ পিছত বিভিন্ন প্ৰশ্ন তথা বাক্যবান চলিল। শেষত মোৰ লগতে তাত ইতিমধ্যে উপস্থিত থকা অন্য নৱাগতালৈ নৃত্য পৰিৱেশনৰ আহ্বান আহিল। নাচিব নজনাকৈ কৰা নৃত্যই সকলোকে বেচ আমোদ দিলে। ইয়াৰ পিছত চিনাকী পৰ্ব সেইদিনালৈ সিমানতে সামৰণি পৰিল। ৰক্ষা পৰা যেন পালো। ৰাতি নতুন ঠাই বুলিয়েই ভালকৈ টোপনি নাহিল। ৰূমমেট বাহঁতে মোৰ ৰাতিপুৱা সোনকালে উঠিবলৈ দি ক'লে যে ৰাতিপুৱা ভাত খোৱাৰ আগে আগে প্ৰতিটো কোঠাত গৈ জ্যেষ্ঠ আবাসীসকলৰ লগত চিনাকী হ'ব লাগিব।

সেই মতেই প্ৰতিটো কোঠাত দুৱাৰত টুকুৰীয়াই প্ৰৱেশ কৰিলো। চিনাকী হ'লো। নামবোৰ মনত ৰাখিব ক'লে। মোৰ দুৰ্বল স্মৃতিশক্তিয়ে ইমানবোৰ নাম

ক'ত মনত ৰাখিব। ইফালে মই কলেজত লগ পালেও তেওঁলোকক নাম কাঢ়ি 'বা' বুলি মাতিব লাগিব। গতিকে নাম মনত নথকা কাৰণে কলেজত কাকো নামাতো। দুদিনমান যোৱাৰ পিছতে মোৰ ওপৰত ৰুমমেটৰ আগত অভিযোগ দিলে মই হেনো কাকো নামাতো। মহা বিপদত পৰিলো। গতিকে এইবাৰ যাৰ যাৰ নাম মনত আছে তেওঁলোকক য'তে দেখা পাওঁ তাতেই মাত লগোৱা কৰিলো। আনকি টয়লেটৰ সমুখত লগ পালেও।

যাৰ নাম মনত নাথাকিছিল তেওঁলোকক এনেই 'বা' বুলি মাতিছিলো। দুদিনমান এনেদৰেই গ'ল। কলেজৰ ক্লাছ চলি থাকিল। ৰাতি হোষ্টেলত ভাত খোৱাৰ পিচত চাদৰ ওপৰলৈ যোৱা সদাই নহ'লেও দুদিন বা তিনিদিনৰ অন্তত যোৱাও চলি থাকিল। মাজতে আকৌ অভিযোগ আহিল যে মই স্থান কাল পাত্র চাই কাকো নামাতো। গতিকে ইমান মাতি নাথাকিলেও হ'ব। ৰক্ষা পৰিলো। ইতিমধ্যে নামবোৰ জানি গৈছিলো। এনেদৰেই এটা মাহ পাৰ হৈ গ'ল। এমাহ পিছত নৱাগতৰ আদৰণি অনুষ্ঠান মহা উৎসাহেৰে উদ্‌যাপন কৰা হ'ল। আমাৰ নৱাগত সকলৰ মাজত বিভিন্ন প্ৰতিযোগিতা পতা হৈছিল। কুইজ প্ৰতিযোগিতাত আমাৰ দলটোৱে প্ৰথম হৈছিল। নৱাগত আদৰণি সভাৰ দিনা বিষয়ীসকলক পুৰস্কাৰ প্ৰদান কৰা হৈছিল। পুৰস্কাৰ হিচাপে দিয়া কিতাপসমূহ হোষ্টেলৰ পুথিভঁড়ালত দান দিয়া হৈছিল। সেইদিনাৰ পৰা আমি নৱাগতৰ সকলো বাধ্যবাধকতাৰ পৰা মুক্ত হ'লো। ইয়াৰ পিছৰ দিনবোৰ যেন বৰ দ্রুত গতিৰে পাৰ হৈ গ'ল। কলেজৰ প্ৰথম বছৰটো ঘৰলৈ যোৱাৰ কোব বেছি হৈছিল কাৰণে বৰ বিশেষ পঢ়া-শুনাও হোৱা নাছিল তথা হোষ্টেলত বিশেষ উল্লেখযোগ্য একো হোৱাও নাছিল। এনেদৰে আমি দ্বিতীয় বৰ্ষত ভৰি দিলো। হোষ্টেলত পালন কৰা সৰস্বতী পূজা আৰু তৃতীয় বাৰ্ষিকত থকা সকলৰ উদ্দেশ্যে পতা বিদায় সভাত ওতঃপ্ৰোতঃ ভাৱে লাগি পৰিছিলো। আমাৰ হোষ্টেলত পতা এই অনুষ্ঠান সমূহত আটাইতকৈ ভাল লগা কথা আছিল লোকগীতৰ সম্রাট ৺ৰামেশ্বৰ পাঠক চাৰৰ অংশগ্ৰহণ। তেখেত আমাৰ হোষ্টেল ওচৰ চুবুৰীয়া হোৱা হেতু সকলো অনুষ্ঠানলৈ নিমন্ত্ৰণ জনাইছিল আৰু

তেখেতেও অসুবিধা নহ'লে নিমন্ত্ৰণ ৰক্ষা কৰিছিল। ইয়াৰ উপৰি সেই সময়ত আমাৰ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ দুয়োখন আবাস যেনে ছাত্ৰ নিবাস আৰু ছাত্ৰী নিৱাস মিলি ঁদেৱানন্দ শইকীয়া চাৰৰ সোঁৱৰণত সকলো গুৱাহাটী মহাবিদ্যালয় হোষ্টেলৰ মাজত বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। আমি দুয়োখন আবাসৰ আবাসীসকলে মিলি খুব আন্তৰিকতাৰে তাক অনুষ্ঠিত কৰিছিলো। দ্বিতীয় বাৰ্ষিক যোৱাৰ পিছত ঘৰলৈ যোৱা কমাই দিলো। ভূগোল বিষয়ৰ ছাত্ৰী হোৱা হেতু Practical ৰ ক্লাচ সমূহ সদায় কৰিব লগা হ'ল। ৰাতিপুৱাই দিনটোৰ কৰ্মব্যস্ততা আৰম্ভ হয়। ৰাতিপুৱাই টিউচনলৈ গৈ বাহিৰে বাহিৰে এটা ক্লাছ কৰি যদি সময় পাওঁ হোষ্টেললৈ আহি ভাত খাই আকৌ কলেজ গৈ আবেলি ৪ বজালৈ কলেজতে থাকো। ভোকত পেটে কলমলাই যায়। সেয়ে কেতিয়াবা হাতত থকা সীমিত পইছাৰে খোজ কাঢ়ি গৈ ৰিহাবাৰীত থকা সেই সময়ৰ 'বাপ্পী কেবিনত' পৰঠা খাওঁগৈ। তাৰ পৰা হোষ্টেলত আহি টিফিন খাওঁ। মই সাধাৰণতে টিফিনত যিয়েই নাথাকক সকলো উদৰস্থ কৰিছিলো। টিফিনত বেছিভাগ চাওচাও দিছিল।

সেই সময়ত আমাৰ হোষ্টেলৰ মেচ যিকোনো এজনী Senior ছোৱালীয়ে চলাইছিল। হোষ্টেলৰ আবাসী মুঠতে ষাঠী গৰাকী আছিল। সেয়েহে মেচ চলাওঁতে বৰ দিগ্‌দাৰ আছিল। কাৰণ বাজেট একেবাৰে সীমিত আছিল। যিয়েই নহওঁক দিনবোৰ এনেদৰেই গৈ আছিল। ক্লাছ, টিউচন, বজাৰ সমাৰ, আবেলি চাদৰ ওপৰত দিয়া আদ্দা, প্ৰাৰ্থনাৰ বেল মাৰিলে ডাইনিং হ'লত উপস্থিত হোৱা, ৰাতিৰ ভাত সাজত প্ৰথম বেটচত খাবলৈ পাবৰ কাৰণে বেঞ্চ দখলৰ প্ৰতিযোগীতা, গৰমৰ দিন কেইটাত ৰাতি কাৰেণ্ট গ'লে চাদৰ ওপৰত গোটেইবোৰ লগ হৈ আদ্দা মাৰা, গধূলী কালিচৰণ কায়ে আনি দিয়া আলুচপ খোৱা এনেদৰেই দিনবোৰ পাৰ হৈ গৈ থাকিল। হঠাতে এদিন মাহতো সম্ভৱ ১৯৯১ চনৰ নৱেম্বৰ আছিল, আমাৰ হোষ্টেলৰ চুপাৰইনটেণ্ডেট ভানু বাইদেউৰ আকস্মিকভাৱে মৃত্যু হয়। গোটেই হোষ্টেল যেন স্তব্ধ হৈ পৰিছিল। সেই শোকত ম্ৰিয়মান হৈ থাকোতে শুনিলো যে আমাৰ হোষ্টেলখনৰ দায়িত্ব

ল'বলৈ কোনোৱে আগবাঢ়ি অহা নাই কাৰণে হোষ্টেল বন্ধ হৈ যাব। কেইদিনমানৰ কাৰণে শ্ৰদ্ধেয় ৰমানন্দ ৰাজবংশী চাৰে দায়িত্ব লৈছিল যদিও সেয়া সাময়িক সময়ৰ কাৰণে। আমি অনিশ্চয়তাৰ মাজেৰে সময়খিনি পাৰ কৰিব ধৰিলো। এমাহমান পিছত আমাক সকলোকে আশ্বাসিত কৰি আমাৰ অভিভাৱক হৈ যোগ দিলেহি শ্ৰীসুচিত্ৰা পাঠক বাইদেৱে। সকলোৱে স্বস্তিৰ নিশ্বাস এৰিলে। এনেদৰে বিভিন্ন ঘটনাৰ মাজেৰে দ্বিতীয়টো বৰ্ষও অতিক্ৰম কৰিলো। তৃতীয় বৰ্ষৰ চেচন আৰম্ভ হোৱাৰ লগে লগে ঘৰত বন্ধ কটাই অহা ছোৱালীৰ কোলাহলত হোষ্টেল আকৌ মুখৰ হৈ পৰিল। এইবাৰ আহিল হোষ্টেলৰ মণিট্ৰেচ নিৰ্বাচনৰ সময়। সাধাৰণতে মণিট্ৰেচ নিৰ্বাচনকৰে দ্বিতীয় বাৰ্ষিকৰ ছোৱালীয়ে, তৃতীয় বাৰ্ষিকৰ ছোৱালীৰ মাজৰ পৰা। তেওঁলোকে এইবাৰ মোক নিৰ্বাচন কৰিলে। এইবাৰ বৰ  বিবুদ্ধিত পৰিলো। কিন্তু মোৰ লগৰখিনিয়ে সাহস দিয়াত সন্মতি দিলো। গতিকে সৰু হ'লেও ষাঠিজনীয়া গোট এটা চলাওঁতে বহুত সাৱধানেৰে আগবাঢ়িব লগা হ'ল। পঢ়া-শুনাও বহুত বিঘ্নিত হ'ল। কিন্তু হোষ্টেলীয়া জীৱনৰ স্বাদ আহৰণৰ পৰা বিৰত নহ'লো। পঢ়া-শুনা আৰু অন্যান্য কাম-কাজৰ মাজত  জীৱনটো যেন উদ্‌যাপন কৰিলো। শাসন, অনুশাসনৰ মাজেৰে চূড়ান্ত পৰীক্ষা দিবলৈ সাজু হ'লো। আমাৰ বিদায়ী সকলে লগ হ'লেই আলোচনা কৰিবলৈ ল'লো আমাৰ বিদায় যে সমাগত। মনটো বিষাদময় হৈ উঠে। আমাক দিয়া বিদায় সম্বৰ্দ্ধনা অনুষ্ঠানটো চকুৰ পানীক ৰোধিব নোৱাৰিলো।

পৰীক্ষাবোৰ আহি পালে। ব্যস্ত হৈ পৰিলো। প্ৰেক্টিকেলৰ পৰীক্ষাসমূহ শেষত হৈছিল। সেয়েহে প্ৰেক্টিকেল বিষয় নথকা ছোৱালীখিনি পৰীক্ষা শেষ হোৱাৰ লগে লগে যাবলৈ আৰম্ভ কৰিলে। আমি হোষ্টেলত তেতিয়া অকল তৃতীয় বাৰ্ষিকখিনিহে আছিলো। মনটো বিষাদে চানি ধৰিলে। এনেদৰেই এদিন প্ৰেক্টিকেল পৰীক্ষাও শেষ হ'ল। মুখ্য বিষয়ৰ প্ৰেক্টিকেল সমূহ একেবাৰে শেষত হৈছিল কাৰণে শেষৰ দিনালৈ আমি মাত্ৰ চাৰিজনহে থাকিলো। আমি কেইজনী পৰীক্ষা শেষ কৰি ৰাতি হোষ্টেলত থকাৰ মনস্থ কৰিলো। পিছদিনা গোটেই

কেইজনীক ৰাতিপুৱাই বিদায় দিলো। কাৰণ সিহঁতৰ ঘৰ দুৰণিবটীয়া আছিল। মই আৰু মোৰ লগৰ পলাশী অলপ দেৰীকৈ বস্তু-বাহানি সামৰি আমাৰ ঘৰলৈকে যাব ওলালো। অৰুণকাই এখন অট' মাতি দিলে। বস্তুবোৰ উঠাই দি অৰুণকাৰ পৰা বিদায় ল'লো। হোষ্টেলৰ বাকীবোৰ ষ্টাফ ইতিমধ্যেই ঘৰলৈ গৈছিল কাৰণ ইতিমধ্যে গ্ৰীষ্ম বন্ধ আৰম্ভ হৈছিল। হোষ্টেলৰ সন্মুখত থিয় দি এবাৰ চাদৰ ওপৰলৈ চালো। সদায় মুখৰ হৈ থকা চাদখন নিজম পৰি আছে। অট'খন চলাৰ পিছত অলপ দূৰ আগুৱাই গৈ মূৰটো উলিয়াই আকৌ হোষ্টেললৈ চালো, এনেকুৱা লাগিলে যেন নিৰ্জনতাই আগুৰি থকা হোষ্টেল ঘৰটোৱে যেন কৈছে আহিবা, বাট চাম। কান্দোনক ৰোধ কৰিব নোৱাৰিলো। জীৱনৰ তিনিটা অমূল্য বছৰ পাৰ কৰি অহা এই আৱাসত মই সকলো ধনাত্মক কথাই শিকিলো। সচৰাচৰ মানুহে ভৱাৰ দৰে কোনো ঋণাত্মক দিশ মই হোষ্টেলীয়া জীৱনটোত নাপালো। আটাইতকৈ শিকা মূল্যৱান শিক্ষাটোৱে হ'ল adjustment। যি মোৰ এতিয়াও ব্যৱহাৰিক জীৱনত প্ৰাসঙ্গিক।

শেষত মই সেই সময়ত লগ পোৱা মোৰ সকলো প্ৰতি আৱাসীলৈ ধন্যবাদ জ্ঞাপন কৰিলো মোৰ মুহুৰ্তবোৰ সুন্দৰ কৰি তোলাৰ কাৰণে সকলোৰে ওচৰত মই কৃতজ্ঞ।

সদৌ শেষত মোক পুনৰ স্মৃতি ৰোমন্থন কৰিবলৈ সুযোগ দিয়া কাৰণে শ্ৰীমতী নিভা দেৱীলৈ আন্তৰিক ধন্যবাদ জনালোঁ।

।। জয় আবিমছা।।

(লেখিকা ঃ শ্ৰীৰুণু তালুকদাৰ, প্ৰাক্তন ছাত্ৰী, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়। বৰ্তমান সীতাজখলা ছেক'ণ্ডাৰী স্কুলৰ শিক্ষয়িত্ৰী, মৰিগাঁও।)

□□□

# সোঁৱৰণীৰ জিলিঙনি



ড° লভিতা শৰ্মা

১৯৯২ চন। মৰিগাঁও জিলাৰ জাগীভকত গাঁৱৰ পৰা সুদুৰ গুৱাহাটীলৈ প্ৰথম ওলাই আহিছো। সকলোবোৰ অচিনাকি। জাগীৰোড গুৱাহাটী সংযোগী পথত গাড়ী মটৰৰ চলাচল তেতিয়া কম আছিল। অসম ৰাজ্যিক পৰিবহন নিগমৰ ৰঙাৰঙৰ গাড়ীত উঠি দেউতাৰ লগত যোৰাবাটৰ সৰু এঁকা-বেঁকা পথটোৰে গুৱাহাটীলৈ আহি আছিল। গুৱাহাটীৰ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ত পদাৰ্থ বিজ্ঞান বিভাগত মেজৰ লৈ স্নাতক ডিগ্ৰীৰ পাঠ্যক্ৰমত নাম লগালো। ইতিমধ্যে মোৰ বাইদেউ ড° মিতালী শৰ্মাই এই মহাবিদ্যালয়ত গণিত বিষয়ত মেজৰ লৈ পঢ়ি আছিল আৰু একমাত্ৰ ছোৱালী হোষ্টেলটোৰ বাসিন্দা আছিল। গতিকে ময়ো উক্ত হোষ্টেলত একেটা ৰূমত থাকিবলৈ ল'লো। সেই সময়ত ৰিহাবাৰী, চাৰাবভাটি অঞ্চল বৰ নিজান আছিল। গাড়ীমটৰ বৰকৈ নচলিছিল। পল্টন বজাৰৰ পৰা কলেজলৈ অহাটো আমাৰ বাবে বৰ কষ্টকৰ আছিল। হোষ্টেলটোৰ সন্মুখৰ ৰাস্তাটোৰ বাহিৰে তিনিও কাষ

খালী। ওচৰতে পিটনীৰ মাজত একমাত্ৰ ল'ৰাৰ হোষ্টেলটো থিয় হৈ আছিল।

হোষ্টেলৰ পাঁচজনীয়া ছিটৰ সেই ডাঙৰ ৰূমটো আছিল অংক বিষয়ৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ স্বল্পভাসী বিনীতা শৰ্মা বা, হিন্দী বিষয়ত অধ্যয়নৰত ৰঙিয়াৰ প্ৰেমলতা বা, মিতালী বা আৰু আমাৰ আটাইতকৈ মৰমৰ প্ৰণতি বা। প্ৰণতি বা গণিত বিষয়ৰ স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰী। পঢ়া-শুনা আৰু সময়ে সময়ে আদ্দা মৰাৰ আমেজেৰে কোঠাটোত আছিল এটা সুন্দৰ সুহৃদয় পৰিবেশ। অৱশ্যে একে ক্লাচৰ অনিমা, টুটু, বৰ্ণালী, দিপাঞ্জলী, তাপসী, প্ৰিয়ংকাহতঁৰ লগত চাঁদৰ ওপৰত মৰা আদ্দাৰ আছিল এক সুকীয়া আমেজ।

হোষ্টেললৈ যোৱাৰ এক সপ্তাহমান পাছত এটা বৰ আমোদজনক ঘটনা ঘটিছিল। মই আৰু দিপাঞ্জলী দুয়োজনীয়ে মিলি এদিন দেওবাৰ এটাত সহপাঠীৰ খবৰ ল'বলৈ বুলি সন্দিকৈ মহাবিদ্যালয়লৈ বুলি ওলাই গৈছিলো দুপৰীয়া বাৰমান বজাত। তাই আছিল ডিগবৈৰ। দুয়োজনী গুৱাহাটীত নতুন। যাওঁতে ঠিকেই গৈছিলো। ঘূৰি আহোঁতেহে লাগিল লেঠা। আমি ৰিহাবাৰীলৈ যোৱা গাড়ী বুলি গুৱাহাটী বিশ্ববিদ্যালয়লৈ যোৱা গাড়ীত উঠি দিছিলো আৰু মালিগাঁও আহি পাওঁতেহে গম পালো আমি ভুল বাছত উঠিলো বুলি। কণ্ডাক্টৰে আমাক বুজাই দিয়াত পুনৰ চিটিবাছত উঠি আমি হোষ্টেললৈ উভটি গৈছিলো। সেই সময়ত ফোনৰ বৰ প্ৰচলন নাছিল। আন্ধাৰ হৈ আহিছিল। হোষ্টেলত আমাক কোনোবাই অপহৰণ কৰিলে বুলি হাঁহাকাৰ লাগিছিল। ৰাতি ৮ মান বজাত আমি হোষ্টেল গৈ পাওঁতেহে সকলোৰে মুখলৈ পানী আহিছিল। ইতিমধ্যে সন্ধ্যা প্ৰাৰ্থনাৰ সময়ত অধীক্ষিকা বাইদেৱেও গম পালে আমি নথকাৰ কথা। হোষ্টেলত সোমায়েই আমাৰ বাঘৰ মুখত পৰা যেন অৱস্থা। ভয়তে অহাবাছখন বেয়া হ'ল বুলি মিছা মাতিছিলো যদিও ধৰা পৰি গ'লো। তেওঁ ক'লে — "গুৱাহাটীত বহুত চিটিবাছ চলে। তোমালোকে নিশ্চয় ফাঁকি দিছা আৰু আজিৰ পৰা এনেকুৱা নকৰিবা।" ভয়ে ভয়ে আহি ৰূম পাইহে আচল কাহিনী খুলি ক'লো।

হোষ্টেলৰ প্ৰেমলতা বায়ে শিৱপূজা দেখাই নাই আৰু ভাঙৰ লাৰু খাই

পোৰা নাই। সেইবাবে মই আৰু কেইজনীমান লগলাগি শিৱপূজাৰ দিনা ওচৰৰ শিৱ মন্দিৰ এটালৈ গ'লো। তাতে তেওঁৰ ভাঙৰ লাৰু আৰু ঘুটা খাই নিচা লাগি অৱস্থা নোহোৱা হ'ল। আমাৰো অলপ নিচা লাগিছিল যদিও কোনোমতে হোষ্টেললৈ আহিলো। হোষ্টেলত তেওঁ নাটক আৰম্ভ কৰি দিলে। আবোল তাবোল কথা, চিএঞৰ বাখৰ, বাথৰুমত সোমাই বহি থাকে। আমাৰ ভয়ত তত্ নাই। অৱশেষত কাৰোবাৰ পৰামৰ্শমতে তেঁতেলি পানী খোৱাইহে তেওঁক কোনোমতে সুস্থ কৰিছিলো।

এদিন আকৌ দুপৰীয়া বাৰমান বজাত খৱৰ আহিল প্ৰণতি বাইদেউক চাবলৈ এজন ভূগোলৰ অধ্যাপক আহিছে (প্ৰফেচাৰ অৱনী ভাগৱতী)। গতিকে তেওঁ মেইনৰোডলৈ ওলাই আহিব লাগে। কি কৰা যায় প্ৰণতি বাইদেৱে তেতিয়ালৈকে গায়ে ধোৱা নাই। অৱশ্যে তৎক্ষণাত সাজি কাচি মই ৰুমটোৰ সৰু বুলি মোৰ লগতে বাক পঠাই দিলে। সৌভাগ্যৰ কথা তেওঁলোকৰ বিয়াখনত আমি সকলোৱে আনন্দ কৰিলোঁ। আজিও তেওঁলোকৰ লগত সুসম্পৰ্ক চলি আছে।

হাঁহি-ধেমালীৰ সেইদিনবোৰ আজিও স্মৃতিৰ মনিকোঠাত সজীৱ হৈ আছে আৰু সদায়ে থাকিব। নতুন বছৰৰ আদৰণি অনুষ্ঠান, নৱাগত আদৰণি সভা, পুৰণি আৱাসী সকলৰ বিদায় অনুষ্ঠান, ল'ৰা হোষ্টেলত পতা তৰ্ক প্ৰতিযোগীতা, মেছৰ বজাৰ কৰাৰ অভিজ্ঞতাবোৰে আমাক বহুতো কথা শিকালে। বসন্ত দা, ফুকনদা, কালিচৰণকা, নীভাবা, মিনাক্ষী বা, নিহাৰীকা বা, দীপিকা বা, মেঘালী বা, গৌৰি বা আদিৰ সহযোগীতা, আন্তৰিকতাৰ কথা হয়তো কেতিয়াও অন্তৰৰ পৰা মচিব নোৱাৰিম।

আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ শিক্ষক ড০ অমৰ শইকীয়া চাৰৰ লগত লগা ধেমেলীয়া কাজিয়া, গোপ চাৰৰ গালি "তুৰা কি কৰছচ!" দেহুৰ চাৰৰ উৎসাহ ভৰা ভাষণ দিলিপ শৰ্মা চাৰ আদিৰ শিক্ষাদান গোটেই জীৱনজুৰি মনত থাকিব আৰু সেইয়া আমাৰ জীৱনৰ আশীৰ্বাদ।

সহপাঠী প্ৰিয়ংকা, অনিমা, ভাস্কৰ, টিটো, পিণ্টু, বিপুল, বাসৰী, নীলমণি আদিৰ লগত কটোৱা সময়বোৰ আজিও স্মৃতিৰ এখিলা সুন্দৰ পাত।

অৱশেষত মই এই ছাত্ৰীনিবাসৰ, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ দীৰ্ঘায়ু, সুখ্যাতি, সুপৰিৱেশ কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো।

(লেখিকা ঃ ড° লভিতা শৰ্মা, প্ৰাক্তন ছাত্ৰী, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়। বৰ্তমান জাগীৰোড মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা।)

□□□

# স্মৃতি ৰোমন্থন



দিপীকা মেধি

দুটা যুগৰো অধিক কাল পাৰ হ'ল। তথাপি মানসপটত কিছুমান মুহুৰ্ত আজিও জিলিকি আছে। আবাসৰ দিনবোৰ মনত আহিলে সদায় এক উলাহ আৰু স্নেহভৰা স্পন্দন মোৰ অন্তৰৰ নিভৃত কোণত অণুৰণিত হয়। কোৱা হয় আবাসৰ জীৱন অবিহনে শিক্ষা আধৰুৱা হয়। সেইবাবে ছাত্ৰীনিবাসৰ প্ৰতি কৃতজ্ঞতা জনোৱাৰ এয়া সামান্য প্ৰয়াস।

আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ পৰা অলপ আঁতৰত সোঁফালেৰে যোৱা পথৰ দাঁতিত এটা সৰু ছাত্ৰীনিবাস। চাৰিওফাল মেটেকাৰ মাজত থকা ছাত্ৰীনিবাসটো পথৰ লগত সংলগ্ন হৈছে এখন কাঠৰ দলঙেৰে। সেইটো পথতে অলপ নিলগত আমাৰ লোকগীতৰ জনক ৰামেশ্বৰ পাঠক ডাঙৰীয়াৰ বাসভৱন আছিলে।

ছাত্ৰীনিবাসৰ প্ৰৱেশ দুৱাৰত সোমাই শ্যাম বৰণীয়া অৰ্ধ বয়সৰ মানুহ এজনক লগ পালো। প্ৰতিগৰাকী বাসিন্দাৰ কোঠালীৰ পথ প্ৰদৰ্শক।

আবাসগৃহৰ প্ৰতিটো কোঠাৰ বেৰত হয়তো আজিও এতিয়াও নামটো প্ৰতিধ্বনিত হৈ আছে কাৰণ এনেকুৱা এগৰাকী বাসিন্দা নাছিলে যিজনীয়ে দিনটোত এবাৰ হ'লেও কালিচৰণ কা-আ-আ-ই নতুবা কালিচৰণ কা-ই-ই বুলি মতা নাছিল। একো খং ৰাগ নাই, এলাহ নাই, অক্লান্ত শৰীৰেৰে কোনোবাই মাতিলে মুহূৰ্ততে হাজিৰ হয়।

অলপ নষ্টালজিক হৈ গ'লো। কিমান যে স্মৰণীয় কথা আছে। কোনটোৰে আৰম্ভ কৰো।

প্ৰথম দিনাই স্মিতাবাৰ পৰা যিটো জ্ঞান পালো আজিলৈকে প্ৰয়োগ কৰি আছো। তেওঁ মোক যে খাবলৈ দিওঁতে নাখাও বুলি কোৱা বাবে বৰ বেয়া পালে, ব্যৱহাৰ নাজানো বুলি যি তিৰস্কাৰ কৰিলে আজিও কোনোবাই কিবা খাবলৈ দিলে খাবলৈ মন নগ'লেও নাখাও বুলি নকওঁ। ৰূমমেট মামনিবাক দিয়াশলাইৰ পেকেটটো হাতে হাতে নিদিয়াকৈ দলিয়াই দিলো ফলস্বৰূপে পোৱা জ্ঞান আজিও জীৱনৰ প্ৰতিটো ক্ষণতে মনতে ৰখাই নহয় প্ৰয়োগো কৰি আহিছো। অৱশ্যে জ্ঞান দান পদ্ধতিটো বহুত কঠোৰ আছিল। শেষ হোৱা কলগেটৰ পেকেটৰ পৰাও অতি কমেও এসপ্তাহ চলাব পৰা প্ৰশিক্ষণো তেওঁৰ পৰাই শিকিলো।

বঙাইগাঁৱৰ ছোৱালী বুলি সঞ্জীৱদাই যে ছাত্ৰাবাস (Boys Hostel)ৰ পৰা মোক লগ ধৰিব আহিছিল তাৰেই নিজৰ থকা ঠাইৰ প্ৰতি থকা মৰম-চেনেহ আকৰ্ষণৰ বহিঃপ্ৰকাশ ঘটে।

মই ছাত্ৰীনিবাস (পঢ়া সমাপ্তৰ পিছত) এৰি অহাৰ পিছত নিভাই যে মোলৈ চিঠিত লিখিছিল—"জানানে দীপিকা বা, সেই যে হোষ্টেলৰ সন্মুখত অশালীনতা দেখুওৱা মানুহজন - সেইজনক ছাত্ৰাবাসৰ ল'ৰাই আহি উত্তম মধ্যম সধালে। আজিকালি সেই অসভ্যটোক দেখা নাপাওঁ।" এই কথাটোৱে প্ৰমাণ কৰে ছাত্ৰাবাসৰ ল'ৰাবোৰে আমাৰ (ছাত্ৰীসকলৰ) নিৰাপত্তাৰক্ষীৰ দৰে আছিল।

আমাৰ ছাত্ৰীনিবাসটো কংক্ৰিটৰ দেৱালয়ৰ মাজত নাছিল যদিও কোনো ধৰণৰ চোৰ বা অপশক্তিয়ে একো অন্যায় কৰিব পৰা নাছিল একমাত্ৰ তেনেই নিলগত থকা ছাত্ৰনিবাসৰ (Boys Hostel) কাৰণে।

অৱশ্যে ল'ৰামতীয়া দুষ্টালি যে নাছিল এনে নহয়। তৃতীয় বছৰত সেয়েহে সুচীত্ৰা বাইদেউৱে আমাৰ ৰুম (কোঠালী) বোৰৰ সাল-সলনি কৰি ছাত্ৰাবাসৰ (Boys Hostel) ফালে থকা খিৰিকিৰ ফালে শান্ত ছোৱালীবোৰক থাকিব দিলে। অৱশ্যে তাৰে এগৰাকী এই অভাগাও আছিলো।

কপালত এটা ডাঙৰ সেন্দুৰৰ ফোট আৰু মেখেলা-চাদৰ পিন্ধি মহাবিদ্যালয়লৈ যাওঁ। দেখিলেই সকলোৰে গম পায় ছাত্ৰীনিবাসৰ বাসিন্দা।

ছাত্ৰীনিবাসৰ পৰম্পৰা আছিলে পৰীক্ষা দিবলৈ যাওঁতে প্ৰতিগৰাকী পৰীক্ষাৰ্থীক আশীৰ্বাদ দিয়াৰ নিমিত্তে গেটৰ কাষত অইন ছাত্ৰীবিলাক ধুপ, চাকি, সেন্দুৰ লৈ থিয় হৈ থাকে। ভাবিলে আপ্লুত হৈ যাওঁ। কিবা যেন এটা অদ্ভুত বন্ধন আছিল। অসমৰ বিভিন্ন প্ৰান্তৰৰ পৰা অহা বিভিন্ন জাতি ধৰ্মৰ বাসিন্দা তথাপি সকলোৰে মাজত সুহৃদয়তা গঢ়ি উঠিছিল। এজনীৰ বিপদত আটায়েই একগোট হৈ যায়। মই যে ফ্লাক্সৰ পৰা পানী খাবলৈ লওঁতে গৰম পানী গালেৰে বাগৰি গ'ল। লগে লগে কোনোবাই Doctor মাতিলে কোনোবাই লৰালৰিকৈ জলকীয়া গুড়ি কৰা পটাখনত আলু গুড়ি (পেষ্ট) বনাই আনি লগালে। কিযে ভাল লগা মুহূৰ্তবোৰ আছিল। সেই সময়ত ৰাম জনমভূমি/বাবৰি মছজিদ ধ্বংস হৈছিল। চাৰিওফালে হুলস্থূলীয়া পৰিৱেশ কিন্তু ইয়াৰ প্ৰভাৱ আমাৰ ছাত্ৰীনিবাসৰ তিলমাত্ৰও পৰা নাছিল।

ৰাতি মধুস্মিতাবাৰ ৰুমত জ্যেষ্ঠ আৰু নৱাগতাৰ চিনাকী পৰ্ব। নিজৰ পৰিচয় দিয়াৰ লগে লগে প্ৰতিগৰাকী বা-ৰ পৰিচয় ল'ব লাগিব এটি বিশেষ ভংগিমাৰে নাচি নাচি শুধিব লাগিব। বাইদেউ - বাইদেউ আপোনাৰ নামটো কি কওঁক-কওঁক-কওঁক। এই কওঁক-কওঁক কোৱাৰ মুহূৰ্তত হাতখন বা-জনীৰ মুখৰ সন্মুখত লৈ সাপে খুটাৰ দৰে কৰিব লাগে। হাঁহি সামৰিব নোৱাৰিলে হ'ল আৰু

কথা বিষম। সেই সময়ত ডালডাৰ বহুত প্ৰচলন আছিল। ডালডাৰ টেমাটো বিশেষ ভংগিমাৰে প্ৰেমিক হিচাপে লৈ প্ৰেমৰ প্ৰস্তাৱ আগবঢ়াব লাগে। মই আছিলো এখন Typical গাঁৱৰ ছোৱালী। এনেকৈ মুকলি-মূৰীয়াকৈ প্ৰেমৰ কথা কওঁতে কাণ-নাক ৰঙা পৰিছিল। সেই মুহূৰ্তত সীতা সতীৰ দৰে ক'বলৈ মন গৈছিল — ফাট মেলা বসুমতী পাতালে লুকাওঁ।" তাতে আকৌ ভূতৰ ওপৰত দানহ্ পৰাদি কোনোবা এগৰাকী ক'লে (হয়তো মোৰ অৱস্থাটো বুজিব পাৰিছিল) এটা গোৱালপৰীয়া লোকগীত গোৱা - এইবাৰ মধুস্মিতাবাৰ বাক্যবাণ কাৰণ গোৱালপৰীয়া হৈও মই চেংৰি (ছোৱালী) উচ্চাৰণ ভালকৈ কৰিব নোৱাৰিলে।

গুলচনবাই শিকাই দিয়াৰ দৰে hobby ফুল চুল কওঁ বুলি কোৱাৰ লগে লগে চাৰিওফালৰ পৰা চিঞৰে আৰৰি ধৰিলে চুল-কি-হা - চুল-কি? ফুল বাৰু বুজি পালো চুল কি কি কোৱা ক'বই লাগিব। আনফালৰ পৰা আৰু এটা প্ৰশ্ন বাৰু বাৰু সদায়তো ফুল নোৰোৱা আৰু কি কৰা? চিলাই কৰো বুলি কৈ যিহে বিপদত পৰিলো পিছদিনা ৰাতিপুৱা এখন শাৰী চিলাবলৈ দিয়া হ'ল। জীৱনত প্ৰথমবাৰ ইমান ডাঙৰ কাম এটা কেৱল ভগৱানক স্মৰণ কৰিয়েই সমাপ্ত কৰিছিলো। অৱশ্যে শাৰীখন ওভতাই নিবলৈ আহি অতি মৰমেৰে চকলেট এটা দিছিলে।

আৰু যে কত কি ঘটনা! ভূপেন হাজৰিকাদেৱক দাদা চাহেব ফাল্কে বঁটা প্ৰদানৰ কেইদিনমান পিছতে আমাৰ ৰূমৰ দুৱাৰমুখত Welcome বুলি লিখি দিলো। কাৰণ প্ৰতিটো ৰূমৰ দুৱাৰত Don't Disturb বুলি লিখা থাকে। সেইদিনা আমাৰ ৰূমলৈ আবাসীৰ সোঁত ইমানেই হৈছিল যে সেইদিনা ৰাতি বেবীবাৰ (পিছলৈ বিলাসীপাৰা সমষ্টিৰ MLA হ'ল) আচল নাম গুল আখ্তাৰাৰ পৰা ভাল গালি খালো।

ৰুণুৰ ৫০০ টকীয়া নোট এটা হেৰাল। গোটেই ছাত্ৰীনিবাসৰ হুলস্থূল লাগি গ'ল, কিন্তু এনেকুৱা সৎ চোৰ যে অলপ পিছতে নোটটো ৰূমত পেলাই থৈ

আহিল। তেতিয়াৰ ৫০০ টকা এতিয়াৰ ১৫০০০ ৰ সমতুল্য।

আজিৰ পৰা নজ্বলাও বাইদেউ বুলি বিনম্ৰভাৱে কওঁ কিন্তু ৰাতি হ'লে দিনৰ প্ৰতিজ্ঞা পাহৰি ওৰে ৰাতি জ্বলাই থৈ দিও Tube Light টো।

আমি আবাসীবোৰ ইমানেই আৱেগিক আছিলো যে গণিত শাস্ত্ৰৰ শিক্ষক মাধৱ গোস্বামী ছাৰৰ পৰলোক প্ৰাপ্তিৰ সময়ত আমি মহাবিদ্যালয়ৰ পৰা ভূতনাথলৈ পদযাত্ৰাৰ শোভাত অংশগ্ৰহণ কৰিছিলো। আবাসী জীৱনৰ স্মৃতি বুলি ক'লে - চাগে লানি নিচিঙা পৰুৱাৰ সোঁত বৈয়ে থাকিব।

সুস্মিতাবাহঁতৰ বিদায় সভাত সুস্মিতাবাক লৈ গোৱা গানটো আছিল এনে ধৰণৰ —"সুস্মিতা বাক লৈ কি কৰো, মুখখন কেনেকৈ বন্ধ কৰো। নুবুজা ভাষাৰে (বেংগলী) কিনো বক্ বক্ কৰে। মাৰো কাটো কাটো মাৰো.........।"

প্ৰতি বছৰে দেৱানন্দ শইকীয়া ছাৰৰ স্মৃতি দিৱস উদ্‌যাপন, নৱাগতা/নৱাগতৰ আদৰণি সভা জ্যেষ্ঠৰ বিদায় সভা সৰস্বতী পূজা আদিকে ধৰি বহুত ঘটনাৰাজিকে জীৱনৰ তিনিটা বসন্ত যে কেনেকৈ পাৰ হ'ল ক'বই নোৱাৰিলো।

তাৰেই মাজৰে এটি অতি মৰ্মান্তিক ঘটনাৰ বিষয়ে মনত পৰোতে গাটো আজিও এবাৰ জিকাৰ খাই গ'ল। এক দুৰ্ভাগ্যজনক আৰু বেদনাদায়ক ঘটনাৰ সন্মুখীন হৈছিলো। কিযে কৰুণ দৃশ্য! কিযে ভণ্ডামী! বিশ্বাসক বিশ্বাসঘাতক কৰিলে। আগদিনা সুস্থ সৱল অৱস্থাত জীৱনসংগীৰ লগত সান্ধ্য ভ্ৰমণ কৰি অহা আমাৰ ছাত্ৰীনিবাসৰ তত্ত্বাৱধায়ীকা (Hostel Supdt.) অন্তঃসত্তা ভানুমতী চৌধুৰী বাইদেউৰ পিছদিনা ৰাতিপুৱা অকস্মাতে চিৰদিনৰ বাবে উভতি নহা পথেৰে গুচি গ'ল। আমি আটায়ে শোকত ভাগি পৰিছিলো। বাইদেউৰ শৱদেহ পৰীক্ষাৰ পৰা সাধাৰণ মৃত্যু নহয় বুলি প্ৰতিপন্ন হৈছিল। তেখেতৰ মৃত্যুৰ দিনা ৰাতি ছাত্ৰাবাসৰ তত্ত্বাৱধায়কে ধৰি ছাত্ৰীনিবাসৰ কৰ্মচাৰীবৃন্দ কালিচৰণ কাই, অজিত দা, বসন্ত দা, অৰুণকাই কৰিডৰত শুই আমাক সাহস যোগাইছিল। ভানু বাইদেউৰ পিছত সুচিত্ৰা বাইদেউক পালো। তেখেত বৰ সাহসী আৰু অসাধাৰণ

ব্যক্তিত্বৰ আছিল। তেখেতে ন-পুৰণি আবাসীৰ চিনাকীপৰ্বটো অলপ সহজ কৰি তুলিছিল। তেখেতৰ তত্ত্বাৱধানত আৰু এটা বছৰ কাল ভালদৰে কটালো।

ভানু বাইদেউৰ আত্মাই চিৰশান্তি লাভ কৰক। এই ছেগতেই তেখেতলৈ অশ্ৰুঅঞ্জলী যাঁচিলো।

পৰিশেষত ভানু বাইদেউ আৰু সুচিত্ৰা বাইদেউৰ চৰণত প্ৰণিপাত জনাইছো। লগতে মোৰ আবাসী জীৱনৰ স্মৰণৰ সুবিধা কৰি দিয়াৰ বাবে মৰমৰ ভনীটি নিভাক ধন্যবাদ জ্ঞাপন কৰিছো।

(লেখিকা ঃ শ্ৰীদিপীকা মেধি, প্ৰাক্তন ছাত্ৰী, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়। বৰ্তমান ৰাজধৰবৰা হায়াৰ ছেকণ্ডাৰী স্কুলৰ শিক্ষয়িত্ৰী, আজাৰা, গুৱাহাটী।)

□□□

# আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰীনিবাস ঃ স্বৰ্ণিল স্মৃতিৰ বৰ্ণিল দস্তাবেজ



ড° নীভা ৰাণী দেৱী

স্মৃতি এটা অনুৰণনকাৰী শিহৰণকাৰী শব্দ। ই নিবিড় সম্পৰ্ক গঢ়ে আমাৰ সৈতে যাৰ অবিহনে ছন্দহীন হয় বৰ্তমান আৰু ধূসৰ হয় ভৱিষ্যতৰ স্বপ্নময় পথ। সেয়েহে হয়তো আমাৰ শ্ৰদ্ধাৰ ড° বিৰিঞ্চি কুমাৰ মেধি ছাৰে কৈছে— "স্মৃতি তেনেকুৱাই, ই নিঃশব্দে ধীৰে ধীৰে বাঢ়ি যায়। ধন, বৈভৱ, স্বাস্থ্য, পৰাক্ৰম ক্ৰমে ক্ৰমে হ্ৰাস পায়। কিন্তু স্মৃতিৰ আছে এক সৰ্বত্ৰসঞ্চাৰী দুৰ্দমনীয় গতি, ই অৱলীলা ক্ৰমে বিভিন্ন প্ৰান্ত ভ্ৰমি চয়ন কৰে ক'ত ঘটনা পৰিঘটনাৰ সবিশেষ আৰু সেই বিপুল সম্ভাৰ সীমিত বুকুৰ মাজত সামৰি-সুতৰি মানুহে ওৰেটো জীৱন অতিবাহিত কৰে।" সঁচাকৈয়ে ছাৰৰ কথাখিনিয়ে হিয়া মন চুই যায়।

মোৰ স্মৃতিৰ পাতনিতে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আৰ্য্যপিতা স্বৰ্গীয় গিৰিধৰ শৰ্মাদেৱক শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছো। আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰীনিবাসৰ কথা মনলৈ আহিলেই অনুভৱ কৰো এক মৃদু শিহৰণ - আলোড়িত হয় মন প্ৰাণ কিয়নো ইয়াতেই খোদিত হৈছে মোৰ

জীৱনৰ স্বৰ্ণিল কালৰ এক বৰ্ণিল অধ্যায়। আৰ্য্য বিদ্যাপীঠ নামটোৰ সৈতে মোৰ আত্মীয়তা গঢ়ি উঠিছিল মই হাইস্কুলত পঢ়ি থকা সময়তে। মোৰ দাদা শ্ৰীভূষণ চন্দ্ৰ শৰ্মা এই মহাবিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ ছাত্ৰ আছিল। দাদাৰ লগৰ সন্ধ্যা বাইদেউহঁত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীনিবাসৰ আবাসী আছিল। সেই সূত্ৰে দাদাই হোষ্টেলীয়া জীৱনৰ কিছু আভাস পাইছিল আৰু মোক আৰু ভণ্টিক হোষ্টেলত ৰাখি পঢ়ুৱাবলৈ পিতাক সৈমান কৰাইছিল।

ভূতত্ব বিষয়ক মুখ্য বিষয় হিচাবে লৈ মোৰ স্নাতক প্ৰথম বৰ্ষত নামভৰ্তি প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাত দাদাৰ লগত হোষ্টেল চাবলৈ গৈ পিতনিৰ মাজত এখন কাঠৰ দলঙেৰে সংলগ্ন দেৱালবিহীন ছাত্ৰীনিবাসটো দেখি মনে মনে ভয় খালো যদিও দাদাৰ বেয়া লাগিব বুলি মুখ ফুটাই একো নক'লো। ইয়াৰ আগতে উচ্চতৰ মাধ্যমিক পঢ়োতে কটন মহাবিদ্যালয়ৰ ছাত্ৰীনিবাসত আছিলো আৰু দুয়োটা নিবাসৰ একো সামঞ্জস্য পৰিলক্ষিত নোহোৱাত অলপ থমকি ৰৈছিলো।

যাহওঁক যথাসময়ত দাদাক লগত লৈ ছাত্ৰীনিবাসত উপস্থিত হ'লো। ধূতি কামিজ পৰিহিত চুটি চাপৰ শ্যাম বৰণীয়া মানুহ এজনে এটা দীঘলীয়া সাক্ষাৎকাৰৰ অন্তত তদানীন্তন অধিক্ষীকা ভূগোল বিভাগৰ শ্ৰদ্ধেয়া স্বৰ্গীয়া ভানু চৌধুৰী বাইদেউৰ নিৰ্দেশত মোক দ্বিতীয় মহলাত থকা দীঘল টিনৰ চালিৰ একমাত্ৰ হল ঘৰটোত এখন বিছনা দেখুৱাই দিলে। নৱাগতাসকলক হেনো প্ৰথমে সেই বিশেষ গৰালটোত (?) ৰখা নিয়ম। পিছত বিশেষ চিনাকি পৰ্বৰ যোগেদি তলৰ ৰূমত থকা senior বাইদেউ সকলে নিৰ্বাচন কৰি নিজৰ ৰূমমেট হিচাবে বাচনি কৰাৰ অধিকাৰ আছিল। সদায় ৰাতি তলত ডাইনিং ৰূমত ডিনাৰ কৰি বাইদেউসকল ওপৰলৈ আহে আৰু আমাক HC (Hot Chamber গৰাল ...... ইত্যাদি)ৰ বাহিৰলৈ মাতি আনি চিনাকি পৰ্ব সম্পন্ন কৰা হয়। তেখেতসকলক সন্তুষ্ট কৰাব নোৱাৰিলে শাস্তি হিচাবে কৰিবলগীয়া কামবিলাক আছিল—আইনাৰ সন্মুখত নিজকে চাই থকা, এবাৰো বন্ধ নকৰাকৈ যিমান গান জানো গাই থকা ইত্যাদি। ছিনিয়ৰক সন্তুষ্ট কৰিবলৈ আজৰি সময়ত জেলেপি নৃত্য আৰু খজুৰতি নৃত্যৰ অনুশীলন কৰাটো

অভ্যাসত পৰিণত হ'ল। প্ৰথম দিনা ৰাতি ১০.০০ বজাৰ পৰা ১১.০০ বজালৈ আইনাত নিজৰ মুখখন চাই থাকিব লগাৰ ভয়ত যি মুখত থাকে তাকে গাই থাকিলো। এনেকৈয়ে উৎকত গৰমক নেওচা দি আমি লাহে লাহে একাত্ম হ'লো। পিছে এদিন সৌভাগ্যক্ৰমে এটি বিশেষ চিনাকি পৰ্বৰ যোগেদি মই ৫ নং ৰুমৰ সুস্মিতা বা (সুস্মিতা বেনাৰ্জী) আৰু ঊষাবাৰ ৰুমমেট হিচাবে মনোনীত হ'লো। দুয়োজনীয়ে বৰ মৰম কৰিছিল মোক। পিছত লাহে লাহে নিৰুপমা আৰু প্ৰেমলতাও মোৰ ৰুমমেট হৈ তলত নামিল। জোনালী মোৰ wall মেট হ'ল। মিনাক্ষী, পাৰমিতা, নন্দিনী হ'তেও নিজৰ নিজৰ ৰুম পালে। কাঠৰ দলংখনে আমাৰ বুকুত ঠাই পালে। তিনিওফালে আগুৰি থকা পিতনিখন যেন ধুনীয়া ফুলাম বাগিছা হ'ল। মুঠতে আমাৰ সকলো ভাল লগা হ'ল। ছাত্ৰীনিবাসৰ কৰ্মচাৰীসকল যেন আমাৰ নিজৰ পৰিয়ালৰে এজন যেন হৈ পৰিল। এনেদৰে কলেজীয়া আৰু হোষ্টেলীয়া পৰিক্ৰমা অতি সুন্দৰভাৱে অতিবাহিত হোৱাৰ কিছুদিন পাছত এটা অঘটন ঘটিল।

সেইদিনা আছিল ১৯৯১ চনৰ ২৬ নৱেম্বৰ। আমি ৰাতিপুৱাৰ ৯.৩০ বজাৰ ক্লাছৰ বাবে সাজু হৈছো। মই মোৰ লগৰ মধুস্মিতাৰ লগত চিৰিয়েদি তললৈ নামি আছিলো। তেনেতে গ্ৰাউণ্ড ফ্লৰ'ৰ পৰা এজন পুৰুষৰ কণ্ঠস্বৰ ভাঁহি আহিল—"তোমালোক ক্লাছত যাব নেলাগে। তোমালোকৰ Madam expired কৰিলে। পিছত গম পালো তেওঁ হেনো আমাৰ হোষ্টেলৰ ডাক্তৰ। হোষ্টেলত হুৱা-দুৱা লাগিল। কণমানি "মিচিক" লৈ বৰ বেয়া লাগিল। ভানু বাইদেউৰ চাৰিবছৰীয়া ল'ৰা "মিচিক" আমাৰ সকলোৰে মধ্যমণি আছিল। বাইদেউক অৱশ্যে কথা-বতৰা পতা দেখা নাছিলো। বাইদেউৰ হেনো নিজৰ কোঠাৰ ভিতৰতে পৰলোকপ্ৰাপ্তি ঘটিল। মৃতদেহটো যেতিয়া কোঠাৰ পৰা উলিয়াই ভিজিতিং ৰুমত ৰাখিলে। আমি সকলোৰে কান্দোনত ভাগি পৰিছিলো। আমাৰ তৃতীয় বাৰ্ষিকৰ লিপিকা বা, দীপা বা, ৰীতা বা, সুস্মিতা বা, ময়ুৰী বাহঁতে বাইদেউক অন্তিম যাত্ৰাৰ বাবে সাজু কৰাৰ সেই হৃদয় বিদাৰক দৃশ্য মই কোন স'তে পাহৰিম? বাইদেউৰ ডিঙিত দুটা ক'লা দাগ দেখি লিপিকাবাই আতঙ্কত মৰা চিঞঁৰটো যেন এই মূহুৰ্ততো মোৰ বুকু ভেদ কৰি সোমাই আহিছে।

মৃত্যুক চিৰন্তন সত্য বুলি মানি লোৱাৰ বাহিৰে অন্য উপায় আমাৰ নাছিল। বাইদেউক খুব কম সময়ৰ পোৱা বাবে ভালকৈ বুজিব নোৱাৰিলেও তেখেত যে বৰ নিৰ্জু স্বভাৱৰ আছিল সেয়া সহজেই অনুমেয়। দৰকাৰী কথা কেইটাৰ বাহিৰে অন্য কথা কোৱা মনত নপৰে। বাইদেউক শেষ শ্ৰদ্ধা জ্ঞাপন কৰি অনুভৱ কৰিলো আমি যেন মাতৃহাৰা হ'লো। ছোৱালীবোৰৰ মাজত চিন্তাৰ খেলি-মেলি আৰম্ভ হ'ল। হোষ্টেলত থাকিম নে নেথাকিম সিদ্ধান্তত আউল লাগিল। সেই সময়ত মোবাইল ফোনৰ সুবিধা নাছিল। কিছুমান অভিভাৱকে গম পোৱা নাছিল আৰু কিছুমানে গম পাই ছোৱালী ঘূৰাই নিবলৈ আহিছিল। আবেলি পৰত আমাৰ শ্ৰদ্ধাৰ দীন বৰ্মন ছাৰ, ৰমানন্দ ৰাজবংশী ছাৰ আকৌ হোষ্টেললৈ আহিল। ৰাজবংশীছাৰক আমাৰ ছাত্ৰাবাসৰ তদানীন্তন অধীক্ষক হোৱা বাবে ছাত্ৰীনিবাসৰ ভাৰপ্ৰাপ্ত অধিক্ষীকৰ অতিৰিক্ত দায়িত্ব অৰ্পণ কৰা হ'ল। দীন বৰ্মন ছাৰে পিতৃসুলভ কতৃত্বৰে ছোৱালীবোৰক মাতি আনি ক'লে "কোনো ক'লৈকো যাব নেলাগে। আমি ইয়াত থাকিম। তোমালোকে তলৰ এটা ৰূম খালী কৰি দি ওপৰত শোৱা ব্যৱস্থা কৰা। কথামতে কাম হ'ল। আমি আমাৰ ৫ নং কোঠাটো ছাৰসকলৰ বাবে ঠিক ঠাক কৰি দি ওপৰত শুলো। বাথৰূমৰ পৰা অহা বেয়া গোন্ধটোৱে যাতে ছাৰসকলক অস্বস্তিত পেলাব নোৱাৰে তাৰ বাবে ছিনিয়ৰ বাইদেউসকলে পাৰফিউম ছটিওৱা দৃশ্যটো এতিয়াও মনত পৰে। কিছুদিন পিছত আমি নিজৰ ৰূমত শুব পৰা হ'লো। মিচিকৰ অভাৱ আমি বৰকৈ অনুভৱ কৰিলো। আমাৰ অতি মৰমৰ মিচিক নিথৰুৱা হ'ল - এই কথাটো আমি কোনেও মানি ল'ব নোৱাৰিলো। এই মুহুৰ্তটো মই চাৰিবছৰীয়া মিচিকৰ নিষ্পাপ মুখখন পাহৰিব পৰা নাই।

এনেকৈয়ে সময় বাগৰিল। ১৯৯১ চনত ডিচেম্বৰ মাহত হিন্দী বিভাগৰ অধ্যাপিকা ড° সুচিত্ৰা পাঠক বাইদেউৱে অধিক্ষীকাৰ কাৰ্যভাৰ গ্ৰহণ কৰে। বাইদেউ অতি দৃঢ় মনা আৰু strict আছিল। তেখেতে নিয়মানুবৰ্তিতা আৰু কৰ্তব্যপৰায়ণতাৰে এক সুশৃংখল আৰু সুস্থ শৈক্ষিক পৰিৱেশ গঢ়িবলৈ তৎপৰ হৈছিল আৰু সফলো হৈছিল। তেখেতৰ তত্বাৱধানত আমাৰ দিনবোৰ বৰ ভালদৰে অতিবাহিত হ'ল। পঢ়া-শুনাৰ লগতে হাঁহি স্ফুৰ্তি, খেল-ধেমালি

পুৰাদমে চলিছিল। সন্ধিয়া ৬ বজাত কালীচৰণ কাইৰ বেলৰ শব্দত সকলোৱে কৰিডৰত একগোট হৈ সৰস্বতী দেৱীৰ প্ৰাৰ্থনা জনাই পঢ়া-শুনা কৰি ৯ বজাত আকৌ কালীচৰণ কাইৰ বেলত নিজৰ কাঁহী-বাতি হাতত লৈ ডাইনিং হল পাইছিলো। ৰাতি ভাত খোৱা সময়খিনি আমি বৰ আনন্দেৰে কটাইছিলো। তাৰ পিছত ৰাতি বহু দেৰিলৈ আড্ডা জমিছিল। হোষ্টেলত গতানুগতিক ভাৱে নৱাগত আঁদৰণি সভা, সৰস্বতী পূজা, বিদায় সভা আদিৰ লগতে সকলো ধৰণৰ তিথি উৎসৱ পালন কৰিছিলো। মুঠতে অধীক্ষিকা বাইদেউ, ৬০ গৰাকী আবাসী, কালীচৰণকাই, অৰুণকাই, বসন্তদা, গৌৰীদা আৰু ফুকনৰ সৈতে আমাৰ এটা ডাঙৰ পৰিয়াল। অজিত দা আৰু অতুল দাও আমাৰ পৰিয়ালৰ সদস্য আছিল। বাইদেউৰ সৰু ল'ৰাটো আমি থকা সময়তে জন্ম হৈছিল। তাৰ আধাফুটা কথাবোৰে আমাক বৰ আমোদ দিছিল। বাইদেউৱে আমাক প্ৰায়ে কৈছিল - "তোমালোকৰ এইখিনি সময় জীৱন গঢ়াৰ সময়। সেয়ে ভালদৰে পঢ়া-শুনা কৰিবা। পঢ়া-শুনা কৰি যেতিয়া আত্ম প্ৰতিষ্ঠা লাভ কৰিবা সুখ-স্বাচ্ছন্দ তোমালোকৰ ভৰিৰ তলত পৰিব।" বাইদেউৰ এনে কথাবোৰে আমাক অনুপ্ৰাণিত কৰিছিল। সম্পূৰ্ণ ঘৰুৱা পৰিৱেশত আমি সকলোৱে আন্তৰিকতাৰ ডোলেৰে বান্ধ খাই আছিলো। সেই সময়ৰ গৌৰী দা (এতিয়া আমাৰ মহাবিদ্যালয়ৰ বিভাগীয় সহায়কাৰী হিচাবে কৰ্মৰত) মূল ৰান্ধনি আছিল। অজিত দা, ফুকনহঁতে সহায় কৰি দিছিল। গৌৰী দাৰ হাতৰ তিতা কেৰেলা ভাজি আজিও মুখত লাগি আছে। বসন্তদা (বৰ্তমান আমাৰ অধ্যক্ষ মহোদয়ৰ সহায়ক হিচাবে কৰ্মৰত) আছিল সকলোৰে বিশ্বস্ত সাৰথি। অফিচৰ লগত জড়িত সকলো কাম বসন্তদাই নিয়াৰিকৈ কৰি দিছিল।

সকলো আবাসীৰ লগত আমাৰ সদ্ভাৱ আছিল যদিও একে শিক্ষা কৰ্মৰ মীনাক্ষী, লখিমী, পাৰমিতা, শিবানী, মধুস্মিতা, লীমা, নিৰুপমা, প্ৰেমলতা, জোনালী, লতিকাহঁতৰ লগতে অলপ ঘনিষ্ঠতা বেছি আছিল। সৰুবোৰৰ ভিতৰত বৰ্ণালী, লভিতা, সঙ্গীতা, গীতু, তাজকিয়াৰ লগত খুব স্ফূৰ্তি কৰিছিলো। ছিনিয়ৰ বুলি শ্ৰদ্ধা অটুত ৰাখি মিতালী, মেঘালীবা, সুস্মিতাবা, ঊষাবা, লিপিকাবা, গোল আখ্তাৰাবা, দীপাবা গীতাবাৰ লগত ক'ত যে

স্মৰণীয় মুহূৰ্ত পাৰ কৰিলো। গণিত বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীৰ প্ৰণতি বাইদেউ, মামনি বাইদেউ, মৃণালিনী বাইদেউ হঁতে আমাৰ নিজৰ ভণ্টিৰ নিচিনা মৰম কৰিছিল। দ্বিতীয় বৰ্ষত মিনাক্ষী (মিনাক্ষী গোস্বামী)ক মোৰ ৰুমমেট হিচাবে পালো আৰু আজিও দুয়োজনী আজীৱন বন্ধুত্বৰ এনাজৰীৰে বান্ধ খাই থাকিলো।

এনেদৰে হাঁহি-স্ফূৰ্তিৰ মাজেৰে ক'ব নোৱাৰাকৈয়ে আমি তৃতীয় বৰ্ষ পালো। সেইখিনি সময়ৰ এটা ঘটনা উল্লেখ কৰিবই লাগিব। আমি বহুতেই ৰাতি ভাত খাই এঘণ্টামান আড্ডা মাৰি নিজৰ নিজৰ পঢ়া-শুনা কৰিছিলো। তেনে সময়তে ৰাতি এঘাৰ মান বজাত এদিন এজন বয়সস্থ মানুহে কাঠৰ দলঙৰ ওপৰত থিয় হৈ কত চাপৰি মাৰি বিভিন্ন ভঙ্গীমাৰে নৃত্য কৰি ছোৱালী জোকাব আহিল আৰু লাহে লাহে সেইটো তেখেতৰ নিত্য নৈমিত্তিক কাৰ্য হ'ল। আমাক পৰীক্ষাৰ বাবে May-June মাহত ছোৱালীবোৰে ৰাতি দেৰিলৈকে পঢ়িবলৈ ল'লে আৰু এদিন ৰাতি বৰকৈ বৰষুণ দি থকা স্বত্বেও মানুহজন ১২.৩০ বজাত দলঙৰ কাষত থিয় হ'ল। কেনোবা এজনীয়ে দেখি ক'লে - ''উঃ আচৰিত নৃত্য নাটিকা আজিও আৰম্ভ হ'ল।'' কিন্তু সিদিনা এটা অঘটন হ'ল। মানুহজনে প্ৰথম চাপৰিটো মাৰোতেই চাৰিওফালৰ পৰা ছয়-সাতজন মান ল'ৰা আহি অতি সন্তৰ্পণে তেখেতক পথালিকৈ ডাঙি লৈ ছাত্ৰাবাস পোৱালেগৈ আৰু উত্তম মধ্যম শোধাই থানাত গতাই দিলে। পিছত গম পালো যে দহ বজাৰ পৰা ল'ৰা কেইজনে কাঁইটীয়া বগৰী গছ কেইজোপাৰ জোপোহাত বৰষুণত তিতি তিতি চিকাৰ ধৰিবলৈ চোপ লৈ আছিল। সাধাৰণতে আমাৰ হোষ্টেলৰ চিক্ৰেট college ত ফাদিল কৰাটো আছিল এক অক্ষমণীয় অপৰাধ। কিন্তু আমাৰ মাজৰে Zoology Dept ৰ এজনীয়ে এই নিয়ম উলঙ্ঘা কৰি মেজৰ মেটৰ আগত আমাৰ সদায় ৰাতি হোৱা অসুবিধাৰ কথা ব্যক্ত কৰিছিল আৰু সেই সূত্ৰে ছাত্ৰাবাসৰ আমাৰ এজন বন্ধুৱে গম পোৱাত ছাত্ৰাবাসৰ সিদ্ধান্তমৰ্মে লোৱা হ'ল এই তাৎক্ষণিক অভূতপূৰ্ব পদক্ষেপ। ৰাতি দুটা বজাত আমাৰ তদানীন্তন মনিট্ৰেছে এখন জৰুৰীকালীন সাধাৰণ সভা অনুষ্ঠিত কৰিলে। উক্ত সভাৰ সিদ্ধান্ত মৰ্মে এটা ১১ জনীয়া সজাতি দল গঠন হ'ল - এই দলটোৱে পিছদিনা

ছাত্ৰাবাসত গৈ ছাত্ৰীনিৱাসৰ সকলো আবাসীৰ হৈ ছাত্ৰাবাসৰ আবাসীসকলক ধন্যবাদ জ্ঞাপন কৰিব। দুৰ্ভাগ্য ক্ৰমে সেই সজাতি দলৰ ময়ো এগৰাকী সদস্যা আছিলো। দিনৰ এঘাৰ বজাত ছাত্ৰাবাস অভিমুখে যাত্ৰা কৰিলো। ছাত্ৰাবাসৰ আবাসীসকলে বৰ আদৰ-সাদৰ কৰি শৰ্মাদাৰ দোকানৰ পৰা নিয়া গৰম গৰম প্যেটিছ আৰু চাহেৰে আপ্যায়িত কৰিলে। পিছে ছাত্ৰাবাসৰ আবাসীসকলক ধন্যবাদ জনাই উভতি আহি আমি এক অৱৰ্ণনীয় পৰিস্থিতিৰ সন্মুখীন হ'লো। কাঠৰ দলংখন অতিক্ৰমি কাঠৰ দৰ্জাখন ঠেলি সোমাবলৈ লৈ দেখিলো - আমাৰ অধিক্ষীকা বাইদেউৰ দুয়োকাষে কালীচৰণকা আৰু অৰুণকাইকে আদি কৰি কৰ্মচাৰীসকল আৰু অলপ দূৰৈত কোঠাৰ খিৰিকিবোৰত ছোৱালীৰ জুম। বাইদেউৰ চকুৰ ফালে চোৱাৰ সাহস হোৱা নাছিল। কালীচৰণকাইৰ চকু দুটা খঙত জ্বলি থকা অঙঠাৰ ৰূপ লৈছিল। বাইদেউ সুধিছিল — "তোমালোকে কাক সুধি গৈছিলা? আমাৰ দলীয় মুৰব্বীয়ে temporary leave register ত লিখি থৈ গৈছিল। Formal permission লোৱা হোৱা নাছিল। কিছু সময় গালি খোৱাৰ পিছত আমাক ভিতৰলৈ যাব দিছিল। মই লাইনত একেবাৰে শেষত আছিলো। তলমূৰ কৰি পাৰ হৈ যাব ধৰোতেই বাইদেউ লাহেকৈ কৈছিল— নীভা, কালীপ্ৰসাদ শৰ্মাই তোমাক ভাল ছোৱালী বুলি কৈছিল। কালীচৰণকাই এটা মাত্ৰ শব্দ উচ্চাৰণ কৰিছিল — তুমিও?? আচলতে কালীচৰণকাই আমাৰ অভিভাৱকৰ নিচিনা আছিল। কোনো কোনো সময়ত কালীচৰণকাই আমাক কাৰ লগ হ'ম বা কাৰ লগ নহ'ম সেইটোও ঠিক কৰি দিছিল। কালীচৰণ কাই কোৱা এতিয়াও স্পষ্ট হৈ আছে - "নীভা, তাইৰ (?) লগ নহ'বা। তাইৰ বায়েকজনীও আমাৰ হোষ্টেলতে আছিল। ইয়াতে মিলন হৈ বিয়া হৈছে নিজে পচন্দ কৰি বিয়া পতা কথাটোক কালীচৰণ কাই মিলন হৈ বিয়া হোৱা বুলি কৈছিল। সিহঁত ভাল নহয়।" সেয়েহে স্বাভাৱিকতে কালীচৰণকাইৰ খং উঠিছিল কিন্তু তেখেতৰ দুপৰীয়াৰ বিশেষ চাহকাপৰ ভাগ মোক আৰু মীনাক্ষীক নিদিয়াকৈ নাথাকিল। এই ঘটনাৰ বহুদিন পিছলৈ মই সহজ হ'ব পৰা নাছিলো। ভয়ে ভয়ে কলেজলৈ গৈছিলো কিয়নো বাইদেৱে কলেজত কালীপ্ৰসাদ শৰ্মা ছাৰক (মোৰ স্থানীয় অভিভাৱক) কথাটো কৈ দিয়া বুলি ভাবিছিলো। লাহে লাহে ছাৰে গম পোৱা নাই বুলি আশ্বস্ত হ'লো। কিন্তু সুচিত্ৰা

বাইদেউ আৰু কালীচৰণকাইৰ চকু কেইটা মই আজিও পাহৰিব নোৱাৰিলো। কালীচৰণকাই স্বৰ্গগামী হ'ল। তেখেতৰ আত্মাৰ সদ্‌গতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা আৰু আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলো আৰু সুচিত্ৰা বাইদেউৰ ওচৰত আকৌ এবাৰ ক্ষমা বিচাৰিলো। বৰ্তমান সুচিত্ৰা বাইদেউৰ সহকৰ্মী হোৱাৰ সৌভাগ্য ঘটা বাবে নিজকে ধন্য মানিছো।

সময় গতিশীল। সময়ে বিদায় লয় সময়ৰ পৰা। জীৱনৰ এই গতানুগতিক গতিশীলতাই আমাক অতি মৰমৰ ছাত্ৰীনিবাসটোৰ পৰা বহুযোজন আগুৱাই আনি বৰ্তমানত অৱস্থিত কৰালে। মই পঢ়া হাইস্কুলখনৰ অতি শ্ৰদ্ধাৰ সংস্কৃতৰ ছাৰ মাননীয় শ্ৰীহৰিদেৱ ভট্টাচাৰ্য্যদেৱৰ ভাষাত ক'বলৈ গ'লে — "তে হি নো দিবসাঃ গতাঃ।" আমাৰ সেই দিনবোৰ গ'ল। কিন্তু তাৰ পাদচিহ্নবোৰ একোপাহ সতেজ ফুলৰ দৰে সজ্জিত হৈ ৰ'ল স্মৃতিৰ মণিকোঠাত। দৈনন্দিন ব্যস্ততাৰ সুৰুঙাৰে স্মৃতিৰ পম খেদি সেইবোৰ লিৰিকি-বিদাৰি আলোড়িত হয় মন-প্ৰাণ। অনুভৱ কৰো ৰোমাঞ্চকৰ শিহৰণ। কিন্তু সেই অনুভূতিৰ ৰূপৰেখা এনেদৰে লিপিবদ্ধ কৰাটো যেন হাতী মাৰি ভূৰুকাত ভৰোৱা সদৃশ এক ব্যৰ্থ প্ৰয়াস। পৰিশেষত ছাত্ৰীনিবাসৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰিলো আৰু দাৰ্শনিক, কবি খলিল জিব্ৰাণৰ কথাৰে সামৰিলো।

"If in the twilight of memory we should meet once more, we shall speak again together and you shall sing to me a deeper song. And if our hands, should meet in another dream. we shall build another tower in the sky."

জয়তু আৰ্য্য বিদ্যাপীঠ ছাত্ৰীনিবাস
জয়তু আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

(লেখিকা ঃ ড° নিভা ৰাণী দেৱী, প্ৰাক্তন ছাত্ৰী, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়। বৰ্তমান আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ভূতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপিকা।)

□□□

# আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ছাত্ৰীনিবাসৰ চমু আভাস



**বসন্ত শৰ্মা (কৰ্মচাৰী)**

১৯৮৪ চনৰ ১০ ডিচেম্বৰ তাৰিখে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ছাত্ৰীনিবাসৰ শুভাৰম্ভ কৰে মাননীয় প্ৰাক্তন অধ্যক্ষ প্ৰয়াত অমৃক সিং দেৱে। শুভাৰম্ভৰ পাছতে প্ৰথম অধীক্ষিকা হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ নৃতত্ব বিভাগৰ অধ্যাপিকা শ্ৰীযুতা অঞ্জলী ভট্টাচাৰ্যই মাত্ৰ ১৭জনী ছোৱালী আৰু লগত ৭জন কৰ্মচাৰীৰ দ্বাৰাই। প্ৰথম হোষ্টেল আৰম্ভণিৰ সময়ত হোষ্টেলত লাইনৰ ব্যৱস্থা নাছিল। প্ৰতিজনী ছোৱালীক একোটাকৈ লেম্প পঢ়াৰ কাৰণে দিয়া হৈছিল। ছোৱালীখিনি অহা-যোৱা কৰাৰ কাৰণে এখন বাঁহৰ সাকো বনাই দিয়া হৈছিল। প্ৰথম হোষ্টেলত Admission লোৱা ছাত্ৰীৰ ভিতৰত Best Graduateৰ শ্ৰীতুলমণি দেৱী আৰু শিৱানী নাহা আৰু B.Sc.ৰ শ্ৰীমীৰা বৰ্মন, দীপামণি বৰ্মন আৰু H.S. First Yearৰ শ্ৰীমীৰা শৰ্মা মুঠ সোতৰজনী ছোৱালী আছিল।

হোষ্টেলত সেই সময়ত পানীৰ বৰ অসুবিধা আছিল। মাত্ৰ এটা

টিউবৱেলৰ দ্বাৰা ছোৱালী বিলাকে পানী তলৰ পৰা ওপৰলৈ উঠাই নি সকলো কামত ব্যৱহাৰ কৰিছিল। হোষ্টেলৰ চাৰিওফালে তৰ্জাৰ বেৰেৰে আৱৰি ৰখা হৈছিল। হোষ্টেলৰ চাৰিওফালৰ পৰিবেশ বিশেষ বেয়া নাছিল। প্ৰথম তিনিবছৰত হোষ্টেলৰ ৰিজাল্ট বেয়া নাছিল। আৰু ক্ৰমান্বয়ে ৰিজাল্ট ভাল হোৱা বুলি ক'ব লাগিব। তিনিবছৰৰ পাচত অৰ্থাৎ Governing body ৰ নিয়ম মতে প্ৰতি তিনি বছৰৰ মূৰে মূৰে অধীক্ষিকা সলনি হৈছিল। প্ৰথম তিনি বছৰৰ ভিতৰতে হোষ্টেলত বিজুলী পোহৰ, পানীৰ মেছিন কলেজ কৰ্তৃপক্ষই দিয়াৰ ব্যৱস্থা কৰিছিল। প্ৰথম অৱস্থাত হোষ্টেলত খৰীৰে ভাতৰন্ধা, চাহ কৰা আদি সকলো কাম কৰিছিল।

ইয়াৰ পিছত ১৯৮৭ চনত আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ অধ্যাপিকা প্ৰয়াত ভানু চৌধুৰী শৰ্মাই অধীক্ষিকা হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰিছিল। ছোৱালীৰ সংখ্যা প্ৰথম তিনিবছৰৰ পাছত ৫৪ (54) জনীলৈ বৃদ্ধি পালে। এখেতৰ সময়তে প্ৰথম ৰন্ধন গেছৰ ব্যৱস্থা হ'ল। প্ৰথম অৱস্থাৰ পৰাই হোষ্টেলত সন্ধিয়া ৫ বজাত ভগৱানৰ ওচৰত একলগ হৈ প্ৰাৰ্থনা কৰাৰ ব্যৱস্থা চলি আহিছে। কিন্তু কালক্ৰমত ১৯৯০ চনৰ ২৬ নবেম্বৰ তাৰিখে ভানু চৌধুৰী শৰ্মাৰ হোষ্টেলত নিজে থকা ৰূমৰ ভিতৰতে পৰলোকপ্ৰাপ্তি ঘটে। তেখেতৰ মৃত্যুৰ পাছত হোষ্টেলত প্ৰায় তিনিমাহমান কোনো অধীক্ষিকা নাছিল। ছাত্ৰাবাসৰ অধীক্ষক আৰু কৰ্মচাৰীৰ তত্ত্বাবধনাত হোষ্টেল চলি আছিল।

১৯৯১ চনত হিন্দী বিভাগৰ অধ্যাপিকা শ্ৰীযুতা সুচিত্ৰা পাঠকে অধীক্ষিকা হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰে। সেইসময়ত হোষ্টেলত কোনেও অধীক্ষিকা হিচাপে আহিব বিচৰা নাছিল। তেওঁ একেৰাহে সাতবছৰকাল এই ছাত্ৰীনিবাসত অধীক্ষিকা হিচাপে থাকিব লগা হৈছিল। ভানু চৌধুৰী শৰ্মাৰ মৃত্যু দিৱস আমি প্ৰতি বছৰৰ ২৬ নবেম্বৰত পালন কৰি আহিছো। সাতবছৰ একেলগে পাৰ কৰাৰ পাছত এই মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপিকা

শ্ৰীযুতা নীলিমা দেৱী ছাত্ৰীনিবাসৰ অধীক্ষিকা হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰে। তেওঁৰ দিনত হোষ্টেলত বিশেষ ধৰণৰ কাম হোৱা নাছিল। তেওঁৰ দিনতে হোষ্টেলত কৰ্মৰত অৱস্থাত থকা দিনৰ চকীদাৰ হিচাপে কাম কৰি থকা কালিচৰণ তালুকদাৰৰ মৃত্যু হৈছিল ২৭ ফেব্ৰুৱাৰী ২০০১ চনত। তেখেতৰ মৃত্যু তিথি আমি হোষ্টেলত বৰ্তমানলৈকে পালন কৰি আহিছো। তেখেত বৰ নিষ্ঠাবান কৰ্মী আছিল।

আমি হোষ্টেলত প্ৰতিটো মহাপুৰুষৰ মৃত্যু তিথি পালন কৰি আহিছো। প্ৰথম আৰম্ভণিৰ পৰাই দূৰ-দূৰণিৰ পৰা অহা এই মহান শিক্ষানুষ্ঠানত ভৰ্তি হোৱা ছোৱালীখিনিক হোষ্টেলত ভৰ্তি হোৱাৰ পাছত তেওঁলোকক আদৰি অনাৰ বাবে নৱাগত সভা অনুষ্ঠিত কৰি তেওঁলোকৰ সুন্দৰ ভৱিষ্যত গঢ়াৰ বাবে আমাৰ মাননীয় শিক্ষাগুৰুসকলে উপদেশ আৰু আদৰ্শৰ বাট দেখুৱাই দিয়ে। যাতে ইয়াৰ পৰা পঢ়া শেষ কৰি ওলাই যোৱাৰ আগমুহূৰ্তত তেওঁলোকৰ তলৰ ভনীসকলে তেওঁলোকৰ কাৰণে বিদায় সভা অনুষ্ঠিত কৰে।

এনেদৰে মাননীয় শ্ৰীযুতা নীলিমা দেৱীৰ তিনিবছৰ উকলি যোৱাৰ পাছত বুৰঞ্জী বিভাগৰ অধ্যাপিকা মাননীয়া শ্ৰীযুতা বৰ্ণালী শৰ্মাই কাৰ্য্যভাৰ গ্ৰহণ কৰে ১/২/২০০৩ চনত। এখেতৰ দিনত প্ৰথম কাম হ'ল কাঠৰ দলংৰ পৰিবৰ্তে মাটি পুতি কালভাৰ্ট বনাই দিলে। সেই সময়ত মাননীয় ড° গিৰীশ চন্দ্ৰ শৰ্মা আছিল অধ্যক্ষ। তেখেতৰ চেষ্টাত হোষ্টেলৰ কাঠৰ দৰ্জাৰ সলনি লোহাৰ গেট বনাই দিছিল। কৰ্মচাৰীৰ বাথৰূম লেট্ৰিন বেলেগকৈ বনাই দিছিল।

বৰ্ণালী বাইদেউৰ সময়ত হোষ্টেলত colour T.V. আৰু লাইন গ'লে পোহৰৰ কাৰণে inverter ৰ ব্যৱস্থা কৰি দিছিল। এওঁৰ সময়তে collegeৰ NAAC আহিছিল আৰু হোষ্টেলটো পৰিদৰ্শন কৰিছিল। কলেজে 'B' Grade পাবলৈ সক্ষম হৈছিল।

শদিয়াৰ পৰা ধুবুৰী, বঙাইগাঁওলৈকে এইখন কলেজত পঢ়াৰ কাৰণে ছাত্ৰী আহিছিল আৰু হোষ্টেলত admission লৈ কোনোবাই তিনিবছৰ আৰু

কোনোবাই পাঁচবছৰ কাল পঢ়ি শিক্ষানুষ্ঠান তথা আন আন অফিচত চাকৰি কৰি আছে। তাৰ উদাহৰণস্বৰূপে সন্ধ্যাৰাণী সোণোৱাল (LIC), বৰ্ণালী দত্ত (United Bank of India)।

হোষ্টেলত প্ৰতিবছৰে first class পোৱা ছাত্ৰীৰ সংখ্যা কমেও ৭-৮ জনী থাকেই। হোষ্টেলৰ খোৱা বোৱা নিয়মীয়া ভাবে অতি আগৰ পৰাই চলি আহিছে।

২০০৫ চনত মাননীয়া শ্ৰীযুতা বৰ্ণালী শৰ্মাই Gauhati Universityত join কৰে আৰু হোষ্টেলৰ কাৰ্য্যভাৰ এৰি দিয়ে। দুমাহমান হোষ্টোলত কোনো অধীক্ষিকা নহাত বয়েজ হোষ্টেলৰ অধীক্ষক ড° গিৰীশ চন্দ্ৰ শৰ্মাই কিছুদিনৰ বাবে গাৰ্লছ হোষ্টেলৰ দায়িত্ব ল'ব লগা হৈছিল।

ইয়াৰ পাছত ২০০৬ চনত (৩ মে') বৰ্তমানৰ মাননীয়া ড° শিপ্ৰা পাইক (সংস্কৃত বিভাগ) বাইদেউৱে কাৰ্য্যভাৰ গ্ৰহণ কৰে। এখেতে কাৰ্য্যভাৰ লোৱাৰ পাছত প্ৰথমে হোষ্টেলৰ চাৰিওকাষৰ তৰ্জাৰ বেৰৰ সলনি টিন পাতৰ বেৰ দিলে। দ্বিতীয়তে এই বাইদেউৰ সময়ত হোষ্টেলৰ ভিতৰত বাহৰ বেৰ লগাই ফুলৰ গছৰ লগত আন আন লাগতিয়াল গছৰ পুলি ৰোৱাৰ ব্যৱস্থা ৰাখিলে। কলেজৰ যিকোনো functionত বাইদেউ নিজৰ লগতে হোষ্টেলৰ ছোৱালীখিনিক গান গোৱাৰ উপৰিও বিভিন্ন কামত উৎসাহ যোগাইছিল। ছোৱালীখিনিৰ পঢ়াৰ বাবে সদায় উৎসাহ যোগাই আহিছে আৰু লগত প্ৰথম বিভাগত উৰ্ত্তীণ হোৱা ছাত্ৰীসকলক পুৰস্কাৰ দিয়াৰ ব্যৱস্থা কৰি আহিছে। বৈদ্যুতিক লাইনৰ সৰু সুৱা অসুবিধা হ'লে সোনকালে ভাল কৰাৰ ব্যৱস্থাৰ লগতে পানীৰ অসুবিধা হ'লে অতি সোনকালে ভাল কৰাৰ ব্যৱস্থা কৰি দিছিল। কৰ্মচাৰীৰ থকা ৰূমৰ বাৰান্দা লগতে পানী পৰি থকা টিনপাত আদি ভাল কৰি দি কৰ্মচাৰীখিনিয়ে থকাৰ উপযোগী কৰি দিছে। প্ৰথম বিভাগত পাছ কৰা ছাত্ৰীৰ সংখ্যা আগৰ তুলনাত বৃদ্ধি পাইছে। ক'বলৈ গ'লে এই মহান শিক্ষানুষ্ঠানৰ অন্তৰ্ভূক্ত এই হোষ্টেলখন আহি আহি ৩৬ বছৰত ভৰি দিলে।

মাননীয়া শ্ৰীযুতা শিপ্ৰা বাইদেউৰ তত্ত্বাবধানত আৰু মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ একান্ত চেষ্টাত এই মহান শিক্ষানুষ্ঠানটো আগবাঢ়ি আহিছে।

১৯৯৭ ৰ পৰা হোষ্টেলত এখন বছৰেকীয়া হাতে লিখা আলোচনী প্ৰকাশ পায়। তাত হোষ্টেলৰ ছোৱালীবোৰে গল্প, প্ৰবন্ধ আদি প্ৰকাশ কৰি নিজৰ মনৰ প্ৰতিভা বিকাশ কৰে। লগতে হোষ্টেলৰ যি কেইগৰাকী ছোৱালী প্ৰথম বিভাগত উত্তীৰ্ণ হয় তেওঁলোকৰ নাম তথা ফটো সন্নিবিষ্ট কৰাৰ পৰিকল্পনা ল'লে পাইক বাইদেউৱে। শিপ্ৰা পাইক বাইদেউৱে ভাল ফাল কৰা ছাত্ৰীসকলক পুৰস্কৃত কৰি উৎসাহিত কৰে। হোষ্টেলৰ ছোৱালীখিনিয়ে নানা বাধা বিপত্তিৰ সন্মুখীন হৈও প্ৰতি বছৰে ভাল ফল দেখুৱাই আহিছে। লগতে পংকজ তালুকদাৰে ২০০০ চনত হোষ্টেলৰ কামত নিযুক্ত হোৱাৰ পাছত নিজৰ কৰ্তব্যৰ মাজতো বাইদেউৰ আপ্ৰাণ চেষ্টাৰ ফলত ২০০৭ চনৰ পৰা ২০০৯ চনৰ ভিতৰত B.A. pass কৰি হোষ্টেলৰ সুনাম কঢ়িয়াই আনিছে।

শেষত প্ৰয়াত গিৰিধৰ শৰ্মাৰ অক্লান্ত চেষ্টাৰ ফলত এই মহান শিক্ষানুষ্ঠানটোৰ লগতে আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ ছাত্ৰীনিবাসৰ ভৱিষ্যতত সুফল কামনা কৰিলো। লগতে প্ৰাক্তন মাননীয় অধ্যক্ষদ্বয় গিৰীশ চন্দ্ৰ শৰ্মা আৰু অজিত চন্দ্ৰ তালুকদাৰদেৱলৈ শলাগ আৰু এই হোষ্টেলত থাকি যোৱা প্ৰতিগৰাকী অধীক্ষিকা বাইদেউক আন্তৰিক অভিনন্দন জনাই হোষ্টেলৰ ইতিবৃত্ত ইমানতে শেষ কৰিছো।

(লেখক ঃ শ্ৰীবসন্ত শৰ্মা, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰীনিবাসৰ প্ৰাক্তন কৰ্মচাৰী আৰু বৰ্তমান মহাবিদ্যালয়ৰ কাৰ্যালয়ত কৰ্মৰত।)

□□□

# অনুভৱৰ স্মৃতি খুলি



ড° ৰূপশিখা শৰ্মা

ভণ্টি পৰিমিতাই জনালে আমাৰ পাইক মেমে হোষ্টেলৰ ওপৰত কিতাপ এখন লিখি আছে; সেই মৰ্মে দুআষাৰ লিখিব লাগে। সেই সূত্ৰেই আজি দহ বছৰ পূৰ্বে এৰি অহা হোষ্টেলৰ স্মৃতিৰ টোপোলাতো খুলি বহিছো। ক'ৰ পৰা আৰম্ভ কৰো আমাৰ জীৱনৰ সেই সোণালী তিনি বছৰ অতিবাহিত কৰি অহা আমাৰ মৰমৰ 'আৰ্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰী নিবাসৰ' গাঁথা।

২০০৬ চনত প্ৰথম আহি উপস্থিত হৈছিলো এই হোষ্টেলত। হোষ্টেলৰ নিয়ম অনুসৰি মোক দিয়া হৈছিল হল ঘৰত, য'ত নেকি আমি দহ গৰাকী নৱাগতা একেলগে আছিলো। প্ৰথম প্ৰথম অলপ শংকা আছিল মনত 'ৰেগিংক' লৈ। উচ্চ মাধ্যমিকৰ সময়ত হোষ্টেলত আছিলো যদিও সেয়া আছিল ব্যক্তিগত হোষ্টেল আৰু এয়া কলেজ হোষ্টেল। ইয়াৰ ৰীতি-নীতি, থকাৰ নিয়ম কানুন যথেষ্ট বেলেগ। পিছে ৰেগিং নামৰ ভয়টো সেইদিনাই আঁতৰিছিল যেতিয়া আমাৰ অগ্ৰজসকলে আমাৰ লগত চিনাকী পৰ্ব আৰম্ভ কৰিছিল। লাহে লাহে বুজি উঠিছিলো সকলো নিয়মৰ প্ৰয়োজনীয়তা। আমাৰ

লগতে সেই একে বৰ্ষতে হোষ্টেলৰ কাৰ্যভাৰ গ্ৰহণ কৰিছিল 'ড° শিপ্ৰা পাইক' মেমে। আমি নিজকে ভাগ্যৱান বুলি ভাবো কিয়নো আমি এনে মাতৃসুলভ মৰমেৰে আৱৰি ৰখা মেমৰ সান্নিধ্য হোষ্টেলীয়া জীৱনত পালো। মোৰ আজিও মনত পৰে মেমৰ হাতৰ ভাতকেৰেলাৰ পুৰ ভাজিৰ সোৱাদ, যি নেকি মেমে নিজ হাতেৰে বনাই হোষ্টেলৰ প্ৰায় ৫০ গৰাকী আৱাসীক খুৱাইছিল। পৰীক্ষাৰ সময়ত অতিমাত্ৰা চিন্তাত যেতিয়া পঢ়িব পৰা নাছিলো, তেতিয়াও মেমৰ ঘৰৰ ড্ৰয়িং ৰুমত গৈ পঢ়িছিলো। আমাক পঢ়া-শুনাৰ লগতে সাহিত্য চৰ্চা, খেলা-ধূলা আদি সকলো ক্ষেত্ৰতে আগুৱাই যাবলৈ মেমে উৎসাহিত কৰিছিল। হোষ্টেলীয়া জীৱনৰ অভিজ্ঞতাই মোৰ লগতে সকলো আবাসীকে যথেষ্টখিনি শিক্ষা প্ৰদান কৰিলে; যাক সাৰথি কৰি আমি আমাৰ বৰ্তমান জীৱনত আগুৱাই গৈ আছো। সময়ৰ সোঁতত আমি হয়তো বৰ্তমান সকলো দূৰে দূৰে আছো, কিন্তু মোৰ লগৰ সতীৰ্থ, অগ্ৰজ বাসকল আৰু অনুজ ভন্টিসকল সকলোকে একেলগে বান্ধি ৰাখিছে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰী নিৰাসৰ সুমধুৰ স্মৃতিয়ে। হোষ্টেলত সৰস্বতী পূজা আয়োজন, হোষ্টেল মেগজিনৰ সম্পাদনা, হোষ্টেল মেচ চলোৱা আদি নানা অভিজ্ঞতাৰে পূৰ্ণ হৈছিল আমাৰ সময় যাক লিখি হয়তো শেষ কৰিব নোৱাৰিম।

শেষত হোষ্টেলৰ খুৰা, দাদা, ককা, পেহী সকলোকে ধন্যবাদ জনোৱাৰ লগতে পাইক মেমক তেওঁৰ গ্ৰন্থৰ বাবে মোৰ আন্তৰিক শুভকামনা আৰু মোক লিখিবলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলো। আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ লগতে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰীনিবাসৰ দীৰ্ঘায়ু কামনা কৰি মোৰ লিখনি ইমানতে সামৰণি মাৰিলো।

(লেখিকা ঃ ড° ৰূপশিখা শৰ্মা, প্ৰাক্তন ছাত্ৰী, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়।)

□□□

# মধুৰতম স্মৃতি



**পৰিমিতা দত্ত বৰুৱা**

আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰীনিৱাস নামটোৰ সৈতে সাঙুৰ খাই আছে এবুকু আৱেগ, অভিজ্ঞতা আৰু বহুতো স্মৃতি। সদায় ভাবিছিলো প্ৰায় সকলো মহাবিদ্যালয়ৰ ছাত্ৰীনিবাসৰ পটভূমিত যেনেকৈ একোখন কিতাপ বা উপন্যাস আছে ঠিক তেনেকৈ আমাৰ মৰমৰ AVCGH খনৰো কথাবোৰ যদি কিতাপ আকাৰে পঢ়িব পালোহেঁতেন। হঠাৎ এদিন পাইক মেমে ফোন কৰি জনালে যে তেওঁ আমাৰ হোষ্টেলৰ ওপৰত এখন কিতাপ লিখি আছে কথাটো শুনি দুচকু ভৰি আহিছিল। আমাৰ হোষ্টেলৰ কথাবোৰ আনেও পঢ়িব, জানিব পাব ভাবি উৎফুল্লিত হৈ পৰিছিলো। মেম আপোনাক বহুত ধন্যবাদ আপোনাৰ এই পদক্ষেপ আমাৰ সকলোৰে সোঁৱৰণীবোৰ জীপাল কৰি তুলিব।

২০০৭ চনৰ জুলাই মাহৰ ১৬ তাৰিখ, ৰাতিপুৱা দেউতা আৰু বাৰ লগত হোষ্টেলৰ সেউজীয়া গেটখন ঠেলি ভিতৰলে যেতিয়া সোমাইছিলো তেতিয়া চিঞৰি চিঞৰি কান্দিব মন গৈছিল; মা-দেউতা ঘৰখন এৰি ইয়াত এজাক অচিনাকি মানুহৰ লগত কেনেকৈ থাকিম। কেতিয়াও ভবা নাছিলোঁ তিনিবছৰ

পিছত ঘৰলৈ উভতি যোৱাৰ দিনা চকুৰ পানীৰে বাট নেদেখা হৈ উভতিব লগা হ'ব বুলি। অচিনাকীবোৰ আজীৱন বুকুৰ আপোন হৈ পৰিল। আমিবোৰ হৈ পৰিছিলো আত্মীয়, য'ত আত্মাৰ মিলন ঘটিছিল। বিভিন্ন ঠাইৰ বিভিন্ন ভাষাৰ, বিভিন্ন ধৰ্মৰ সকলোবোৰে মিলি এখন ধুনীয়া পৃথিৱী গঢ়ি তুলিছিলো, য'ত আছিল কেৱল নিস্বাৰ্থ ভালপোৱা। সম্পৰ্কৰ দোলেৰে চিৰদিনৰ বাবে বান্ধ খাই পৰিলো বহুতৰ লগত।

সকলো আৱাসীয়ে মাৰ ৰূপত পাইক মেমক পাইছিলো। এজাক ছোৱালীক তেওঁ এজনী মৰমীয়াল মাতৃ হৈ আৱৰি ৰাখিছিল। আজিও মেমৰ হাতৰ খোৱাবোৰ আৰু মেমৰ বুজনি, উপদেশবোৰ হৃদয়ত সাঁচি ৰাখিছো। পৰীক্ষাৰ ফলাফলবোৰত কোনোবাজনী কম নম্বৰ পালে যেতিয়া হতাশ হৈ পৰিছিল তেতিয়া মেম আহি বুজাইছিল আৰু ৰাতি লগত নি শুৱাইছিল। প্ৰত্যেকৰে দুখ কষ্টবোৰ মেমে মাকৰ মৰমেৰে নোহোৱা কৰিছিল আৰু এই মৰমীয়াল ব্যক্তিত্বৰ ছাঁয়াত এজাক যৌৱনে প্ৰাণ পাই উঠিছিল। মেম আপোনাক অশেষ ধন্যবাদ, ভাষাৰে বুজাব নোৱাৰা অনুভূতিবোৰ আমাৰ হৃদয়ত সদায় থাকিব। হোষ্টেল এৰি অহাৰ দিনা আপোনাক সাৱতি যিদৰে কান্দিছিলো ঠিক সেইদৰে নিজৰ বিয়াৰ দিনা মাক সাৱতি কান্দিছিলো, বেদনা সেই একেই নিজৰ মাৰ পৰা আঁতৰি থাকিব লগা হোৱা। আপুনি যেন আমাৰ দ্বিতীয় মাতৃস্বৰূপা।

হোষ্টেলত ককা, পেহী, বসন্ত খুৰা, গোবিন্দ খুৰা, ফুকন দা, পংকজ দা, বিশ্ব দা আৰু দিদি পুতুলীৰ পৰাও কিমান যে মৰম পাইছিলো। ভাত নাখালে পেহীৰ গালিত একেজাপে ৰূমৰ পৰা আহি চুপ-চাপ ভাত খাইছিলো। ফুকন দাৰ লগত যে সদায় কাজিয়া; দাইলত পানী, মাছৰ টুকুৰা সৰু, নিমখ বেছি, ৰুটী টানকৈ বনাইছে ইত্যাদি কিমান যে অভিযোগ। এইবোৰ লৈ ফুকন দাৰ মুখখন ফুলি থাকিছিল দুদিনমান তাৰ পিছত আকৌ একেলগে টি.ভি চোৱা; দুদিন পিছত সেই একেখন কাজিয়াৰ আকৌ পুনৰাবৃত্তি। ভাত খাব বহিলে বসন্ত খুৰাই প্ৰত্যেকৰে ওচৰলে গৈ খোৱা ঠিকে আছেনে সুধিছিল। কিমানযে আদৰ

আজিও আপ্লুত হৈ পৰো। গোবিন্দ খুৰাৰ ৰন্ধা আজিও জিভাত লাগি আছে। তেওঁ বৰ ধুনীয়াকৈ ৰান্ধিছিল। পংকজ দা আৰু বিশ্ব দা আছিল আমিবোৰৰ কেৰম, ক্ৰিকেট খেলা লগৰীয়া। লগতে পাইক মেমৰ ল'ৰা অভিও আমাৰ খেলৰ লগৰীয়া আছিল, কিমান যে উৎপাত কৰিছিলো সকলোৰে মিলি। অভি আমাৰ সকলো ছোৱালীৰ বাবে একমাত্ৰ সৰু ভাইটি আছিল (এতিয়া অসমৰ বাহিৰত কৰ্মৰত এজন সফল অভিযন্তা, আমাৰ অকমানি ল'ৰাজন বহুত ডাঙৰ হ'ল)। ক্ৰিকেটৰ বল পৰি খিৰিকীৰ আইনাবোৰ প্ৰায়ে ভাঙিছিল। মেমে গম নোপোৱাকৈ দাদা খুৰাহঁতৰ সহায়ত লগাই থৈছিলো। আবেলি হ'লে পাকঘৰৰ কাষৰ হলফলি (পৰ আমলখি) গছডালৰ ফলবোৰ সকলোৰে মিলি খাইছিলো। প্ৰতিটো দিনেই আনন্দৰে উপভোগ কৰিছিলো। হোষ্টেলীয়া জীৱনে আমাক জীৱনৰ কঠিন বাটত হেলাৰঙে আগবাঢ়ি যোৱাত আজিও সহায় কৰিছে। হোষ্টেলখন সূচাৰুৰূপে চলাবলৈ অধীক্ষিকা মেমৰ লগতে, ছোৱালীবোৰে নিজেও দায়িত্ব লৈছিল। চূড়ান্ত বৰ্ষৰ চাৰিজনী ছাত্ৰীক ক্ৰমে মনিট্ৰেস, চিক মনিট্ৰেস, অ'ডিটৰ (হিচাপৰক্ষী) আৰু লাইব্ৰেৰিয়ান ৰূপে নিৰ্বাচিত কৰা হৈছিল। খোৱা-লোৱাৰ সকলো সামগ্ৰী ছোৱালীবোৰে খুৰা/দাদা হঁতৰ সহায়ত পালপাতি বজাৰ কৰিছিল। প্ৰথমবৰ্ষৰ ছোৱালীবোৰক দৈনিক বজাৰ কৰাৰ দায়িত্ব, দ্বিতীয় বৰ্ষৰ প্ৰত্যেকজনীয়ে এমাহ কৈ মেচ চলাব লাগিছিল। সম্পূৰ্ণ হিচাপ ৰাখিব লাগিছিল আৰু কোনদিনা কি খোৱা হ'ব সেয়া সিদ্ধান্ত ল'ব লাগিছিল। সৰ্বশেষত চূড়ান্ত বৰ্ষৰ নিৰ্বাচিত অ'ডিটৰে সকলোবোৰ হিচাপ পৰীক্ষা কৰি মেমক জমা দিব লাগিছিল। এই প্ৰক্ৰিয়াৰে আমি আৱাসীবোৰে পঢ়াৰ লগতে ঘৰ এখন কেনেদৰে চলাব পাৰি তাৰো শিক্ষা লাভ কৰিছিলো আৰু যি শিক্ষাই আজি আমাৰ গাৰ্হস্থ্য জীৱনত বহুত সহায় কৰিছে। ঘৰ এখন নিয়াৰিকৈ চলোৱাৰ শিক্ষা আমি হোষ্টেলীয়া জীৱনতে শিকিবলে পাইছিলো। ওপৰোক্ত চাৰিটা পদবীৰ মনিট্ৰেসৰ কাম হ'ল হোষ্টেলৰ নিয়মানুৱৰ্তিতা মানি সকলোৱে যাতে হোষ্টেলখন সূচাৰুৰূপে চলাই নিয়ে তাৰ তদাৰক কৰা, সকলো সিদ্ধান্ত মেমৰ লগত আলোচনা কৰি লোৱা ইত্যাদি; এককথাত

ক'বলে গ'লে তেওঁ হোষ্টেলৰ প্ৰধান পৰিচাৰিকা। চিক মনিট্ৰেসে সকলো আবাসীৰ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে আৱশ্যকীয় ঔষধ প্ৰতিমাহে হোষ্টেলৰ বাবে কিনিব লাগে। অ'ডিটৰে মেচৰ হিচাপ পাতি চোৱা দায়িত্বত থাকে আৰু লাইব্ৰেৰিয়ানৰ কাম হ'ল বাতৰি কাকত, আলোচনী আদি হোষ্টেলৰ কাৰণে কিনা লগতে হোষ্টেলত থকা পুথিভঁৰালটোৰ তদাৰক কৰা। ইয়াৰ উপৰিও নৱাগত আঁদৰণি সভা, বিদায় সভা আৰু সৰস্বতী পূজা মহা ধুমধামেৰে হোষ্টেলত পালন কৰা হৈছিল। এই অনুষ্ঠানবোৰত সকলোবোৰ ছাত্ৰীকে বিভিন্ন পদবী দিয়া হৈছিল আৰু সকলোৱে মিলি অতি আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠানবোৰ সফল কৰি তুলিছিল। হোষ্টেলৰ পৰা দুখন আলোচনী প্ৰতি বছৰে উন্মোচিত কৰা হৈছিল - সৃজনী আৰু যাত্ৰিক। সৃজনী নৱাগত আঁদৰণি সভাৰ প্ৰাচীৰ পত্ৰিকা আৰু যাত্ৰিক বিদায়সভাৰ হাতে লিখিত পকাবন্ধা আলোচনী। এই আলোচনী দুখনৰ মাজেৰে ছাত্ৰীবোৰে নিজৰ সাহিত্য, কলাৰ প্ৰতিভা বিকাশৰ সুযোগ পাইছিল। বহু উজাগৰী নিশাৰ ফলস্বৰূপে যাত্ৰিকৰ জন্ম হৈছিল। আলোচনী এখন সম্পাদনা কৰি নিজ হাতে লিখি প্ৰেছত বন্ধাই অনাৰ পিছত হাতত লৈ যি এক মিঠা অনুভূতি পোৱা যায় সেয়া প্ৰকাশ কৰা অতি কঠিন। হোষ্টেলীয়া জীৱনৰ প্ৰতিটো অভিজ্ঞতাই আমাৰ জীৱনত বহুত সহায় কৰিছে আৰু আগলৈও কৰিব।

মানৱ জীৱনত ধৰ্ম, জাতি, ভাষাগত কৈ গুৰুত্বপূৰ্ণ হ'ল মানৱতা আৰু একতা। এই কথাষাৰি হোষ্টেলীয়া জীৱন অতিবাহিত কৰাৰ পিছত অনুভৱ কৰিব পাৰিছো। একেটা ৰুমত বিভিন্ন ভাষা, ধৰ্ম, জাতিৰ পাঁচজনীকৈ ছোৱালী থাকিছিলো আৰু থকা ৰুমটো আমাৰ বাবে এখন সৰু ঘৰ হৈ পৰিছিল। প্ৰতিটো উৎসৱ ধুমধামেৰে পালন কৰা হৈছিল। ডাইনিং হলত পেহীৰ লগত নাম গোৱা, বৰদিনত কেক কটা, ইফটাৰৰ সময়ত ইছলাম ধৰ্মী কেইজনীৰ ওচৰত গৈ খোৱা, সৰস্বতী পূজা সকলোৱে মিলি আয়োজন কৰা ইত্যাদি কথাবোৰে আজিও আমনি কৰে। শেষত আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰীনিবাসলৈ আৰু লগতে পাইক মেম, খুৰা, পেহী, ককা, দাদাহঁতলৈ অশেষ ধন্যবাদ জনালোঁ। ইমান

ধুনীয়া এটি হোষ্টেলীয়া জীৱনৰ কাৰণে আপোনালোকৰ ওচৰত সদায় ঋণী। পাইক মেমৰ আয়ুৰ্বেদিক প্ৰতিকাৰবোৰৰ দ্বাৰা নিজৰ লগতে বহুজনক উপকৃত কৰিব পাৰিছো। মেম আপোনাৰ মৰম আৰু উপদেশবোৰ সদায় মনত থাকিব। অনাগত দিনবোৰত হোষ্টেলৰ বাসিন্দাবোৰে মহাবিদ্যালয়খনলৈ আৰু অধিক সুনাম কঢ়িয়াই আনক তাৰেই কামনা কৰিলো।

জয়তু আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰীনিবাস।

(লেখিকা ঃ শ্ৰীপৰিমিতা দত্তবৰুৱা, প্ৰাক্তন ছাত্ৰী, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় (২০০৭-২০১০ বৰ্ষ)। বৰ্তমান আই আই টী, গুৱাহাটীৰ হিন্দী সহায়ক।)

□□□

# স্মৃতিৰ টোপোলা খুলি



কৰবী দাস

মোৰ জীৱনৰ হোষ্টেলীয়া তিনিটা বছৰৰ এটা এটা মুহূৰ্ত মোৰ মনত আজিও জীপাল হৈ আছে।

২০০৬ চনত আগষ্ট মাহৰ ৫ তাৰিখে ঘৰৰ পৰা সেমেকা চকুৰে ওলাইছিলো দেউতাৰ লগত হোষ্টেললৈ বুলি। প্ৰথমবাৰ ঘৰৰ পৰা ওলাইছিলো মা-দেউতাক এৰি। মনত শংকা আছিল পাৰিম নে নাই হোষ্টেলীয়া পৰিৱেশত নিজকে খাপ খুৱাবলৈ।

হোষ্টেলত উপস্থিত হৈ হোষ্টেলৰ Superintendent Madam Dr. Sipra Paik Maamক লগ কৰিলো। মেমে মোক থাকিবলৈ হলঘৰটো দেখুৱাই দিয়ে। হলঘৰটো ছাদঁৰ ওপৰত আছিল য'ত আমি যোল্লজনী ছোৱালী একেলগে আছিলো। সন্ধিয়া প্ৰাৰ্থনা ঘৰত প্ৰাৰ্থনাৰ পিছত Senior বা সকলে আমাৰ লগত চিনাকি পৰ্বৰ লগতে হোষ্টেলত মানি চলিবলগীয়া কিছুমান নীতি-নিয়ম আমাৰ আগত বৰ্ণনা কৰে।

প্ৰথম অৱস্থাত Senior বা সকলৰ লগত অলপ দূৰত্ব বজাই ৰাখিছিলো যদিও পিছলৈ Senior শব্দটো আঁতৰি মৰমৰ বা হৈ পৰিছিল মোৰ বাবে।

মই হোষ্টেললৈ অহা বছৰটোতে হোষ্টেলৰ অধীক্ষকৰ দায়িত্ব লৈ প্ৰৱেশ কৰিছিল সংস্কৃত বিভাগৰ মাননীয়া ড° শিপ্ৰা পাইক মেমে। সৰল মিঠাভাষী ব্যক্তিত্বৰ অধিকাৰী মেমক পাই আমি সকলোৱে নিজকে ভাগ্যৱান বুলি ভাবিছিলো।

মোৰ বাবে শ্ৰদ্ধাৰ মেম অকল অভিভাৱক নাছিল। তেওঁ মোৰ বাবে ভগৱান স্বৰূপ আছিল।

প্ৰতিটো দিন এতিয়াও ভালকৈ মনত আছে, মোৰ সৰুৰে পৰা এলাৰ্জিৰ Problem আছিল, ঘৰত থাকোতে মাঁহতে লোৱা যত্নৰ বাবে মই মাজে মাজে অসুবিধা পালেও সিমান বেছি একো হোৱা নাছিল। হোষ্টেললৈ আহি ঠাণ্ডা পানী খোৱা বা গা ধোৱাৰ বাবে ব্যৱহাৰ কৰাৰ বাবে মোৰ কাঁহ, চৰ্দি দিনে দিনে বাঢ়ি যাবলৈ ধৰিলে। মেমে মোৰ অসুবিধাবোৰ জানিব পাৰি Electrician মাতি আনি Immersion Rod ব্যৱহাৰ কৰি গৰম পানী কৰিব পৰাকে সুবিধা কৰি দিয়ে।

মেমে মোৰ স্বাস্থ্যক লৈ খুব চিন্তিত হৈ পৰিছিল আৰু এদিন দেউতা হোষ্টেললৈ মোক লগ কৰিব আহোতে মেমে ভালদৰে কথা পাতিলে যে এদিন মোক তেওঁ মঙ্গলদৈ লৈ যাব তাত Yoga research centre এটা আছে তাত যোগাসন শিকাই দিব আৰু মই সোনকালে আৰোগ্য হ'ম।

কোৱা ধৰণে পিছৰতো দেওবাৰ দেউতা ৰাতিপুৱাই হোষ্টেল আহি ওলায় আৰু আমি মঙ্গলদৈ বুলি ৰাওনা হ'লো। ইমান ব্যস্ততা ভৰা দিনবোৰৰ মাজতো পাইক মেমে মোক এনেদৰে সময় উলিয়াই নিজে লৈ যোৱাতো মোৰ লগতে মোৰ পৰিয়ালে সদায় ঋণী হৈ থাকিম।

তাত মেমে মোৰ অসুবিধাবোৰ কয় আৰু সেই অনুসৰি মোক ছয়টা Yoga দেখুৱাই দিয়ে আৰু Continue কৰিবৰ বাবে পৰামৰ্শ দিয়ে।

Next দিনাৰ পৰাই মই ৰাতিপুৱা খুব সোনকালে উঠি Yoga চৰ্চা কৰিব ল'লো আৰু সঁচাকৈ লাহে লাহে মই বহুত আৰোগ্য হ'লো। এতিয়াও মই এই অভ্যাস ৰাখি আছো আৰু আজি মই সম্পূৰ্ণৰূপে সুস্থ। ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছো। তেওঁক সদায় যেন কুশলে ৰাখে।

পঢ়া-শুনাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ উৎকৰ্ষ সাধন কৰিব পৰা সকলো বিষয়তে আগবাঢ়ি যোৱাৰ বাবে মেমে আমাক সদায় উৎসাহিত কৰিছিল।

হোষ্টেলত প্ৰতিবছৰে হাতে লিখা মেগাজিন সম্পাদনা কৰা হৈছিল। আমি লগত সকলোৱে Senior বা সকলৰ লগত মিলি ৰাতি বহু দেৰিলৈ মেগাজিনৰ কাম কৰা দিনবোৰ মনত পৰিলে এতিয়াও খুব ভাল লাগে।

ইয়াৰ উপৰিও হোষ্টেলৰ সৰস্বতী পূজা আয়োজন, শংকৰদেৱ-মাধৱদেৱৰ তিথি সকলোবোৰ বৰ নিয়াৰিকৈ প্ৰতিবছৰে আমি পাতিছিলো।

হোষ্টেলীয়া জীৱনৰ অভিজ্ঞতাই আমাক সকলোকে যথেষ্ট খিনি অভিজ্ঞ কৰি তুলিলে।

হোষ্টেলৰ খুড়া, ককা, পেহীসকলৰ মৰম আমি কেতিয়াও পাহৰিব নোৱাৰো। আমাক প্ৰতিগৰাকীকে খুব মৰম, যত্নৰে অভিভাৱকৰ দৰে দায়িত্ব পালন কৰিছিল।

শেষত হোষ্টেলীয়া জীৱনৰ সুমধুৰ স্মৃতি সামৰি মোৰ লিখনি ইয়াতে সামৰিলো।

(লেখিকা ঃ শ্ৰীকৰবী দাস, প্ৰাক্তন ছাত্ৰী, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় আৰু বৰ্তমান মহাবিদ্যালয়ৰে কম্পিউটাৰ বিভাগৰ প্ৰশিক্ষিকা।)

□□□

# স্বাভিমানী তৰুবালা বাই



ড° সুচিত্ৰা পাঠক

এয়া যাৰ বিষয়ে দুকলম লিখিব ওলাইছো, তেওঁ এতিয়া পৰিৱৰ্তনশীল ভৌতিক সংসাৰ জগতত নাই। পুনৰ্জন্ম যদি সঁচা হয় তেতিয়া হ'লে মৃত্যু হৈ তেওঁক আকৌ নতুন জীৱন দান দিছে। শিশু, যুৱক-যুৱতী, ছাত্ৰ-ছাত্ৰী, বৃদ্ধ-বৃদ্ধা আটাইৰে পৰিচিত 'তৰুবালা বাই'ক ছাত্ৰীনিবাসৰ প্ৰাক্তন অধীক্ষিকা ড° শিপ্ৰা পাইকে তেওঁৰ গ্ৰন্থখনত ইয়াৰ আবাসী, কৰ্মচাৰী আদিকে ধৰি বিগত সময়ত ঘটা টুকুৰা-টুকুৰ সৰু-ডাঙৰ ঘটনা, হাঁহি-কান্দোন, মান-অভিজ্ঞতাৰ স্পন্দন পাঠকক অনুভৱ কৰাবলৈ এক মহান প্ৰচেষ্টা হাতত লৈছো। তেখেতে তৰুবালা বাইৰ বিষয়ে দুআষাৰ লিখিবলৈ সুযোগটো দিয়াত মই ভালেই পালো। ছাত্ৰীনিবাসত কৰ্মৰত থাকোতে বাইক অতি ওচৰৰ পৰা লগ পাইছিলো। ড° পাইকৰ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ছাত্ৰীনিবাসৰ স্মৃতিৰ কৰণীত বাইও এক গুৰুত্বপূৰ্ণ চৰিত্ৰ।

তৰুবালা বাই একেবাৰে নিভাঁজ অসমীয়া মহিলা আছিল। তেওঁ বেছি ওখও নহয় চাপৰো নহয়। মেদবহুল না জাতি বাঁহ সদৃশ ক্ষীণ। সদায়

পৰম্পৰাগত সুসাঁজ মেখেলা চাদৰ পৰিধান কৰিছিল। মেখেলাখন সদায় অলপ ওখকৈ পিন্ধিছিল যাতে তল ডোখৰত ৰাস্তাৰ লেতেৰা লাগি নধৰে। তেওঁক কেতিয়াও শাৰী পিন্ধা দেখা নাই। মূৰৰ চুলি কলপ নলগোৱাকৈ ক'লা-বগাৰে স্বাভাৱিক আছিল। যুৱতী অৱস্থাত তেওঁ হয়তো বহুতো ছোৱালীৰ ঈৰ্ষাৰ পাত্ৰ হৈছিল। একো মেকআপ নকৰাকৈ গাৰ বৰণ উজ্জ্বল আৰু মসৃণ আছিল। মিঠাতেল আৰু চুলিৰ বাবে নাৰিকলৰ তেল তেওঁৰ বাবে উৎকৃষ্ট প্ৰসাধন সামগ্ৰী আছিল। জীৱন সংঘাতৰ কৰ্কশ আচোঁৰে শৰীৰৰ গৌৰ বৰ্ণক মলিন কৰিছিল। চকুত ভাৱৰ গভীৰত থকাৰ লগতে তেওঁৰ জীৱনলৈ অহা পৰিৱৰ্তনৰ প্ৰতি দৃঢ় প্ৰত্যাহ্বান লক্ষ্য কৰিছিলো।

মই যিদিনা প্ৰথম ছাত্ৰীনিবাসলৈ অধীক্ষিকা ৰূপে প্ৰৱেশ কৰিলো তেতিয়া কালীচৰণকা, অৰুণকা, বসন্ত, ফুকনৰ লগতে বাইও মোক সাদৰ সম্ভাষণ জনালে। এজন এজনকৈ সকলোৰে লগত চিনাকি হৈছিলো। তৰুবালা বায়ে কৈছিল—বাইদেউ আপুনি আহিলে ভাল কৰিলে। বহুতো অভিজ্ঞতা হ'ব। আমি সকলোৱে আপোনাক সহায় কৰিম আৰু মইতো আছোৱেই। ভাবিলো সঁচাকৈয়ে মোতকৈ তেওঁলোকৰ অভিজ্ঞতা বেছি। মোৰ হ'ব তিনিবছৰীয়া কাৰ্য্যকালৰ আৰু বাইৰ জীৱনৰ ৬০ বছৰলৈকে দীঘলীয়া অভিজ্ঞতা। আবাসৰ ছাত্ৰীসকলক ব্যৱহাৰিক ভাৱে পাইছে। সৰু অথচ চৰিত্ৰৰ মহত্বপূৰ্ণ কথাবোৰ তেওঁলোকৰ চকুত ধৰা পৰে। সঁচাকৈয়ে সিদিনা মোৰ ভাল লাগি গৈছিল। যি খোকোজা লৈ আহিছিলো সেয়া দূৰ হৈছিল। কাৰণ মই অহাৰ আগতে প্ৰাক্তন অধীক্ষিকা বাইদেউ ভূগোল বিভাগৰ অধ্যাপিকা ড° ভানু চৌধুৰীৰ আকস্মিক মৃত্যু হৈছিল। উক্ত মৃত্যুৱে আবাসী আৰু কৰ্মচাৰী সকলৰ মনত বিভিন্ন প্ৰশ্ন জগাই তুলিছিল। পৰিৱেশটো ৰহস্যজনক কৰিছিল। অসমৰ বিভিন্ন ঠাইৰ পৰা অহা ছাত্ৰীসকলৰ বুকু দুৰু দুৰু কঁপিছিল। নিজৰ ছাঁটোকে ভয় কৰিছিল। তেনে সংকটৰ সময়ত তৰুবালা বাইয়ে ছাত্ৰীসকলক যথেষ্ট সাহস দিছিল। প্ৰতিটো ৰূমলৈ গৈ কৈছিল—“ভয় নকৰিবা। আমি আছো নহয়। তাৰোপৰি কলেজৰ ছাৰ-বাইদেউসকলে তোমালোকৰ খবৰ লৈয়ে আছে।

তোমালোকে অতি শ্ৰদ্ধা সহকাৰে নাম প্ৰসঙ্গ কৰিছা বাইদেউৰ আত্মাৰ সদ্‌গতিৰ বাবে। ঈশ্বৰ তোমালোকৰ লগত আছে। দূৰলৈ পঢ়ি-শুনি মানুহ হ'বলৈ আহিছা যেতিয়া যিকোনো আকস্মিক দুৰ্ঘটনাতো নিৰ্ভয়ে সাহসেৰে থাকিব পাৰিব লাগিব।" ইংৰাজ কবি জন মিল্টনে কৈছিল—"সময়েই শিক্ষানুষ্ঠান, য'ত আমি শিক্ষা লাভ কৰো, সময়েই জুই য'ত আমি পুৰি নিঃশেষ হওঁ।

ছাত্ৰীনিবাসৰ বাইৰূপে কৰ্মৰত তৰুবালাই নিজৰ দায়িত্বৰ কাম যেনে ঃ প্ৰতিটো ৰুম সৰা-মচা, ছাত্ৰীসকলৰ ৰুমৰ ভিতৰত থকা পঢ়া টেবুলত কিতাপ-পত্ৰবোৰ নিয়াৰিকৈ ৰখা হৈছে নে নাই, কাপোৰ-কানি, চুটকেছ, ট্ৰাঙ্ক, জোতা সঠিককৈ ৰখাটো নজৰ কৰিছিল। কোনোবাই কিবা কাৰণত ডাইনিং হলত, খোৱা সময়ত উপস্থিত নোহোৱা নতুবা কোনোবাই ঠেহ, খং, কাজিয়া কৰিছে নেকি আদি কথাবোৰ বাইৰ চকুৰ পৰা সহজে সাৰি নাযায়। আবাসী সকলৰ মাজত কিবা বিসংগতি লাগিলেও বাইয়ে কেতিয়াবা খঙেৰে বুজায় এই বুলি যে—"তোমালোকে পঢ়া-শুনা শেষ কৰি ভৱিষ্যতে নিজৰ ঘৰখন চম্ভালিব লাগিব। গতিকে প্ৰথমৰ পৰাই সুচৰিত্ৰ গঢ়িব নালাগিব জানো?" আবাসীসকলৰ মাহৰ মেচৰ পৰিচালনাও ভুল-ত্ৰুটিবোৰ তেওঁ বিবেচনা সহকাৰে আঙুলিয়াই দিব পাৰিছিল। ভাতৰ পাতত বহি যাতে শিল চোবাব লগা নহয় তাৰ বাবে সদা সতৰ্ক আছিল। বস্তাৰ চাউল ডলা, চালনীৰে জাৰি-ফুকি ভঁৰালত সুন্দৰকৈ ৰাখিছিল। বাইৰ শৰীৰ পৰি আহিব ধৰিছিল সেয়ে কল্পনা নামৰ গৃহকৰ্ম সহায়িকাৰ সহায়ো লৈছিল। ফুকনে ছুটি ল'লে সমস্ত বাচন-বৰ্তনবোৰ ধুইছিল। তাৰোপৰি লগ ধৰিব অহা ভিজিটৰ বিলাকৰ প্ৰতিও চোকা নজৰ ৰাখিছিল। দাদা ভাগিনৰ চাদৰ গাত মেৰিয়াই লৈ অহাসকলৰ প্ৰতি তেওঁৰ শলাগ ল'বলগীয়া আছিল। ছোৱালীৰ প্ৰতি থকা দায়িত্ববোৰো দেখি ভাল লাগিছিল। মোৰ লগত থকা সোণটি ছোৱালীজনীৰ লগত ফুকনৰ প্ৰেমৰ অঙ্কুৰণ ঘটিছিল। এই অঙ্কুৰণ বিবাহত পৰিণত হৈছিল বাইৰ প্ৰচেষ্টাত। ফুকনৰ পত্নী সোণটি আজি আৰু সংসাৰত নাই। সেই সুন্দৰ মৰমলগা ছোৱালীজনীক বাই দিয়া দাবী ধমকি মৰমৰ স্মৃতিবোৰ এতিয়াও সজীৱ হৈ আছে।

তৰুবালা বাইৰ এই বিশেষ গুণ লক্ষ্য কৰিছিলো যে তেওঁ কাৰো লগত খুব

বেছি জড়িত নহৈছিল। ঘৰুৱা কথা নতুবা কাজিয়াত ভাগ নলৈছিল। সাধাৰণতে মানুহে ক্ষুধা আৰু জীৱিকাৰ তাৰণাত নিজৰ হেঁপাহৰ ঘৰখন এৰি দূৰলৈ কাম কৰিবলৈ আহে। তৰুবাৰো জীৱনত তেনে ধুমুহা আহিছিল। কিন্তু সাহসেৰে মূৰ দাঙি সসন্মানে জীয়াই থকাৰ তাগিদাত আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ছাত্ৰীনিবাসৰ কৰ্মচাৰীৰূপে নিয়োজিত হৈছিল। তেওঁৰ মাজত কিছুমান দোষ-দুৰ্বলতা আছিল যদিও তেওঁৰ বিষয়ে লিখাৰ মুহুৰ্তত ধনাত্মক দিশবোৰহে এটা এটাকৈ মনলৈ আহিল। যিমান দিন আৱাস থাকিব তেওঁৰ স্মৃতিও সজীৱ হৈ থাকিব। আজিও মোৰ মানসপটত তেওঁৰ কণ্ঠস্বৰ ধ্বনিত হয়। চঞ্চলা আৱাসীক এগৰাকী অভিভাৱকৰ দৰে কৰা ধমক— "হেৰৌ, গুৱাহাটীত পঢ়িবলৈ আহিছা! মা-দেউতাৰে ইমান কষ্ট কৰি হৃদয়ত গধূৰ শিল ৰাখি ইয়ালৈ সুশিক্ষাৰে শিক্ষিত হ'বলৈহে পঠাইছে। গুৱাহাটীৰ গৰম বা লৈ ধ্বংস হ'বলৈ নহয়। গাড়ী, বাইকত যদি উঠিবৰ মন আছে লোকৰ বাহনত উঠি লাভ নাই। নিজে যোগ্য হৈ জীৱনৰ সকলো সুখৰ অধিকাৰী হোৱা।" জীৱনত বহু যুদ্ধ কৰিয়েই স্বাভিমানেৰে পৃথিৱীৰ পৰা বিদায় মাগিলে। তেওঁৰ আত্মাৰ চিৰশান্তি আৰু সদ্গতি কামনা কৰিলো।

(লেখিকা ঃ ড° সুচিত্ৰা পাঠক, অৱসৰী সহযোগী অধ্যাপিকা, হিন্দী বিভাগ, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় আৰু ছাত্ৰীনিবাসৰ প্ৰাক্তন অধীক্ষিকা।)

□□□

# মোৰ স্মৃতি আৰু অনুভৱৰ পৃষ্ঠাত শ্ৰদ্ধাৰ প্ৰয়াত কালীচৰণ কাই আৰু অৰুণকাই



ড° নীভা ৰাণী দেৱী

"সুপ্ত শীতল গ্ৰহ হোৱাতকৈ এটা উজ্জ্বল উল্কা হ'ম
আৰু সেই উল্কাৰ প্ৰতিটো কণাদীপ্ত হৈ থাকিব।"
(ড° ভবেন্দ্ৰ নাথ শইকীয়া)

সঁচাকৈয়ে মানৱ জীৱন বৈচিত্ৰময়। জীৱনৰ এই বৈচিত্ৰময় গতিপথ অতিক্ৰম কৰোতে বিভিন্ন সময়ত বিভিন্নজনৰ সান্নিধ্য লাভ কৰা যায়। তেনে কিছুমানৰ স্মৃতি ধূসৰ হয় আৰু কোনোবা জন স্মৃতিৰ কৰণিত সতেজ ফুল হৈ পৰিস্ফুত হৈ ৰয়। তেনে দুগৰাকী উজ্জ্বল উল্কাস্বৰূপ ব্যক্তি হ'ল মোৰ অতি শ্ৰদ্ধাৰ কালীচৰণ কাই (কালিচৰণ তালুকদাৰ) আৰু অৰুণকাই (অৰুণ দাস) দুয়োগৰাকী আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰীনিবাসৰ কৰ্মচাৰী আছিল। তেখেতসকলে অতি সাধাৰণ জীৱন-যাপন কৰি নিজৰ মহানুভৱতা আৰু

কৰ্তব্যনিষ্ঠাৰে অসাধাৰণ ব্যক্তিত্বৰ পৰিচয় ৰাখি গৈছে। আজি তেখেতসকলক মোৰ স্মৃতি আৰু অনুভৱেৰে একাঁজলি শ্ৰদ্ধাঞ্জলি জনাবলৈ সুযোগ পাই নিজকে ধন্য মানিছো।

মোৰ দৃষ্টিত কালীচৰণকাই এগৰাকী সুদক্ষ প্ৰশাসক আছিল। ছাত্ৰীনিবাসৰ প্ৰতিগৰাকী ছাত্ৰীৰে তেখেত আছিল অভিভাৱকস্বৰূপ। তেখেতে সময়মতে সন্ধিয়াৰ প্ৰাৰ্থনাৰ ঘণ্টা বজাই ছোৱালীবোৰ ঘৰ সোমাল নে নাই তন্ন তন্নকৈ নজৰ ৰাখিছিল। কোনোবাজনীৰ কিবা বেয়া দেখিলে সাৱধানবাণী শুনাবলৈ অধীক্ষিকা বাইদেউলৈ কেতিয়াও অপেক্ষা কৰা নাছিল। তেখেতে প্ৰথমে নিজে ক'ব লগাখিনি কৈ বিবেচনা কৰিহে বাইদেউৰ কাণ চোৱাইছিল। ধূতি-কামিজ পৰিহিত চুটি-চাপৰ শ্যাম বৰণীয়া আৰু দ্ৰুতবেগী কালীচৰণকাইৰ নামটো যিকোনো সময়তে ছাত্ৰীনিবাসত অনুৰণিত হৈছিল। সকলোৰে প্ৰয়োজন পূৰণ কৰিবলৈ তেখেত সদাপ্ৰস্তুত আছিল। প্ৰথম দিনা দাদাৰ লগত ছাত্ৰীনিবাসৰ সংলগ্ন কাঠৰ দলংখনত ভৰি থওঁতেই দাদাৰ সন্মুখতে কালীচৰণকাই এটা দীঘলীয়া সাক্ষাৎকাৰ লৈছিল আৰু মোক নিৰ্দিষ্ট কোঠালীত প্ৰৱেশ কৰাইছিল। জন্মসূত্ৰে একে নলবাৰী মূলৰ হোৱা বাবে মোৰ ওপৰত শাসন-অনুশাসন-মৰমৰ প্ৰকোপ বাৰুকৈয়ে অনুভূত হৈছিল।

আনহাতে অৰুণকাই আছিল এগৰাকী অতি সৰল মনৰ নিমাখিত ব্যক্তি। সেউজীয়া ৰঙৰ পাৰি থকা ডাঙৰ গামোছাখনৰ লগত বগা ৰঙৰ কামিজ এটা পিন্ধি ৰাতিপুৱাৰ পৰা ৰাতিলৈকে তেখেত ব্যস্ত ছোৱালীবোৰৰ এশ এটা সমস্যা সমাধান কৰাত। চিৰপৰিচিত হাঁহিটোৰে সৈতে অতি শান্ত অৰুণকাইৰ যেন ভাগৰ নালাগে। সকলোকে সন্তুষ্ট কৰাটোৱে যেন তেখেতৰ দায়িত্ব। অৰুণকাইক লৈ কেতিয়াবা ছোৱালীবোৰে ধেমালিও কৰিছিল। অতি হোজা অৰুণকাই একো তলকিব পৰা নাছিল। দুই এজনীয়ে কেতিয়াবা তেখেতক প্ৰেমপত্ৰৰ বাহক হিচাবেও কাৰ্যনিৰ্বাহ কৰাইছিল। এই ক্ষেত্ৰত কালীচৰণকাইক কিন্তু কোনেও সাহস নকৰিছিল। বৰং গম পালে তেখেতে পত্ৰ প্ৰেৰিকা আৰু পত্ৰবাহক উভয়পক্ষকে উত্তম-মধ্যম গালি শোধাইছিল।

এনেদৰে অতি নিষ্ঠাৰে নিজ নিজ কৰ্তব্য পালন কৰি চাকৰি নিয়ামীয়াকৰণ নোহোৱাকৈয়ে শূন্যহাতে দুয়োগৰাকীয়ে মহাবিদ্যালয়ৰ পৰা বিদায় ল'বলগা হৈছিল। কালীচৰণকাইক বিদায় লোৱাৰ সময়ত লগ পোৱাৰ সৌভাগ্য নহ'ল। কিন্তু অৰুণকাইক বিদায় মুহুৰ্তত লগ পাওঁতে সেই পৰিচিত হাঁহিটোৰ কোনো পৰিৱৰ্তন পৰিলক্ষিত নহ'ল। মহাবিদ্যালয়ৰ পৰা পোৱা ন্যূনতম পাৰিশ্ৰমিকেৰে তেখেতসকলে নিজৰ পৰিয়ালৰ ভৰণ-পোষণৰ দায়িত্ব পালন কৰিছিল। তথাপি তেখেতসকলৰ মুখত কোনো দুখৰ ছাঁ বা নোপোৱাৰ ক্ষোভ দেখা নাছিলো। মাথো ৰাতিপুৱাৰ পৰা ৰাতিলৈ সকলো কাম নিয়াৰিকৈ কৰি গৈছিল। ছাত্ৰীনিবাসটোৱেই যেন দুয়োজনৰে প্ৰাণ আছিল।

সেয়েহে হয়তো অৱসৰ গ্ৰহণ কৰাৰ কিছুদিন পিছত দুয়োগৰাকীয়ে ইহ সংসাৰৰ পৰা বিদায় ল'লে। প্ৰথমে কালীচৰণকাই আৰু পিছত অৰুণকাই।

জাতস্য হি ধ্ৰুৱো মৃত্যু<br>শৰীৰস্য গুণানাঞ্চ দূৰমত্যন্তমন্তৰম্<br>শৰীৰং ক্ষণবিধ্বংসি কল্পান্তস্থায়িনোগুণাঃ ।।

পৃথিৱীত জাত ব্যক্তিৰ মৃত্যু নিশ্চিত। মানৰ শৰীৰ আৰু গুণৰাশিৰ মাজত যথেষ্ট প্ৰভেদ আছে। শৰীৰটো পলকতে ধ্বংস হৈ যাব পাৰে। কিন্তু গুণবোৰ কল্প কল্পান্তৰলৈ স্থায়ী হৈ ৰয়।

আনহাতে ড° নিৰ্মল প্ৰভা বৰদলৈ বাইদেউৱে কৈছে—"জীৱন সঁচাকৈয়ে মৰণ বিজয়ী সাধনা। প্ৰতি প্ৰহৰতে মৰণেই জীৱনৰ হাতত ধৰি থাকে। জীৱনেও মৰণৰ হাতত ধৰি থাকে। জীয়াই থকাটো এটা কলা। প্ৰতিটো প্ৰহৰ সৌন্দৰ্যমণ্ডিত হ'ব পাৰে যদিহে ৰং আৰু সুৰভিয়ে ভৰাই তুলিব জনা, অলপ অলপ সমবেদনা সহযোগী মনোভাৱতে তৃপ্ত হোৱা শক্তি বা গুণ মৃত্যুমুখী লোকজনৰ হৃদয়ত থাকে।" আমাৰ কালীচৰণকাই আৰু অৰুণকাই দুয়োজনেই জীয়াই থকাৰ এই কলা যেন খুব সুন্দৰকৈ আয়ত্ব কৰিছিল। কেতিয়াবা মোৰ দৃঢ় প্ৰত্যয়েৰে ক'ব মন যায়— আজিৰ সমাজত ক্ৰমবৰ্দ্ধমান জটিলতা-কুটিলতাৰ

ধাম কুমীয়াত কালীচৰণকাই আৰু অৰুণকাইৰ নিচিনা স্বল্পতুষ্ট, নিস্বাৰ্থ আৰু সৰল মানুহ থকা বাবে হয়তো সামাজিক ভাৰসাম্য কোনোমতে তিষ্ঠি আছে। তেখেতসকলৰ ক্ষণভঙ্গুৰ মানৱদেহ পঞ্চভূতত বিলীন হ'লেও নিজ কৰ্ম আৰু গুণৰাজিৰ যশস্যাৰ বাবে আমাৰ মাজত চিৰ প্ৰোজ্জ্বল হৈ ৰ'ব।

বৰ্তমান কালীচৰণকাইৰ ল'ৰা পঙ্কজ আমাৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগত আৰু অৰুণকাইৰ ল'ৰা ফুকন ছাত্ৰীনিবাসত অস্থায়ীভাৱে কৰ্মৰত হৈ আছে।

পৰিশেষত দুয়োজনৰে আত্মাৰ সদ্‌গতি আৰু পৰিয়াল দুটিৰ সৰ্বাঙ্গীন উন্নতিৰ কামনা কৰি ভগৱানৰ ওচৰত নতশিৰে প্ৰাৰ্থনা জনালো।

ওম্ অসতোমা সদ্‌গময়
তমসোমা জ্যোতিৰ্গময়
মৃত্যুৰ্মা অমৃতং গময়
ওম্ শান্তি শান্তি শান্তি।

(লেখিকা ঃ ড° নিভা ৰাণী দেৱী, প্ৰাক্তন ছাত্ৰী, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়। বৰ্তমান আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ভূতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপিকা।)

□□□

# আবাসৰ ৰন্ধনশাল আৰু ৰান্ধনী



ড° সুচিত্ৰা পাঠক

মানুহৰ গৃহৰ মুখ্য ভাগটো হ'ল পাকঘৰ। কিয়নো দিনটোৰ খাদ্য প্ৰস্তুত কৰা হয়। খাদ্যই কৰ্ম শক্তি যোগায়। কৰ্মৰ দ্বাৰাই মানুহৰ মানসিক আৰু শাৰীৰিক বিকাশ হয়। ঠিক তেনেকৈ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ছাত্ৰীনিবাসৰ পাকঘৰ অৰ্থাৎ ৰন্ধনশালটো আবাসী সকলৰ বাবে অতি গুৰুত্বপূৰ্ণ। কিয়নো অসম তথা অন্যান্য ৰাজ্যৰ পৰা অহা ছাত্ৰীসকলৰ স্বাস্থ্য, শিক্ষা, চৰিত্ৰগঠন আৰু মানসিক বিকাশৰ কথা জড়িত হৈ আছে। বিভিন্ন ধৰ্ম সম্প্ৰদায়, ভাষা, খাদ্যাভাস, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদিৰ কথাও আছে। এক সুসমন্বয়ৰ সৌৰভেৰে সৌৰভশালী হয়। কিছু এৰা-ধৰাৰ মাজেৰে ছাত্ৰীসকলৰ মাজত সমন্বয়ৰ সুশিক্ষা উচিতভাৱে হয়। ৰন্ধনশালটোত সদা মঙ্গল কামনা সোমাই থাকে।

ছাত্ৰীনিবাসৰ ৰন্ধনশালটোত প্ৰথম অধীক্ষিকা অধ্যাপিকা অঞ্জলী বাইদেউৰ সময়ত প্ৰথম অগ্নি সংযোগ কৰা হয়। পিছলৈ গেছৰ ব্যৱস্থা হয়। পকাৰ ডাঙৰ গেছৰ চৌকা। পাকঘৰটোৰ লগতে সংলগ্ন আছে ডাঙৰ ডাইনিং হলটো। তাতে প্ৰতিবছৰে আবাসীসকলে নিষ্ঠাৰে কৰা মা সৰস্বতী পূজাৰ

প্ৰতিমা ৰখা হয়। সদায় সন্ধিয়া চাকি জ্বলাই প্ৰাৰ্থনা ছাত্ৰীসকলে কৰে।

ছাত্ৰীনিবাসৰ পাকঘৰটো ছাত্ৰীসকলৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি পৰিষ্কাৰ-পৰিচন্ন কৰি কৰিও ৰখা হয়। আমি সকলোৱে মানো যে ৰান্ধনীশাল মা অন্নপূৰ্ণাৰ স্থল। সেয়ে ৰাতিপুৱা গা-পা ধুই ধোৱা কাপোৰ পিন্ধি শুদ্ধ মনেৰে পাকগৃহত প্ৰৱেশ কৰি ৰন্ধন কাৰ্য সম্পন্ন কৰিব লাগে। অশুদ্ধ মন, খং, ঈৰ্ষা আদি কলুষিত ভাৱেৰে ৰান্ধি পৰিৱেশন কৰিলে অন্ন গ্ৰহণ কৰা সকলৰ ওপৰত ঋণাত্মক প্ৰভাৱ পৰে। সেয়ে ছাত্ৰীনিবাসৰ ৰান্ধনী আৰু কৰ্মচাৰীসকলে এই বিষয়ত গুৰুত্ব দিছিল। মই প্ৰথমে মুখ্য ৰান্ধনী অজিত কলিতাক পাইছিলো। পিছত ৰান্ধনী সাল-সলনি হয়। অজিতক ছাত্ৰাবাসলৈ আৰু গৌৰীক ছাত্ৰীনিবাসলৈ অনা হয়। জন্মক্ষণৰ পৰাই আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ দুয়োটা হোষ্টেলৰে প্ৰায়বিলাক দিশত সহায়-সহযোগিতা আছিল। বৰ্তমান গৌৰী মহাবিদ্যালয়ৰ কাৰ্যালয়ৰ কৰ্মচাৰী ৰূপে কৰ্মৰত হৈ আছে। গৌৰী ৰন্ধাত নিপুণ। তেওঁ ৰন্ধা দালি, মাছ, মাংসৰ আঞ্জাৰ সোৱাদ আজিও সেই সময়ৰ আবাসীসকলে সোঁৱৰে। ৰাতিপুৱাই পাকঘৰটো সৰা-মচা হয়। গৌৰীৰ সহায়ক ফুকনে বাচন-বৰ্তন, ঠাই আদি পৰিস্কাৰ কৰাৰ পাছত দিনটোৰ বাবে ৰন্ধাৰ কাম আৰম্ভ হয়।

গৌৰীয়ে ৰাতিপুৱা গা ধুই প্ৰণাম কৰি প্ৰথমে গৰম পানী কৰি ৰাতিপুৱাৰ চাহ, দুপৰীয়া ভাত, আবেলিৰ লঘু আহাৰ আৰু ৰাতিৰ সাজ ৰান্ধে। বৃহস্পতিবাৰত বাদে মাছ, মাংস, কণী আদি ৰান্ধি দিয়া হয়। কেতিয়াবা কোনোবা ছাত্ৰীৰ জ্বৰ, পেটৰ অসুখ, গেষ্ট্ৰিক আদি অসুখ হ'লে পাকঘৰৰ পৰা সিদ্ধভাত, গৰমপানী, চাহ আদি যোগান ধৰে। এইবোৰ বিষয়ত পাকঘৰত কৰ্মচাৰী আৰু দুই এগৰাকী আবাসীৰ মাজত বিতৰ্ক, মতভেদ নোহোৱাও নহয় কিন্তু সেইবোৰ সাময়িক আছিল। সেয়ে মোৰ সময়চোৱাত তিনিবেলা ভাতৰ ব্যৱস্থা কৰা হৈছিল। কিয়নো ৰাতিপুৱাই আৰু দেৰিলৈকে ক্লাছ/প্ৰেক্টিকেল থাকিলে কিছুমান ছাত্ৰীয়ে সময়মতে আহাৰ খাব নোৱাৰিছিল ফলত গেষ্ট্ৰিক পেইন আদি অসুখত ভুগিছিল। গৌৰীৰ সহায়ক ফুকন আজিও আবাসত

কৰ্মৰত হৈ আছে। পাকঘৰৰ ৰন্ধা-বঢ়া কামত মুখ্য ৰান্ধনী আৰু সহায়কেই যে কেৱল কাম কৰিছিল তেনে নহয়। বজাৰ কৰা, গেছ চিলিণ্ডাৰ অনা, তৰকাৰী কুটা আদি কামত কালীচৰণকা, অৰুণকা, তৰুলতা বাই, বসন্ত শৰ্মাও যথেষ্ট সহায়-সহযোগিতা আগবঢ়াইছিল। তেওঁলোকৰ মাজত মনোমালিন্য যে হোৱা নাছিল এয়াও নহয় কিন্তু আটাইকেইজনে গৰম মূৰ ঠাণ্ডা হোৱাৰ পিছত এৰা-ধৰাৰ মাজেৰে বুজাবুজিত উপনীত হৈছিল। সময়ৰ পৰিৱৰ্তনৰ লগে লগে বহুতো স্ফূৰ্তি পাহৰণিৰ গৰ্ভত বিলীন হৈ গৈছে। 'স্মৃতিৰ ডেউকা'ত দুকলম লিখিবলৈ সুযোগ পাই নিজকে ধন্য মানিছো। পাহাৰে-ভৈয়ামে বিভিন্ন ঠাইৰ পৰা শিক্ষাৰ পোহৰ বিচাৰি অহা ছাত্ৰীসকলৰ বাবে ছাত্ৰীনিবাসৰ পাকঘৰৰ চৌকাৰ অগ্নি সদা প্ৰজ্জ্বলিত হৈ থকাৰ কামনা কৰিলো।

(লেখিকা ঃ ড° সুচিত্ৰা পাঠক, অৱসৰী সহযোগী অধ্যাপিকা, হিন্দী বিভাগ, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় আৰু ছাত্ৰীনিবাসৰ প্ৰাক্তন অধীক্ষিকা।)

□□□

# ৰান্ধনীৰ মনৰ কথা



ফুকন দাস



গোৱিন্দ মালী

বহুদিনৰ পৰা আমাৰ ছাত্ৰীনিবাসৰ প্ৰাক্তন অধীক্ষিকা ড° শিপ্ৰা পাইক বাইদেৱে আমাক পাকঘৰ আৰু আমাৰ মনৰ কথাবোৰ লিখি দিব কাৰণে কৈছিল কিন্তু আমাৰ লিখা-মেলাৰ অভ্যাস নথকাৰ কাৰণে আজি আবেলি আমি শিপ্ৰা বাইদেউৰ ঘৰতে আহিলো আৰু তাতেই আমি চাহ-জলপান খোৱাৰ লগতে আমাৰ মনৰ আটাইবোৰ কথা বাইদেউৰ আগতে ব্যক্ত কৰিলো।

বাইদেউ ফুকনক কেতিয়াৰ পৰা এইখন ছাত্ৰীনিবাসত আছে বুলি সুধিছে— ফুকনে ক'লে সৰুতেই দেউতা অৰুণ দাসৰ (চৌকিদাৰ) লগতে এইখন ছাত্ৰীনিবাসত আহিছিলো, ইয়াতেই ডাঙৰ হ'লো, বিয়াও পাতিলো আৰু দিন যোৱাৰ লগে লগে বৰ্তমান ছাত্ৰীনিবাসৰ প্ৰধান ৰান্ধনী হিচাপে কাম কৰি আছো।

বাইদেউ আকৌ ক'লে—গোৱিন্দ আপুনি কেতিয়াৰ পৰা ইয়াতে আছে, কিমান বছৰ হ'ল এই ছাত্ৰীনিবাসত?

তেতিয়া মই (গোবিন্দ) ক'লো—ফুকনে ১৯৮৬ চনৰ পৰা আৰু মই

২০০৩ চনত জইন হৈছো, কিমান ছোৱালীৰ কাৰণে যে খানা বনালো ৰান্ধা কৰিলো তাৰ ঠিকনা নাই। ছোৱালীখিনিৰ লগত সদায় মিলিজুলি কাম কৰি বহুত আনন্দ পাইছিলো। নতুন নতুন অহা ছোৱালীখিনিৰ লগত মেচৰ পৰা পইচা লৈ প্ৰতিদিন আবেলি তেওঁলোকৰ কাৰণে বজাৰ-সমাৰ কৰা এটা আমাৰ নিত্য নৈমিত্তিক কৰ্তব্য আছিল। আমি সদায় তেওঁলোকক এই বিষয়ে সহায় কৰি থাকো, Freshers' welcome farewellও আমি ছাত্ৰীনিবাসৰ গোটেই কৰ্মচাৰী একেলগে মিলিজুলি খোৱা-লোৱা আদি কৰি যাতে সুন্দৰ আৰু সুচাৰুৰূপে সম্পন্ন হয় সেই চেষ্টাত কোনো ধৰণৰ ত্ৰুটি নকৰো, ছোৱালীবোৰে আনন্দত থাকিলে আমাৰো আনন্দ হয়। আদৰণি আৰু বিদায় এই দুয়োখন সভাত আমন্ত্ৰিত ছাত্ৰাবাসৰ ল'ৰাবোৰৰ সৈতে ছাৰ বাইদেউহঁতেও আহে আৰু সকলোৰে সহযোগীতাত এটা আনন্দময় পৰিৱেশৰ সৃষ্টি হয়। সেইদিনা আমাৰ কাম সব খোৱা বস্তুবোৰ স্পেচিয়েল ৰান্ধা আৰু পৰিবেশনৰ দায়িত্বত সেইদিনা ছোৱালীবোৰেই থাকে। সকলোৰে লগতে থাকি থাকি একেবাৰে কাম নজনা ছোৱালীও সকলো কাম-কাজ, পৰিবেশন আদি কৰিব পৰা হৈ যায়।

প্ৰতিদিন ৰাতিপুৱা, দুপৰীয়া আৰু ৰাতিৰ সাজত সকলোৱে একেলগে বহি ভাত খায়। কিছুমানৰ আকৌ demand — 'পিছদিনা গোৱিন্দদা অমিতাৰ খাৰ বনাবচোন।' আমিও হাঁহি হাঁহি যিমানখিনি তেওঁলোকৰ demand পুৰণ কৰিব পৰা যায় কৰো আৰু প্ৰতিদিন এনেকৈই এটা নিয়মেৰে চলি থাকে যদিও মাহৰ শেষৰ দিনাৰ কথা বেলেগ। মাহৰ শেষৰ দিনা পোলাও, মাংস, মিঠাই, দৈ, ক্ৰীম ইত্যাদি থাকে আৰু ছোৱালীহঁতে সন্ধিয়া কিবা স্পেচিয়েল পাম এই আশাৰে বাট চাই থাকে। আমিও সকলোৱে মিলি ছাত্ৰীসকলৰ কাৰণে খুব ধুনীয়াকৈ পৰিস্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখি অতি আন্তৰিকতাৰে সেই বস্তুখিনি বনাওঁ আৰু সকলোৱে আনন্দেৰে সেইখিনি গ্ৰহণ কৰে।

অতি কষ্ট হ'লেও তেওঁলোকৰ কাৰণে কামখিনি আমি সুকলমে কৰো যাতে ছোৱালীবোৰে খোৱা-লোৱাৰ কাৰণে বিন্দুমাত্ৰ চিন্তা নকৰি অকল যেন পঢ়া-শুনাত মন দি ভাল ৰিজাল্ট কৰি ভৱিষ্যতৰ লক্ষ্যত উপনীত হ'ব পাৰে

সেই চেষ্টা কৰো। ভিন্ ভিন্ ঠাইৰ পৰা অহা ভিন্ন ধৰ্ম আৰু ভাষাবলম্বী ছোৱালীহঁত ইয়াত আহি মিলিজুলি একাকাৰ হৈ যোৱা আমি দেখিছো। ইয়াৰ পৰা তিনিবছৰৰ শিক্ষা শেষ কৰি যোৱাৰ সময় এটা মধুৰ স্মৃতি তেওঁলোকে লগতে লৈ যায় আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ছাত্ৰীনিবাসৰ সদস্যা ৰূপে।

শিপ্ৰা পাইক বাইদেউ ইয়াতে অধীক্ষিকা হৈ থকাৰ সময়ত ছাত্ৰীনিবাসত বহুতো বনৌষধিৰ গছ লগাইছিল আৰু আমাক কৈছিল—আপোনালোকে যে মছলা পাতি হালধি, জিৰাগুড়ি, কালজিৰা, মিথি আদি ৰান্ধোতে ব্যৱহাৰ কৰে গোটেইখিনি ঔষধ বা ঔষধি গুণযুক্ত। সেইকাৰণে কোনোটো আমাৰ পিত্ত ঠিক ৰাখে আৰু কোনোবাটো আমাৰ বাত আৰু কফ দূৰ কৰি আমাক নিৰোগ কৰি ৰাখে। আচলতে পাকঘৰখন এখন পৱিত্ৰ যজ্ঞশালা। আজিও আমি বাইদেউৰ কথাবোৰ স্মৰণ কৰো আৰু গা-পা ধুই শান্ত আৰু পৱিত্ৰ মনেৰে দিনৰ সাঁজখিনি তৈয়াৰ কৰো। আমি ভাল মনেৰে ৰান্ধিলেহে ছোৱালীহঁতৰ মনটোও ভাল থাকিব, ভালকৈ পঢ়া-শুনা কৰিব পাৰিব সেইটো সঁচা।

আমাৰ মাজৰে পংকজ তালুকদাৰেও নিজকৰ্ম সম্পাদন কৰাৰ উপৰিও শিপ্ৰা বাইদেউৰ অনুপ্ৰেৰণাত আৰু চেষ্টাত একেবাৰেই বি.এ. পাছ কৰিছে ২০০৯ চনত। আমি তেতিয়া পংকজক পৰীক্ষা হলত আগবঢ়াই দিব গৈছিলো। সি পাছ কৰাত আমাৰো খুব স্ফূৰ্তি হ'ল। এইটো আমাৰ কাৰণে অতি গৌৰৱৰ কথা।

আমাৰ ছাত্ৰীনিবাসত ১০ টা গেছ চিলিণ্ডাৰ আছে। আমাৰ কৰ্মচাৰীৰ মাজৰ আমি যি কোনো দুজনে গেছ চিলিণ্ডাৰ অনা-নিয়া কৰো। এবাৰ তো হাঁহাকাৰ লাগিল। গেছ বুকখন হেৰাই গ'ল। বহুত বিচাৰিও বসন্ত শৰ্মাই নাপালে। গেছ বহি নহ'লে ভাস্কৰ গেছ এজেন্সিয়ে আমাক গেছ নিদিয়ে। তেতিয়া শিপ্ৰা বাইদেউ পংকজ আৰু বসন্ত শৰ্মা মুৰ্গী ফাৰ্মৰ (বীৰুবাৰী) ওচৰত থকা উকিল এজনৰ মাধ্যমত Notaryত কাগজ-পত্ৰ বনাই গেছ এজেন্সিত জমা দিয়াৰ পাচত আমি ছাত্ৰীনিবাসৰ কাৰণে নতুন গেছ বহি (Gas book) পালোঁ। ক'ত কি যে কাণ্ড! ফুকন আৰু মই (গোবিন্দ) ৰন্ধা-বঢ়া কৰো, বিশ্ব, শুক্লে,

দশমীবা সকলে সহযোগিতা আগবঢ়ায়। ইয়াৰ উপৰিও তেওঁলোকৰ অসুখ-বিসুখ হ'লে আমি ঔষধ আনি দিয়া, মেডিকেলত লৈ যোৱা আদিকে ধৰি সম্পূৰ্ণ সহযোগিতা কৰোঁ। বৰ্তমানত ছাত্ৰীনিবাসত ৭০-৭২ জনী ছাত্ৰী আৰু আমি ৫ জন কৰ্মচাৰী, আমি সকলোৰে মিলি ছাত্ৰীনিবাসৰ সুখ-দুখৰ সমভাগী হৈ সকলো কৰ্তব্য নিষ্ঠাৰে পালন কৰোঁ।

মোৰ (গোবিন্দৰ) অসুখৰ সময়ত বৰ্তমান অধীক্ষিকা মানসী বাইদেউ, শিপ্ৰা বাইদেউৰ লগতে বাকী অন্যান্য ছাৰ-বাইদেউ আৰু ছাত্ৰীসকলেও যথেষ্ট সহযোগিতা আগবঢ়াইছে। সেইকাৰণে মই তেখেতসকলৰ ওচৰত চিৰ কৃতজ্ঞ। আকৌ এবাৰ কৈছো—আমাৰ ধাৰণা পাকঘৰ অকল পাকঘৰেই নহয়, এইখন এখন পৱিত্ৰ যজ্ঞশালা। এই যজ্ঞশালাৰ কথাখিনি শিপ্ৰা বাইদেউৰ মুখতে প্ৰথম শুনিছিলো য'ত আমি পৱিত্ৰ মনেৰে অগ্নি সাক্ষী কৰি শান্তিপূৰ্ণ ভাৱে ন-পুৰণি সকলো ছোৱালীৰ বাবে খোৱা খাদ্যৰ যোগান দিওঁ যাতে এই পৱিত্ৰ খাদ্য তেওঁলোকৰ সৰ্বান্তঃকৰণে জীৱনৰ উন্নতি সাধন কৰে আৰু সকলোৰে যেন জীৱনত প্ৰতিষ্ঠিত হৈ সমাজৰ বহুতো অগ্ৰণী ভূমিকা লৈ আৰ্য্য বিদ্যাপীঠ ছাত্ৰীনিবাসৰ নাম উজ্জ্বল কৰিব পাৰে সেই কামনাই কৰোঁ। তেওঁলোক বহুতে এই মহাবিদ্যালয়ৰ পৰা শিক্ষা শেষ কৰি দেশৰ বিভিন্ন ঠাইত উচ্চপদত প্ৰতিষ্ঠিত হৈ আছে। তেওঁলোকৰ একাষাৰ মাত পালে আমাৰ মনটো আনন্দত ভৰি পৰে। পৰিশেষত সকলো ন-পুৰণি ছাত্ৰীসকলৰ তথা অধীক্ষিকাসকলৰো মঙ্গল কামনা কৰি ইমানতেই শেষ কৰিছো।

জয়তু আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰীনিবাস।

(লেখকদ্বয় ঃ শ্ৰীফুকন দাস আৰু শ্ৰীগোবিন্দ মালী, দুয়োজনেই আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰীনিবাসৰ ৰান্ধনী।)

□□□

# হেৰুৱা সুবাস বিচাৰি



শ্ৰীমৌচুমী দেৱী

আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ছাত্ৰীনিবাস। যাক এতিয়াও মই অনবৰতে বুকুত কঢ়িয়াই লৈ ফুৰো। হোষ্টেলখন মোৰ জীৱনৰ এক বিৰল অভিজ্ঞতাৰ সাক্ষী। হোষ্টেলৰ দিনবোৰে কেতিয়াবা বৰকৈ আমনি কৰে... মোক বাৰে বাৰে প্ৰেমত পেলায় হোষ্টেলখনে ৰিঙিয়াই মাতে অতীতৰ সেই দিনবোৰলৈ.... কি পালো, কি হেৰুৱালো তাৰ হিচাপ ৰখা নাই কিন্তু যিখিনি পালো সেয়া অমূল্য।

২০১৪-২০১৬ চনৰ সেই দিনবোৰ আজিও সজীৱ হৈ আছে। সেই সময়ত আমাৰ হোষ্টেলখনৰ চাৰিওফালে মেটেকাৰে পৰিপূৰ্ণ আছিল। ঘৰৰ পৰা আঁতৰি আহি হোষ্টেলত থকা দিনকেইটাত বুজি উঠিছিলো কিছুমান স্বাধীনতাৰো মূল্য আছে। সেই সময়ত আমাৰ হোষ্টেলৰ দায়িত্বত আছিল দিপালী বাইদেউ। যি কোনো দিনে আমাক গালি দিয়াৰ কথা মনলৈ নাহে। বৰঞ্চ আমাক কিবা ক'ব লাগিলেও মুখৰ হাঁহিটো নিলগত নাৰাখে। হোষ্টেলত নতুন নতুন কথাৰ সৈতে চিনাকী হ'বলৈ শিকিছিলো। কিছুমান নীতি-নিয়মৰ কথা ভাবিলে এতিয়াও ভাল লাগে। ব্যস্ত মহানগৰীৰ সৈতে আমাৰ সময়সীমাৰ

কিছু অমিল আছিল। (গৰমৰ দিনকেইটাত ৫.৩০ মিনিটত আৰু ঠাণ্ডাৰ দিনবোৰত ৪.৩০ মিনিটত) ছাত্ৰীনিবাসৰ বুকুলৈ সন্ধ্যা নামিছিল আৰু আমি সকলো হোষ্টেলমুৰা হৈছিলো। সেই কথাবোৰ এতিয়া ভাবিলে এক বুজাব নোৱাৰা সুখ অনুভৱ কৰোঁ।

আকৌ নিৰ্ধাৰিত সময়ত প্ৰৱেশ কৰিব নোৱাৰিলে কেতিয়াবা এখন সৰু-সুৰা যুদ্ধক্ষেত্ৰতো অৱতীৰ্ণ হৈছিলো। নিৰ্ধাৰিত সময় পাৰ হ'লে দিপালী বাইদেউৰ কৰ্ণগোচৰ যাতে নহয় আমি হোষ্টেলৰ পদূলি পোৱাৰ আগে আগে সকলোৰে হাতে হাতে চেঙেল লৈ সোমাইছিলো। (এনে ঘটনা মাত্ৰ এদিন দুদিনহে ঘটিছিল।) আমাৰ ছাত্ৰী নিবাসৰ সেই সময়ৰ আটাইতকৈ ভাললগা কথাটো আছিল আমি প্ৰত্যেকে এমাহ এমাহকৈ মেচ চলাইছিলো। খুব কম পইচাৰে আমি সুস্বাদু খাদ্য খাইছিলো পেহী, খুৱাহঁতৰ অপৰিসীমা কষ্টৰ শেষত। এই মেচ চলোৱা কাৰ্যই আমাৰ জীৱনত বিশেষ অৰিহণা যোগালে। গধূলি ডাইনিং হলৰ মিটিংবোৰতো বহু কথাই বুজিবলৈ সুবিধা পাইছিলো। কেতিয়াবা সেই মিটিংবোৰ খুব আমোদজনক আছিল। (তাত পূৰ্বতে আমি চিনিয়ৰ সকলৰ পৰা পোৱা হিচাপৰ ভাগ-বতৰা জুনিয়ৰ সকলৰ সৈতে কৰাৰ সুবিধা লাভ কৰিছিলো)। সেই সময়ত কেতিয়াবা পানীৰ অসুবিধাৰ বাবে গধূলি গধূলি পানী গাড়ী আহিছিল। সেই সময়ত পানীৰ অসুবিধাই আমাক তিলমানো স্পৰ্শ কৰিব পৰা নাছিল। বৰঞ্চ গাড়ী আহিছে, গাড়ী আহিছে বুলি কোনোবাই মৰা সেই চিঞৰটোৱে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰিছিল।

এই অনুভৱবোৰৰ মাদকতাই সুকীয়া। শেষত মনতে ৰৈ যোৱা আন এক অনুভৱ সংক্ষিপ্তকৈ জনোৱাৰ প্ৰয়াস—

ছাত্ৰীনিবাসৰ সেই ছাঁদখন
কি যে এক বুজাব নোৱাৰা অনুভৱ
ৰাতি নাকে-মুখে ভাত গুজি ছাঁদত
খোজ কাঢ়িবলৈ যোৱা দিনবোৰ
মহঙা আছিল।

ছাঁদৰ পৰা পাহাৰৰ ওপৰত থকা
হৰ গৌৰী মন্দিৰৰ দৃশ্যবোৰ
জোনাক নিশাবোৰত জোনটোৱে
আমাৰ বাবে এৰি যোৱা দৃশ্যবোৰ
মহঙা আছিল।
বেলি ডুব যোৱা দৃশ্যবোৰে
হোষ্টেলৰ জামু, পমলখি, অমৰা
খোৱাৰ জুতিবোৰো মহঙা আছিল।
এনেকৈয়ে সেই দিনবোৰত
আমি আমাৰ হোষ্টেলীয়া জীৱন সামৰিছিলো।

আৰ্য্য বিদ্যাপীঠৰ হোষ্টেলীয়া দিনবোৰে মোৰ যেন হৃদয়ৰ উদং পথাৰত আশাৰ কঠীয়া সিঁচি সেউজীয়া কৰি থৈ গ'ল।

জয়তু আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়।
জয়তু আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰীনিবাস।।

(লেখিকা ঃ শ্ৰীমৌচুমী দেৱী, প্ৰাক্তন ছাত্ৰী, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় আৰু বৰ্তমান মহাবিদ্যালয়ৰে অসমীয়া বিভাগৰ অংশকালীন প্ৰবক্তা।)

□□□

**আৰম্ভণিৰ পৰা অধীক্ষিকাসকল ঃ**

১। শ্ৰীমতী অঞ্জলী ভট্টাচাৰ্য্য — ২৬-১০-১৯৮৪—১৫-১০-১৯৮৭

২। স্বৰ্গীয়া ভানু চৌধুৰী শৰ্মা — ১৭-১০-১৯৮৭— ২৬-১১-১৯৯১

৩। ড° সুচিত্ৰা পাঠক — ১১-১২-১৯৯১— ১৫-০১-১৯৯৯

৪। ড° নীলিমা দেৱী — ০১-০৩-১৯৯৯ — ২৬-০৬-২০০২

৫। ড° বৰ্ণালী শৰ্মা — ০১-০২-২০০৩ — ২২-১১-২০০৫

৬। ড° শিপ্ৰা পাইক — ০৩-০৫-২০০৬ — ০৮-০৫-২০১১

৭। ড° দীপালী নেওগ গোস্বামী — ২১-০৫-২০১১ — ০৩-১২-২০১৬

৮। ড° শিপ্ৰা পাইক — ০৪-১২-২০১৬ — ২৭-০২-২০১৭

৯। ড° মানসী গগৈ — ২৮-০২-২০১৭ — বৰ্তমানলৈ

**আৰম্ভণিৰ পৰা কৰ্মচাৰীসকল ঃ**

১। কালিচৰণ তালুকদাৰ — ১৯৮৪-২০০০

২। অৰুণ দাস — ১৯৮৪-২০১৭

৩। বসন্ত শৰ্মা — ১৯৮৪-

৪। লক্ষেশ্বৰ শৰ্মা — ১৯৮৪-১৯৮৬

৫। প্ৰমোদ বৰ্মন — ১৯৮৪-১৯৮৬

৬। ফুকন দাস — ১৯৮৬-

৭। অজিত কলিতা — ১৯৮৬-১৯৯২

৮। গৌৰী কুমাৰ — ১৯৯৩-২০০২

৯। অতুল পাটোৱাৰী — ১৯৮৭-১৯৯১

১০। তৰুবালা দাস — ১৯৮৪-২০০২

১১। পুতুলী বাচফোৰ— ১৯৮৪-

১২। গোবিন্দ মালী —২০০৩-

১৩। পঙ্কজ তালুকদাৰ — ২০০০-

১৪। দশমী কাকতি — ২০০২-

১৫। বিশ্বজিত ঠাকুৰীয়া — ২০০৩-

১৬। শুক্লেশ্বৰ হাজৰিকা — ২০১৭-